# সংক্ষিপ্তসাৰ

ভাৰতীয় সমাজবিজ্ঞান আৰু গৱেষণা পৰিষদৰ অৰ্থ সাহায্যত
নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু
বিদ্যা ভাৰতী উচ্চ শিক্ষা সংস্থান, অসম প্ৰান্তৰ সহযোগত
আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰ

**ICSSR SPONSORED TWO-DAY NATIONAL SEMINAR**
**ON**
**CLASSICAL ASSAMESE LANGUAGE :**
**CHALLENGES AND POSSIBILITIES**

# বিষয়- ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা

তাৰিখ ঃ ২১ আৰু ২২ মাৰ্চ, ২০২৫

অনলাইন আৰু অফলাইন মাধ্যম



সম্পাদক

ড° অমল নাথ • ড° চন্দনা নাথ • ড° স্মিতা ডেকা

আয়োজক

অসমীয়া বিভাগ

নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছি

# সংক্ষিপ্তসাৰ

ভাৰতীয় সমাজবিজ্ঞান আৰু গৱেষণা পৰিষদৰ অৰ্থ সাহায্যত
নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু
বিদ্যা ভাৰতী উচ্চ শিক্ষা সংস্থান, অসম প্ৰান্তৰ সহযোগত
আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰ

**ICSSR SPONSORED TWO-DAY NATIONAL SEMINAR
ON
CLASSICAL ASSAMESE LANGUAGE : CHALLENGES AND POSSIBILITIES**

বিষয় - ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা

তাৰিখ ঃ ২১ আৰু ২২ মাৰ্চ, ২০২৫

অনলাইন আৰু অফলাইন মাধ্যম

সম্পাদক

ড° অমল নাথ • ড° চন্দনা নাথ • ড° স্মিতা ডেকা

আয়োজক

অসমীয়া বিভাগ

নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছি

***A Publication of Abstract of papers of National Seminar on "ICSSR SPONSORED TWO-DAY NATIONAL SEMINAR" Organized by Department of Assamese, Nirmal Haloi College, Patacharkuchi.***

***First Edition: March, 2025***

***Disclaimer:*** *Abstracts published here are the original creations of the writers. However, in sum of the Abstracts minor editing has been made for publication purposes. We regret our inability to publish the Abstracts which are not received in due time.*

***Published by :***

*Research and Development Cell Nirmal Haloi College, Patacharkuchi, Bajali, Asssam, 701326*

***Reviewer :***

Dr. Nabanita Kalita (Asso. Prof.)
Dr. Chandana Nath (Asst. Prof.)
Dr. Smita Deka (Asst. Prof.)
*Department of Assamese,*
*Nirmal Haloi College, Patacharkuchi*

***Layout:***

*Dr. Amal Nath*

***Printed at :***

***Rhino Printers, Station Road, Pathsala***

# অধ্যক্ষৰ একলম

ভাৰতবৰ্ষৰ ২২টা চৰকাৰী ভাষাৰ ভিতৰত অসমীয়া ভাষা অন্যতম। ২০২৪ বৰ্ষৰ ৩ অক্টোবৰ তাৰিখে এই ভাষাটোৱে ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাটো প্ৰত্যেকজন অসমীয়াৰ বাবে অতি গৌৰৱৰ বিষয়। প্ৰায় দুহেজাৰ বছৰীয়া পুৰণি এই ভাষাটোৰ সমৃদ্ধিশালী ইতিহাসে ভাষাটোৰ স্বকীয়তাৰ কথাই ঘোষণা কৰে। নামনি অসমৰ উচ্চ শিক্ষাৰ এক অগ্ৰণী শিক্ষানুষ্ঠান নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ভাৰতীয় সমাজ বিজ্ঞান আৰু গৱেষণা পৰিষদ (ICSSR)ৰ অৰ্থ সাহায্যত আয়োজন কৰা 'ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা'— শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ দুদিনীয়া আলোচনা সত্ৰই অসমীয়া ভাষাৰ উন্নতিত আৰু কিছু গতি প্ৰদান কৰিব বুলি আমাৰ বিশ্বাস। এই আলোচনা সত্ৰৰ লগত সঙ্গতি ৰাখি এখন সংক্ষিপ্তসাৰৰ সংগ্ৰহ আৰু নিৰ্বাচিত গৱেষণা পত্ৰসমূহৰ একত্ৰ সংকলনেৰে এখন ISBN সম্বলিত এখন গৱেষণা গ্ৰন্থ প্ৰকাশৰ পৰিকল্পনা কৰা হৈছে। আশা কৰা হৈছে সংক্ষিপ্তসাৰৰ সংগ্ৰহ আৰু গৱেষণা গ্ৰন্থখনে অধ্যাপক, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে উপকৃত কৰিব। আলোচনা সত্ৰখন আয়োজন কৰি ইয়াক বাস্তৱায়িত কৰাৰ বাবে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকালৈ শুভেচ্ছা জনালোঁ। আমাৰ আশা মহাবিদ্যালয়ৰ উত্তৰণত এই আলোচনা সত্ৰখনে বিশেষ অৰিহণা যোগাব।

জয়তু ধ্ৰুপদী অসমীয়া ভাষা

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

(ড° কৌশিক কুমাৰ ডেকা)

**অধ্যক্ষ**

নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছি

# আহ্বায়কৰ একলম

প্ৰায় দুহেজাৰ বছৰ পুৰণি অসমীয়া ভাষাই ভিন ভিন সময়ত ভিন ভিন স্তৰ অতিক্ৰম কৰি বিভিন্ন জাতি-উপজাতিৰ উপাদানেৰে এক সমৃদ্ধ ৰূপ লাভ কৰিছে। শেহতীয়াভাৱে এই ভাষাটোৱে ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ লগে লগে ইয়াৰ সুপ্ৰাচীন ইতিহাস আৰু ইতিহাসৰ ভিন ভিন স্তৰত ভাষাটোৱে লাভ কৰা ৰূপ-বৈচিত্ৰ্যই নতুনকৈ ভাষা চৰ্চাকাৰীসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। ইয়াৰ উপৰি সাম্প্ৰতিক সময়ছোৱাৰ ভাষাটোৰ গতি-প্ৰকৃতি সম্পৰ্কেও আলোচনাৰ যথেষ্ট থল আছে। ধ্ৰুপদী ভাষা হিচাপে এই ভাষাটোৰ চৰ্চা আৰু অধ্যয়নৰ ক্ষেত্ৰত যিদৰে বিভিন্ন সম্ভাৱনা আছে তাৰ সমান্তৰালকৈ ভিন ভিন ক্ষেত্ৰত অনেক প্ৰত্যাহ্বানৰ কথাও নুই কৰিব নোৱাৰি। বিশেষকৈ বিশ্বায়নৰ ধামখুমীয়াত এটা গোলকীয় ভাষাৰ প্ৰয়োজনীয়তা আৰু প্ৰাসংগিকতা আহি পৰা এই সময়ছোৱাত ধ্ৰুপদী ভাষা ৰূপে স্বীকৃতি প্ৰাপ্ত অসমীয়া ভাষাটো ভৱিষ্যতৰ নৱপ্ৰজন্মৰ বাবে কিদৰে সুৰক্ষিত কৰি ৰাখি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিব পৰা যাব — এয়া নিশ্চয়কৈ প্ৰত্যাহ্বানৰ বিষয়। এনে প্ৰত্যাহ্বানসমূহক সম্ভাৱনালৈ ৰূপান্তৰ কৰি অসমীয়া ভাষাটোক বিশ্বৰ ভিতৰতে এটা অন্যতম শক্তিশালী ভাষা ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে কেনেধৰণৰ পদক্ষেপেৰে আগবাঢ়িব লাগিব সেই ইতিবাচক চিন্তা-চৰ্চাৰ দুৱাৰ এই আলোচনা সত্ৰই মুকলি কৰিব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। এনে প্ৰেক্ষাপটত 'ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা'—শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনা সত্ৰখনৰ আয়োজন কৰা হৈছে। আলোচনা সত্ৰখনৰ লগত সংগতি ৰাখি ইয়াত উপস্থাপন কৰিবলগীয়া আলোচনা পত্ৰসমূহৰ

সংক্ষিপ্তসাৰসমূহ একগোট কৰি প্ৰকাশৰ দিহা কৰা হৈছে। এই আলোচনা সত্ৰখনৰ জৰিয়তে আগ্ৰহী গৱেষক, শিক্ষক তথা ছাত্ৰ সমাজে ভাষাটো সম্পৰ্কে তেওঁলোকৰ নব্য চিন্তা-চৰ্চাৰে ভাষাটোৰ সমৃদ্ধিত নিশ্চয়কৈ অৰিহণা যোগাব পাৰিব।

যিসকল গৱেষক, শিক্ষক আৰু শিক্ষাৰ্থীয়ে বিভিন্ন গৱেষণা পত্ৰৰ জৰিয়তে এই সংক্ষিপ্তসাৰ সংগ্ৰহত অৰিহণা আগবঢ়াইছে তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে সংক্ষিপ্তসাৰ সংগ্ৰহৰ প্ৰস্তুতিৰ লগত জড়িত আমাৰ বিভাগৰ সমূহ সহকৰ্মী তথা ছপাশালৰ কৰ্মীসকললৈ অন্তৰভৰা কৃতজ্ঞতা জনাইছোঁ।

আহ্বায়ক

**ড০ নৱনীতা কলিতা**

## Advisory Committee

- Prof. Lilawati Saikia Bora
- Dr. Taranee Deka
- Dr. Dhanpati Deka
- Dr. Binita Bora Dev Choudhury
- Dr. Homeswar Kalita
- Dr. Debahari Talukdar

## Organizing Committee

- Dr. Kaushik Kr. Deka, *Principal, Nirmal Haloi College*
- KishoreKr. Sarma, *Vice Principal, Nirmal Haloi College*
- Jiten Kr. Bhagawati, *Coordinator of IQAC, Nirmal Haloi College*

**Convenor** :

- Dr. Nabanita Kalita, *HoD, Department of Assamese*

**Organizing Secretary** :

- Dr. Chandana Nath, *Assistant Professor, Department of Assamese*
- Dr. Smita Deka, *Assistant Professor, Department of Assamese*
- Dr. Amal Nath, *Assistant Professor, Department of Assamese*

**Members**:

- Dr. Tapan Kalita, *HoD, Department of History*
- Dr. Kamal Thakuria, *Assistant Professor, Department of Economics*
- Rajen Ch. Das, *HoD, Department of Philosophy*
- Dr. Binima Patgiri, *HoD, Department of Sanskrit*
- Barnali Saikia, *Assistant Professor, Department of Education*
- Priyanka das, *Assistant Professor, Department of Economics*
- Lohita Bala Hajong, *Assistant Professor, Department of History*
- Dr. Chitra Ranjan Sarma, *Assistant Professor, Department of Sanskrit*
- Dipankar Das, *HoD, Department of Political Science*
- Upakul Patowary, *Assistant Professor, Department of English*
- Banashri Kumar, *Assistant Professor, Department of philosophy*
- Dr. Hemashree Duarah, *Assistant Professor, Department of political Science*
- Dr. polly Rajkhowa, *Assistant Professor, Department of philosophy*
- Suman Barman, *Assistant Professor, Department of Education*

# সূচীপত্ৰ


- **সাম্প্ৰতিক সময়ৰ গণ মাধ্যমত ব্যৱহৃত অসমীয়া ভাষা ঃ এটি অধ্যয়ন**
  ব্ৰজেন বৈশ্য /১
- **সামাজিক মাধ্যমত ব্যৱহৃত অসমীয়া ভাষাঃ এক বিশ্লেষণাত্মক অধ্যয়ন' (ফেচবুক আৰু ৱাটছএপৰ বিশেষ উল্লেখনেৰে)**
  মনোজ কাৰ্দং /২
- **অসমীয়া ভাষাৰ পৰম্পৰা আৰু পৰিৱৰ্তন**
  হিমাক্ষী বৰ্মন /৪
- **অসমীয়া ভাষাৰ পৰিবৰ্দ্ধনত বৰভাগ অঞ্চলৰ স্থানীয় উপভাষা ঃ এটি অধ্যয়ন**
  জোনালী কলিতা /৫
- **অসমীয়া ভাষাৰ বৈদ্যুতিন অভিধান ঃ প্ৰয়োগ আৰু সম্ভাৱনা (শব্দৰ বিশেষ উল্লেখসহ)**
  ড° মণিকা চুতীয়া /৬
- **অসমীয়া ভাষিক জাতীয়তাবাদঃ সংশয়, সম্ভাৱনা আৰু প্ৰত্যাহ্বান**
  ড° মিণ্টু বৰা /৭
- **অসমীয়া ভাষাৰ সমৃদ্ধিত সাম্প্ৰতিক সময়ৰ অসমীয়া কবিতাৰ ভাষাঃ এক অধ্যয়ন (জ্ঞান পূজাৰী, অনুভৱ তুলসী আৰু জীৱন নৰহৰ নিৰ্বাচিত কবিতাৰ বিশেষ উল্লিখনসহ)**
  বিভা ৰাণী নাথ /৯
- **অসমীয়া ভাষাৰ বিকাশত ভ্ৰমণ-সাহিত্যৰ ভূমিকা**
  গীতালী ৰায় /১১
- **সাম্প্ৰতিক সময়ত কথ্য ৰূপৰ অসমীয়া ভাষাৰ বিকৃতি**
  ড° আছমা ইয়াছমিন /১২
- **সাম্প্ৰতিক সময়ত কথ্য ৰূপৰ অসমীয়া ভাষাৰ বিকৃতি ঃ এটি অধ্যয়ন**
  ড° ৰীতা দাস, ইৰামণি দাস /১৩

- **ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা**
  কাৰ্ত্তিক কুমাৰ কলিতা /১৪
- **সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা**
  গীতা হাজৰিকা /১৫
- **অসমীয়া ভাষা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন**
  ড° আদিত্য শইকীয়া /১৭
- **ঔপভাষিক বিন্যাসেৰে চুটিগল্প নিৰ্মাণ (সৌৰভ কুমাৰ চলিহাৰ হাঁহিচম্পা আৰু সঞ্জীৱপল ডেকাৰ অসুৰ গল্পৰ বিশেষ উল্লিখনসহ)**
  ড° মনীষা তালুকদাৰ /১৮
- **অসমীয়া ভাষাৰ পৰিবৰ্দ্ধনত ঔপভাষিক সমলৰ ভূমিকা ঃ (মামণি ৰয়ছম গোস্বামীৰ উপন্যাস "দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা"ৰ বিশেষ অধ্যয়নসহ)**
  ড°মৌচুমী বৰদলৈ হাজৰিকা /১৯
- **ধ্ৰুপদী হিচাপে অসমীয়া ভাষাৰ স্বীকৃতিত প্ৰত্নতাত্ত্বিক সমলৰ ভূমিকা**
  ড° সুবোধ কুমাৰ মিশ্ৰ ভাগৱতী /২১
- **ধ্ৰুপদী মৰ্য্যাদাপ্ৰাপ্ত অসমীয়া ভাষাত সম্ভাব্য প্ৰত্যাহ্বান আৰু সমিধান ঃ এটি সমীক্ষা**
  ড° তৰালী বড়ো /২২
- **বাৰ্তালাপ মিশ্ৰণ (Code-mixing) আৰু অসমীয়া ভাষা**
  লাকী দাস /২৪
- **ধ্ৰুপদী অসমীয়া গদ্য-সাহিত্যত পদ্মনাথ গোহাঞিবৰুৱাৰ লঘু সামাজিক নাট 'গাওঁবুঢ়া'ৰ গদ্যশৈলী ঃ এক বিশ্লেষণ**
  কুঞ্জলতা দত্ত /২৫
- **ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা**
  নীলাক্ষি পাটোৱাৰী /২৭
- **অসমীয়া ভাষাত বিশ্বায়নৰ প্ৰভাৱ ঃ এটি অধ্যয়ন**
  ড° হৰি নাৰায়ণ কলিতা /২৮

- **আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ধ্ৰুপদী অসমীয়া ভাষাৰ প্ৰতিষ্ঠাঃ প্ৰত্যাহ্বান আৰু দায়িত্ব**
  ড° পৰিস্মিতা মিশ্ৰ /২৯
- **অসমীয়া ভাষাৰ মোবাইল এপ্ অভিধান ঃ সম্ভাৱনা আৰু প্ৰত্যাহ্বান**
  ড° অভিজিত বৰা /৩০
- **ধ্ৰুপদী অসমীয়া আৰু কম্পিউটাৰ, মোবাইলত আদিত ব্যৱহৃত অসমীয়া লিখন সজুঁলি**
  ড° যাদবেন্দ্ৰ বৰা /৩১
- **অসমীয়া ভাষা-সাহিত্যৰ বিকাশত 'গুৰু চৰিত কথা'ৰ গদ্য ঃ এক অধ্যয়ন**
  পিনুমনি লহকৰ /৩৩
- **প্ৰাচীন অসমীয়া লিপিসমূহত প্ৰতিফলিত অসমীয়া সমাজ জীৱনৰ ছবি ঃ এক অধ্যয়ন**
  ড° হীৰামণি তালুকদাৰ /৩৪
- **নব্য মাধ্যমত অসমীয়া ভাষা ঃ এক চমু অৱলোকন**
  ড° টুলুমণি গগৈ /৩৬
- **বিশ্বায়নৰ প্ৰভাৱ আৰু শিশুৰ ভাষা ঃ এক অধ্যয়ন**
  নয়ন মণি দেৱী /৩৭
- **অসমীয়া ভাষাৰ সংৰক্ষণ আৰু সংবৰ্ধনত পদ্মনাথ শ্ৰব্য অভিধানৰ ভূমিকা ঃ এটি বিশ্লেষণ**
  কমল কুলি /৩৮
- **ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন**
  ড° কল্পনা বৈশ্য /৩৯
- **ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰাপ্তি আৰু ক্ৰমহ্ৰাসমান অসমীয়া ভাষাৰ ব্যৱহাৰ**
  নীলাক্ষী শৰ্মা /৪১
- **অসমীয়া ভাষাৰ ঐতিহ্য বিচাৰত প্ৰত্নতাত্ত্বিক সমলৰ ভূমিকা**
  ড° নীলোৎপল শৰ্মা /৪২

- **মধ্যযুগীয় অসমীয়া ভাষা ঃ ভট্টদেৱৰ প্ৰাসংগিকতা**
  **ড° লীনা গোস্বামী** /৪৩
- **ধ্ৰুপদী অসমীয়া ভাষাঃ ইতিহাস, সংশয় আৰু সম্ভাৱনা**
  ড° প্ৰীতিৰেখা দত্ত /৪৪
- **অসমীয়া ভাষাৰ বিকাশত প্ৰাক শংকৰী যুগৰ সাহিত্যিক সমলৰ ভূমিকা (মাধৱ কন্দলী ৰামায়ণৰ বিশেষ উল্লিখনসহ)**
  দিগন্ত শৰ্মা /৪৬
- **অসমীয়া ভাষাৰ কথ্যৰূপ ঃ কিছু পৰিৱৰ্তন আৰু বিসংগতি**
  ড° শুভশ্ৰী কলিতা তালুকদাৰ /৪৮
- **বিশ্বায়নৰ প্ৰভাৱত অসমীয়া ভাষা**
  সুৰভি বিকাশ বৰা /৪৯
- **চলচ্চিত্ৰত অসমীয়া ভাষা ঃ এক বিশ্লেষণ**
  ৰাজেন চন্দ্ৰ দাস /৫০
- **অসমীয়া ভাষা আৰু নব্য গণমাধ্যম**
  স্মিতা ৰাভা /৫২
- **পুৰণি অসমীয়া অনুবাদ সাহিত্য আৰু অনুবাদ ৰীতি**
  ড° হিৰুমনি কলিতা /৫৩
- **ডিজিটেল মাধ্যমত অসমীয়া ভাষাৰ নব্য লিখন-সঁজুলিৰ ব্যৱহাৰ**
  ড° খনিকৰ মাউত /৫৪
- **স্বাধীনতা পূৰ্বকালৰ আধুনিক অসমীয়া ভাষাৰ পৰিৱৰ্তনৰ গতিধাৰা**
  মনমী কলিতা /৫৬
- **অসমীয়া ভাষাত দেখা দিয়া সমস্যাৱলী**
  ড° বিজু ৰাজখোৱা /৫৮
- **ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা আৰু ইয়াৰ ভৱিষ্যত ঃ এক আলোচনা**
  ড° অপৰাজিতা শৰ্মা /৫৯
- **প্ৰাক্শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ এক আলোচনা**
  ড° ৰুমি কলিতা দাস /৬০

- **সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ**
  ড° চন্দন লহকৰ /৬২
- **সামাজিক মাধ্যমত ব্যৱহাৰ হোৱা অসমীয়া ভাষা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন**
  **লীমা কলিতা /৬৩**
- **অসমীয়া ভাষাৰ ঐতিহ্য বিচাৰত প্ৰত্নতাত্ত্বিক সমলৰ ভূমিকা**
  ড° মালবিকা ভট্টাচাৰ্য্য /৬৪
- **বিশ্বায়নৰ কবলত অসমীয়া ভাষা-সংস্কৃতি**
  দিপিকা শৰ্মা /৬৫
- **অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব ঃ এক অধ্যয়ন**
  ৰীমা ইংতি, ছাত্ৰী /৬৬
- **ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা**
  ড° বিনিমা পাটগিৰি /৬৭
- **ধ্ৰুপদী  সংস্কৃত আৰু অসমীয়া ভাষাৰ শব্দগত দিশৰ এক তুলনামূলক অধ্যয়ন**
  ড°  চিত্ৰৰঞ্জন শৰ্মা /৬৮
- **ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা**
  ড° পৰিণীতা বৰা /৭০
- **ধ্ৰুপদী অসমীয়া ভাষা আৰু লিপ্যন্তৰৰ সমস্যা**
  গৌতম গোস্বামী /৭১
- **অসমীয়া ভাষা আৰু ভাষাবিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰলৈ উপেন্দ্ৰনাথ গোস্বামীৰ অৱদান**
  ড° বিশ্ব হাজৰিকা /৭২
- **অসমীয়া ভাষাৰ বিকাশত স্বভাৱকবি কালিদাস খাটনিয়াৰৰ অৱদান ঃ ঈশ্বৰ আৰু ধৰ্মৰ এক বিশ্লেষণাত্মক অধ্যয়ন**
  ড° মৌচুমী দত্ত খাটনিয়াৰ /৭৪
- **বিশ্বৰ দৰবাৰত ধ্ৰুপদী অসমীয়া ভাষাৰ প্ৰতিষ্ঠা ঃ প্ৰত্যাহ্বান আৰু দায়িত্ব**
  কৃষ্ণা পংকজা দত্ত, ই পান মৌ ৰেইংকেন /৭৫

- **ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু দায়িত্ব**
  ড° নৱনীতা কলিতা /৭৭
- **অধি-অভিধানবিজ্ঞান আৰু অসমীয়া অভিধান সম্পৰ্কীয় অধ্যয়নত ইয়াৰ প্ৰয়োগ**
  ড° অমল নাথ /৭৯
- **সামাজিক মাধ্যম আৰু অসমীয়া ভাষা**
  ড° বিপুল কলিতা /৮১
- **বিশ্বায়ন আৰু অসমীয়া ভাষা**
  ড° স্বপ্নালী বড়া /৮২
- **অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত আঞ্চলিক শব্দৰূপৰ গুৰুত্ব ঃ এটি আলোকপাত**
  ড° লক্ষ্মী দেৱী /৮৩
- **ইংৰাজী ভাষাৰ কবলত লুপ্তপ্ৰায় অসমীয়া ভাষাৰ শব্দসম্ভাৰঃ এক অৱলোকন**
  ড° চন্দনা নাথ /৮৪
- **সাম্প্ৰতিক সময়ত দূৰদৰ্শনত প্ৰচাৰিত বিজ্ঞাপনৰ অসমীয়া ভাষাৰ সামগ্ৰিক বিশ্লেষণ**
  ড° স্মিতা ডেকা /৮৫
- **অসমীয়া ভাষাৰ ধ্ৰুপদী পৰম্পৰাত কুইয়ৰ সাহিত্য অধ্যয়নৰ গুৰুত্ব**
  ড° দিগন্ত ৰাজবংশী /৮৭
- **অসমীয়া চলচ্চিত্ৰ,তথ্যচিত্ৰ, ধাৰাবাহিকত ব্যৱহৃত অসমীয়া ভাষা ঃ পৰম্পৰা আৰু বিৱৰ্তন**
  পৰিখা কলিতা /৮৯
- **প্ৰাচীন অসমৰ শিলালিপি আৰু তাম্ৰলিপিত প্ৰতিফলিত অসমীয়া সমাজ আৰু সংস্কৃতি**
  ড° অনিমা দত্ত /৯০
- **অসমীয়া ভাষাৰ বিকাশত বৰগীতৰ ভূমিকা**
  ড° দুলুমণি ডেকা /৯১

- **স্বাধীনোত্তৰ অসমীয়া ভাষাত জনজাতীয় উপাদান**
  ড° মনিমা ভূঞা /৯২
- **সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ**
  জুৰি কাশ্যপ /৯৩
- **ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু অসমীয়া ভাষাৰ সুৰক্ষাৰ চিন্তা**
  দেৱযানী তামুলী /৯৪
- **Folk Literature as a Pillar in the Enrichment of the Assamese Language**
  Dr. Hemashree Duarah
  Dr. Polly Rajkhowa /৯৫
- **Tracing the Classical Status: A Historical Study of the Development of Assamese Language**
  Upakul Patowary /৯৭
- **Use of Meme Pages in Social Media through Assamese Language**
  Dr. Jumi Kalita /৯৮
- **ROLE OF TECHNOLOGY IN PRESERVING ASSAMESE LANGUAGE**
  Dr. Shewali Bora /৯৯
- **Role of Libraries in the Development of Language: A Study in the Context of Assamese Language**
  Dr. Kishore Kalita /১০০
- **Role of Assamese as a Classical Language on Social Media: An Explorative Study on Educational Implications**
  Suman Barman /১০১
- **ASSAMESE AS A CLASSICAL LANGUAGE**
  Dr. Kamal Thakuria, Priyanka Das /১০৩
- **Impact of Globalization on Assamese Language**
  Dipankar Das /১০৪

- **Role of Technology in Preserving Assamese Language**
  Nizara Kachari /১০৫
- **Teaching Classical Assamese Language through Modern Pedagogies: An experimental Study**
  Barnali Saikia /১০৬
- **ARCHAEOLOGY AS A SOURCE IN THE RECONSTRUCTION OF THE ASSAMESE LANGUAGE**
  Dr. Tapan Kalita, Lohita Bala Hajong /১০৭
- **Challenges Confronting the Assamese Language in the Contemporary Era**
  Ms. Banasri Kumar /১০৯
- **The use of Assamese language in Social Media**
  Violina Devi /১১০

# সাম্প্ৰতিক সময়ৰ গণ মাধ্যমত ব্যৱহৃত অসমীয়া ভাষা ঃ এটি অধ্যয়ন

■ ড° ব্ৰজেন বৈশ্য

*প্ৰধান শিক্ষক*

*১২১২ নং মধ্য বাং প্ৰাঃবিঃ*

সাম্প্ৰতিক যুগটো হ'ল তথ্য-প্ৰযুক্তিৰ যুগ। তথ্য অবিহনে আজিৰ সভ্যতা অচল। মানুহক বিভিন্ন তথ্য প্ৰদান কৰা, নিত্য নতুন তথ্যৰে মানুহক চহকী কৰা মাধ্যমটো হ'ল গণ মাধ্যম, যাক ইংৰাজীত Mass Media বুলি কোৱা হয়। গণ মাধ্যমক তিনিটা ভাগত ভাগ কৰিব পৰা যায় ঃ (ক) ছপা মাধ্যম (Print Media) (খ) বৈদ্যুতিন মাধ্যম (Electronic Media) আৰু (গ) নতুন মাধ্যম বা সামাজিক যোগাযোগ মাধ্যম (New Media or Social Media)।

সমাজ জীৱনত গণ মাধ্যমৰ সুদূৰপ্ৰসাৰী ভূমিকা আছে। ভাষাৰ ক্ষেত্ৰতো ইয়াৰ ইতিবাচক দিশ আছে যদিও বিভিন্ন নেতিবাচক ব্যৱহাৰৰ পিনে মন কৰিলে দেখা যায় যে ভাষাৰ উচ্চাৰণ, ব্যাকৰণিক ৰূপ, শব্দ প্ৰয়োগ, বাক্য গাঁথনি আদি বিভিন্ন দিশত বিৰূপ প্ৰভাৱ পৰিছে। অসমীয়া ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ ক্ষেত্ৰত বা অসমীয়া ভাষাৰ কালিকা শক্তি পূৰ্ণ মাত্ৰাত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সাম্প্ৰতিক সময়ৰ গণ মাধ্যম বহুলাংশে ব্যৰ্থ হৈছে বা এই ক্ষেত্ৰত ব্যৱহাৰকাৰীৰ সচেতনতাৰ অভাৱ বাৰুকয়ে পৰিলক্ষিত হৈছে। সামাজিক যোগাযোগ মাধ্যমত ব্যৱহৃত অসমীয়া ভাষাৰ ক্ষেত্ৰত এনে ভুল বা বিসঙ্গতিৰ পৰিমাণ বেছি।

আমাৰ এই আলোচনাত সাম্প্ৰতিক সময়ৰ গণ মাধ্যমত ব্যৱহৃত অসমীয়া ভাষাৰ বিসঙ্গতিবোৰ দৰ্শাই উত্তৰ-পূব ভাৰতৰ শক্তিশালী জীৱন্ত ভাষাটো কিদৰে সংকটাপন্ন হৈছে বিচাৰ কৰা হ'ব।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, কালিকা শক্তি, গণ মাধ্যম, বিসঙ্গতি, সংকটাপন্ন ভাষা।

# সামাজিক মাধ্যমত ব্যৱহৃত অসমীয়া ভাষা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন’

## (ফেচবুক আৰু ৱাটছ্এপৰ বিশেষ উল্লেখনেৰে)

■ **মনোজ কাৰ্দং**

*গৱেষক, অসমীয়া বিভাগ,*

*ভট্টদেৱ বিশ্ববিদ্যালয়*

যোগাযোগৰ অন্যতম শক্তিশালী ইলেকট্ৰনিক মাধ্যম হৈছে সামাজিক মাধ্যম। সামাজিক মাধ্যমৰ জৰিয়তে আমি পৃথিৱীৰ চুকে-কোণে থকা সকলো লোকৰ মাজতে যোগাযোগ স্থাপন কৰিব পাৰোঁ। যাৰ ফলস্বৰূপে বৰ্তমান পৃথিৱীৰ বিভিন্ন অঞ্চলৰ মানুহ ভিন ভিন অঞ্চলৰ মানুহৰ সৈতে বিবাহপাশত আবদ্ধ হৈছে আৰু বিভিন্ন স্থানত কৰ্মসংস্থাপনো লাভ কৰিছে। ইয়াৰ বাবে অৱশ্যেই আটাইতকৈ প্ৰয়োজনীয় আহিলা হৈছে- ভাষা। ভাষা অবিহনে আমি ইজনে-সিজনৰ মাজত ভাৱৰ আদান-প্ৰদান কৰিব নোৱাৰোঁ। গতিকে আমি আন্তঃৰাষ্ট্ৰীয় যোগাযোগ স্থাপন কৰিবৰ বাবে স্বাভাৱিকতে ইংৰাজী ভাষা ব্যৱহাৰ কৰোঁ। অসমীয়া ভাষা হৈছে নিজা পৰিচয়েৰে গঠিত এটা পুৰণি ভাষা, যি ধ্ৰুপদী ভাষা ৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। সেই ধ্ৰুপদী অসমীয়া ভাষাই কিন্তু আজিকোপতি ইণ্টাৰনেটত নিজৰ পৰিচয় বহন কৰিব পৰা নাই। গুগ’লত আমি অসমীয়া ভাষাত কিবা এটা অনুসন্ধান কৰিলে ফলাফল আহে বাংলা ভাষাত। যি নহওক বৰ্তমান সময়ত বিভিন্ন ব্যক্তিৰ প্ৰচেষ্টাত অসমীয়া ভাষাত আমি বিভিন্ন সামাজিক মাধ্যম যেনে- ফেচবুক, ৱাটছ্এপত যোগাযোগ স্থাপন কৰিবলৈ সক্ষম হৈছোঁ। সেই সামাজিক মাধ্যমবোৰৰ জৰিয়তে সাহিত্য চৰ্চাৰ দৰে কামো সম্পন্ন কৰিব পাৰিছে। নিজৰ সুখ-দুখৰ কথা ভাগ-বতৰা কৰিব পাৰিছে। সামাজিক মাধ্যমৰ যোগেদি

বৌদ্ধিক মহলৰ চিন্তা চৰ্চা হোৱা দেখিবলৈ পোৱা যায়। ৰাজনৈতিক বিতৰ্কিত মন্তব্যৰ প্ৰতিক্ৰিয়াও প্ৰথমতে সামাজিক মাধ্যমৰ যোগেদিয়েই হোৱা দেখিবলৈ পোৱা যায়। গতিকে সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমসমূহত অসমীয়া ভাষাৰ ব্যৱহাৰ যথেষ্ট দেখিবলৈ পোৱা গৈছে। ইয়াৰ ফলত কি কি সুবিধা-অসুবিধা, প্ৰত্যাহ্বান-সম্ভাৱনা আছে তাক অধ্যয়ন কৰিবলৈ 'সামাজিক মাধ্যমত ব্যৱহৃত অসমীয়া ভাষাঃ এক বিশ্লেষণাত্মক অধ্যয়ন' (ফেচবুক আৰু ৱাটছ্এপৰ বিশেষ উল্লেখনেৰে) নামৰ বিষয়টিৰ দ্বাৰা আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ** সামাজিক মাধ্যম, অসমীয়া ভাষা, ফেচবুক, ৱাটছ্এপ।

# অসমীয়া ভাষাৰ পৰম্পৰা আৰু পৰিৱৰ্তন

■ **হিমাক্ষী বৰ্মন**
*সহকাৰী অধ্যাপক*
*পশ্চিম গুৱাহাটী মহাবিদ্যালয়*

ভাৰতৰ একেবাৰে পূৱ-প্ৰান্তত কথিত নব্য-ভাৰতীয় আৰ্য্য-ভাষাটোৱে অসমীয়া ভাষা। অসমীয়া ভাষাটো বৰ্তমানে আধুনিকীকৰণ হৈ ধ্বংসৰ গৰাহলৈ বাট মেলিছে। আমি প্ৰত্যেকেই জানো যে, ভাৰতীয় আৰ্য-ভাষাৰ বুৰঞ্জীক সাধাৰণতে তিনিটা ভাগত ভগোৱা হয়— (ক) প্ৰাচীন ভাৰতীয় আৰ্য-ভাষা, (খ) মধ্য-ভাৰতীয় আৰ্য-ভাষা, (গ) নব্য-ভাৰতীয় আৰ্য-ভাষা। প্ৰাচীন ভাৰতীয় আৰ্য-ভাষাৰ সময় খ্ৰীষ্টপূৰ্ব দ্বাদশ শতিকাৰ পৰা খ্ৰীঃপূঃ ষষ্ঠ শতিকালৈ। মধ্য ভাৰতীয় আৰ্য-ভাষাৰ সময় খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰা দশম শতিকা পৰ্যন্ত। নব্য-ভাৰতীয় আৰ্য-ভাষাৰ সময় খ্ৰীষ্টীয় দশম শতিকাৰ পৰা।

বিশ্বায়ন বা গোলকীকৰণ (Globalisation)ৰ অৰ্থ হৈছে আন্তৰ্জাতিক একত্ৰীকৰণ। এই বিশ্বায়ন বা গোলকীকৰণৰ প্ৰভাৱত সংস্কৃতিৰ অন্যতম উপাদান ভাষাই এক বিকৃত ৰূপ লৈছে। খ্ৰীঃ ৰজ্জ্বচ্ছ চনৰ পৰা বিশেষকৈ ব্ৰিটিছসকলৰ অসম আগমনৰ লগে লগে অসমত গোলকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। খ্ৰীঃ বিংশ শতিকাৰ পিছৰে পৰা ইণ্টাৰনেট, টেলিভিছন আদি নানা কাৰণত ফেচবুক, হোৱাটচ্‌এপৰ ভাষাই এক বিকৃত ৰূপ লাভ কৰিছে আৰু বৰ্তমানে অসমীয়া ভাষাটোৰ এক নতুন ৰূপ আমাৰ প্ৰত্যেকৰে আগত আহি পৰিছে।

গৱেষণা পত্ৰখনত অসমীয়া ভাষাটোৱে কিদৰে তাহানিৰ পৰম্পৰাগত দৃষ্টিভংগীৰ সলনি বৰ্তমানৰ এক আধুনিকৃত ৰূপ পাইছে তাৰেই আলোচনা কৰা হ'ব।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, পৰম্পৰা, বিশ্বায়ন, পৰিৱৰ্তন

# অসমীয়া ভাষাৰ পৰিবৰ্দ্ধনত বৰভাগ অঞ্চলৰ স্থানীয় উপভাষা ঃ এটি অধ্যয়ন

■ **জোনালী কলিতা**

*অসমীয়া বিভাগ*

*ধমধমা আঞ্চলিক কলেজ*

আধুনিক ভাৰতীয় আৰ্যভাষাৰ শেষৰ স্তৰৰ অন্তৰ্গত এটি মৰ্য্যাদাসম্পন্ন ভাষা হ'ল অসমীয়া। অসমীয়া ভাষাৰ সমৃদ্ধিত অঞ্চল বিশেষে দেখা দিয়া ঔপভাষিক ৰূপ সমূহে যথেষ্ট অৰিহণা যোগায়। অসমীয়া ভাষাৰ এটি অন্যতম উপভাষা হ'ল কামৰূপী উপভাষা। কামৰূপী উপভাষাৰো অঞ্চল বিশেষে স্থানীয় ৰূপ লক্ষ্য কৰা যায়, যেনে— বৰপেটীয়া, নলবৰীয়া পাতি-দৰঙীয়া আৰু ছয়গাঁও-বকো অঞ্চল। ভাষাৰ এই স্থানীয় ৰূপবোৰৰ সঠিক অধ্যয়ন হ'লেহে ভাষা এটাৰ অধ্যয়নো সম্পূৰ্ণ হয়।

মানুহৰ মনোভাৱক অধিক স্পষ্ট তথা বাধাহীন ভাবে প্ৰকাশ কৰিবলৈ স্থানীয় কথিত ৰূপ উৎকৃষ্ট মাধ্যম। অসমৰ অঞ্চল বিশেষৰ স্থানীয় ৰূপৰ অধ্যয়নে ভাষাটোত নতুন নতুন দিশৰ সন্ধান দিয়াৰ লগতে শব্দাৱলীৰো উৎস আৰু পৰিচয় পাব পৰা যাব। নামনি অসমৰ নলবাৰী জিলাৰ অন্তৰ্গত বৰভাগ অঞ্চলৰ স্থানীয় কথিত ভাষাৰ অধ্যায়নে ভাষাটোৰ পৰিবৰ্দ্ধনত সমল যোগাব বুলি অনুভৱ কৰা হৈছে। উপভাষাৰ বিচাৰ কৰোতে প্ৰধানকৈ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ঘৰুৱা শব্দাৱলী, লোকজীৱনৰ গীত-মাত, সাথৰ, প্ৰবচন, পৰম্পৰা, আহাৰ-বিহাৰ, খাদ্য পৰম্পৰা, সম্বন্ধবাচক শব্দ, সৰ্বনামবাচক শব্দ, নামশব্দ, ধ্বন্যাত্মক শব্দ, যুৰীয়া শব্দ, আদিৰ স্থানীয় ৰূপ বিচাৰ কৰা হ'ব। আঞ্চলিক উপভাষাৰ এনে দিশবোৰৰ অধ্যয়নে ভাষাৰ ক্ষেত্ৰখনৰ সমৃদ্ধিত সহায়ক হ'ব বুলি ভবা হৈছে।

**বীজ শব্দ ঃ** বৰভাগ অঞ্চলৰ উপভাষা, অসমীয়া ভাষা।

# অসমীয়া ভাষাৰ বৈদ্যুতিন অভিধান ঃ প্ৰয়োগ আৰু সম্ভাৱনা

## (শব্দৰ বিশেষ উল্লেখসহ)

■ ড° মণিকা চুতীয়া

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

*দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়*

একবিংশ শতিকাৰ অসমীয়া অভিধান পৰম্পৰাৰ অন্যতম সংযোজন হৈছে— তথ্য-প্ৰযুক্তিগত অভিধান বা বৈদ্যুতিন অভিধান পৰম্পৰাৰ আৰম্ভণি। ইণ্টাৰনেট বা সতাঁৰ ব্যৱস্থাৰ জৰিয়তে উপলব্ধ অভিধানসমূহত প্ৰয়োগ হোৱা প্ৰযুক্তিৰ ভিত্তিত অভিধানসমূহক— (ক) অনলাইন অভিধান, (খ) চফটৱেৰ অভিধান, (গ) প্ৰকাশিত অভিধানৰ ই-সংস্কৰণ, (ঘ) এপ্লিকেশ্যন হিচাপে উপলব্ধ অভিধান, এনেদৰে চাৰিটা ভাগত ভগাব পৰা যায়। পৰিবহণ আৰু ব্যৱহাৰৰ সুচলতা, দ্ৰুত সন্ধান, সময়োপযোগী আদি বিভিন্ন কাৰণৰ বাবে বৈদ্যুতিন অভিধানসমূহে বৰ্তমান সময়ত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ২০০৬ চনৰপৰা আৰম্ভ হোৱা অসমীয়া ভাষাৰ প্ৰথমখন ই-অভিধান বা বৈদ্যুতিন অভিধান *শব্দ* পোনতে ইংৰাজী আৰু অসমীয়া ভাষাৰ সংযোজনৰে দ্বিভাষিক অভিধানৰূপে প্ৰকাশ পাইছিল যদিও বৰ্তমানে ই ইংৰাজীৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ত্ৰিশটা ভাষাৰে সমৃদ্ধ, বহুভাষিক অভিধানৰূপে উপলব্ধ। আলোচ্য গৱেষণা পত্ৰত অসমীয়া ভাষাৰ বৈদ্যুতিন অভিধান পৰম্পৰাৰ সম্যক পৰিচয় দাঙি ধৰাৰ লগতে *শব্দ* অভিধানৰ আধাৰত বৈদ্যুতিন অভিধানত বৰ্তমানে উপলব্ধ সুবিধা-অসুবিধাসমূহ আলোচনা কৰাৰ লগতে প্ৰায়োগিক দিশৰ সম্ভাৱনীয় ক্ষেত্ৰসমূহৰ বিষয়ে অধ্যয়ন কৰা হ'ব।

**বীজ শব্দ ঃ** অভিধান পৰম্পৰা, ই- অভিধান, শব্দ, প্ৰায়োগিক উপযোগিতা, সম্ভাৱনীয়তা

# অসমীয়া ভাষিক জাতীয়তাবাদঃ সংশয়, সম্ভাৱনা আৰু প্ৰত্যাহ্বান

■ **ড° মিণ্টু বৰা**

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

*বিলাসীপাৰা মহাবিদ্যালয়*

জাতীয়তাবাদ মূলতঃ এক সামাজিক আৰু ৰাজনৈতিক বিষয়। সাধাৰণ অৰ্থত জাতীয়তাবাদে স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা দায়বদ্ধতা তথা ভালপোৱাৰ কথাই সূচায় যদিও অভিধাটিয়ে কোনো এটা জাতিৰ ৰাজনীতি, অৰ্থনীতি, ভাষিক, সামাজিক, সাংস্কৃতিক, ধৰ্ম, ঐতিহ্য আদি প্ৰায় সকলোবোৰ কাৰকেই প্ৰভাৱান্বিত কৰে। উল্লেখ্যযোগ্য যে নিজ জাতিটোক সৰ্বাত্মকভাৱে ভালপোৱাৰ লগতে জাতিটোৰ দুৰ্বলতা আঙুলিয়াই দিয়া বা আত্মসমালোচনাৰ প্ৰসংগও জাতীয়তাবাদৰ লগত জড়িত হৈ থাকে।

জাতীয়তাবাদ সাধাৰণতে দুই ধৰণে হোৱা দেখা যায়। প্ৰথমতে, কোনো আন্দোলন বা মতাদৰ্শৰ অংশীদাৰ হৈ নিজ জাতিটোৰ উন্নতি কামনাৰে। দ্বিতীয়তে, শিল্প বা সাহিত্য চৰ্চাৰ মাজেৰে জাতিটোক আগবঢ়াই লৈ যোৱাৰ প্ৰচেষ্টাৰ মাজেৰে। অসমীয়া জাতীয়তাবাদ মূলত অসমীয়া ভাষাক কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠা। অসমীয়া ভাষাটোলৈ বিভিন্ন সময়ত অহা প্ৰত্যাহ্বান, ভাষাটোৰ সমস্যা, ভাষাটোৰ সমৃদ্ধিশালী ৰূপ ইত্যাদিৰ মাজেৰে অসমীয়া লোকসকলৰ মন-মগজুত যি জাতীয় চেতনাৰ উন্মেষ হয় তাকেই অসমীয়া ভাষিক জাতীয়তাবাদ বুলি ক'ব পাৰি।

হাজাৰ বছৰৰো অধিক সময়ৰ ঐতিহ্য থকা অসমীয়া ভাষাটো বিভিন্ন সময়ত বিভিন্ন প্ৰত্যাহ্বান, সমস্যাৰ মাজেৰে আহি সাম্প্ৰতিক ৰূপ লাভ কৰিছে। মাধৱ কন্দলীৰ ৰামায়ণৰ পৰা আৰম্ভ কৰি অতি সাম্প্ৰতিকভাৱে অসমীয়া

ভাষাত কবিতা লিখা নীলমণি ফুকনে জ্ঞানপীঠ পোৱালৈকে এক সুদীৰ্ঘ পৰিক্ৰমাৰ মাজেৰে অসমীয়া ভাষিক জাতীয়তাবাদ স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ আছে। আমাৰ এই আলোচনা পত্ৰত অসমীয়া ভাষিক জাতীয়তাবাদৰ ক্ষেত্ৰত দেখা দিয়া সংশয়, সম্ভাৱনা আৰু প্ৰত্যাহ্বান সম্পৰ্কে আলোচনা কৰা হৈছে। আলোচনাৰ বাবে মূলতঃ বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**বীজ শব্দ ঃ** জাতীয়তাবাদ, অসমীয়া ভাষা, সংশয়, সম্ভাৱনা, প্ৰত্যাহ্বান।

# অসমীয়া ভাষাৰ সমৃদ্ধিত সাম্প্ৰতিক সময়ৰ অসমীয়া কবিতাৰ ভাষাঃ এক অধ্যয়ন

**(জ্ঞান পূজাৰী, অনুভৱ তুলসী আৰু জীৱন নৰহৰ নিৰ্বাচিত কবিতাৰ বিশেষ উল্লিখনসহ)**

■ **বিভা ৰাণী নাথ**

*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*

*বিলাসীপাৰা মহাবিদ্যালয়*

অসমীয়া লিখিত ভাষাটোৰ বিকাশ আৰু সমৃদ্ধিত অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ সাহিত্যিক সমলসমূহৰ গুৰুত্বপূৰ্ণ আৰু শক্তিশালী ভূমিকা আছে। লিখিত সাহিত্যৰ অন্তৰ্ভুক্ত অসমীয়া ভাষাই ইতিমধ্যে পৰম্পৰা আৰু পৰিবৰ্তনৰ মাজেৰে আহি হাজাৰ বছৰৰ পথ অতিক্ৰম কৰি বৰ্তমানৰ ৰূপ গ্ৰহণ কৰিছে। কবিতা, নাটক, উপন্যাস, চুটিগল্প ইত্যাদি সৃষ্টিশীল সাহিত্যিক ৰূপসমূহৰ ভাষাই ভাষাটোৰ প্ৰকাশিকা শক্তিৰ পৰিচয় বহন কৰি আহিছে। এই প্ৰসংগত কবিতাৰ ভাষাৰ স্থান অনন্য। কিয়নো কবিতাৰ ভাষাৰ কাব্যিকতা আৰু ব্যঞ্জনাই পাঠক-শ্ৰোতাক এনেদৰে আচ্ছন্ন কৰি ৰাখে যে পাঠকৰ মুখে মুখে আপ্তবাক্যৰ দৰে সেইবোৰ চলি থাকে আৰু সৰ্বজন সমাদৃত হৈ পৰে। অসমীয়া লিখিত সাহিত্যৰ আৰম্ভণি হৈছিল কবিতাৰ মাজেৰেই। অসমীয়া সাহিত্যৰ বিভিন্ন যুগত কবিতাৰ ভাষাই অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তিক উজ্জীৱিত কৰি আহিছে। এটা ভাষাৰ প্ৰকাশিকা শক্তি ভাষাটোৰ অন্তৰ্গত লোকসাহিত্য, লোকোক্তি অৰ্থাৎ প্ৰবাদ-প্ৰবচন, ফঁকৰা-যোজনা, সাঁথৰ, পটন্তৰ আদিৰে গঠিত স্বকীয় কথনশৈলীত; শব্দ সম্ভাৰৰ বিচিত্ৰ প্ৰয়োগ আৰু ইয়াৰ প্ৰভাৱশালিতাত; অলংকাৰ প্ৰয়োগৰ চাতুৰ্য আদিৰ ওপৰত নিৰ্ভৰ কৰে। কবিতাৰ ভাষাই এই সকলোবোৰ দিশ সামৰি লোৱাৰ উপৰিও কবিতাৰ ভাষাৰ এক গুৰুত্বপূৰ্ণ বিশেষত্ব হ'ল এয়ে যে সাহিত্যৰ অন্য মাধ্যমৰ জড়িয়তে প্ৰকাশ কৰিব

নোৰৰা কথাও কবিতাৰ ভাষাই সহজে প্ৰকাশ কৰিব পাৰে।

সাম্প্ৰতিক সময়ৰ কবিতা হিচাপে আলোচনাপত্ৰখনত প্ৰধানকৈ বিংশ শতিকাৰ নব্বৈৰ দশকৰপৰা সাম্প্ৰতিক সময়ৰ ভিতৰত ৰচিত কবিতা গ্ৰহণ কৰা হৈছে। এই সময়ছোৱাৰ অন্তৰ্ভুক্ত তিনিগৰাকী কবি ক্ৰমে জ্ঞান পূজাৰী, অনুভৱ তুলসী আৰু জীৱন নৰহৰ নিৰ্বাচিত কেতবোৰ কবিতা বিষয়বস্তু অধ্যয়নৰ আধাৰ হিচাপে লোৱা হৈছে। অসমীয়া ভাষাটোৰ সমৃদ্ধিৰ ক্ষেত্ৰত নিৰ্বাচিত কবিত্ৰয়ৰ কবিতাৰ ভাষাই কি কি দিশেৰে বৰঙণি যোগাইছে সেই বিষয়ে এই আলোচনাপত্ৰখনত আলোকপাত কৰাৰ প্ৰযত্ন কৰা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, কবিতাৰ ভাষা, শব্দ, ব্যঞ্জনা, অলংকাৰ, লোকোক্তি

# অসমীয়া ভাষাৰ বিকাশত ভ্ৰমণ-সাহিত্যৰ ভূমিকা

■ গীতালী ৰায়
*গৱেষক ছাত্ৰী,*
*কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়*

'অসমীয়া'— অসমৰ সুৱদি মাত। ই এক সুপ্ৰাচীন ভাষা। বৈদিক,সংস্কৃত, পালি, প্ৰাকৃত, অপভ্ৰংশ আদি স্তৰৰ মাজেৰে বিকশিত হৈ সুকীয়া ভাষা হিচাপে অসমীয়া ভাষাই পৰিচয় লাভ কৰে খ্ৰীষ্টীয় দশম-একাদশ শতিকামানত। এক গৌৰৱোজ্জল ঐতিহাসিক পৰিক্ৰমাৰে পাৰ হৈ আহি অসমীয়া ভাষাই আজি ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা পাবলৈ সক্ষম হৈছে। ভাষা এটা বিকাশৰ ক্ষেত্ৰত সেই ভাষাৰ সাহিত্যৰাজিৰ ভূমিকা উল্লেখনীয়। সাহিত্য অবিহনে ভাষা এটা বৰ্তি থাকিব নোৱাৰে। অসমীয়া ভষা বিকাশৰ প্ৰাধানকৈ তিনিটা স্তৰ পোৱা যায়। প্ৰাচীন অসমীয়া, মধ্য অসমীয়া আৰু আধুনিক অসমীয়া। আধুনিক অসমীয়া ভাষা বিকাশৰ ক্ষেত্ৰত বহুতো সাহিত্যিক বিধাই বৰঙণি যোগাইছে । এই বিধাসমূহ প্ৰায়ভাগেই পাশ্চাত্য সাহিত্যৰ আৰ্হিত গঠিত। যেনে — চুটিগল্প, উপন্যাস, নাট, প্ৰবন্ধ, বিজ্ঞানসাহিত্য, শিশু-সাহিত্য, জীৱনী-সাহিত্য, আত্মজীৱনী, ভ্ৰমণ সাহিত্য আদি। এই আলোচনাটোত ভ্ৰমণ-সাহিত্যই আধুনিক অসমীয়া ভাষাৰ বিকাশত কেনেদৰে বৰঙণি যোগাইছে সেই বিষয়ে আলোচনা কৰা হ'ল।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, ভ্ৰমণ-সাহিত্য, বিকাশ, ভুমিকা

# সাম্প্ৰতিক সময়ত কথ্য ৰূপৰ অসমীয়া ভাষাৰ বিকৃতি

■ ড° আছমা ইয়াছমিন

*সহকাৰী অধ্যাপক*

*অসমীয়া বিভাগ, লক্ষীপুৰ মহাবিদ্যালয়*

এটা জাতিৰ জাতীয় ভাষাটো কথিত আৰু লিখিত দুয়োটা ৰূপতে জীয়াই থাকে। ভাষাৰ কথিত ৰূপটোৱেই ভাষা এটাক জীয়াই ৰখাৰ প্ৰধান সম্বল যদিও ইয়াৰ লিখিত ৰূপটোৱেও বহু সময়ত ভাষাটোক প্ৰভাৱিত কৰে। সাম্প্ৰতিক অসমীয়া ভাষা ব্যৱহাৰৰ দিশটোলৈ লক্ষ্য কৰিলে দেখা যায় যে ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত শিক্ষা ব্যৱস্থাৰপৰা আৰম্ভ কৰি সকলো ৰাজহুৱা ক্ষেত্ৰতে আমি সচেতন নহয়। বিভিন্ন কাৰণত অসমীয়া ভাষাই বিকৃত ৰূপ লৈছে। পাঠ্যপুথিৰ পৰা আৰম্ভ কৰি বেনাৰ পোষ্টাৰ আদিতো অশুদ্ধ বানানৰ পয়োভৰ দেখা যায়। চৰকাৰী কাৰ্যালয়সমূহত অসমীয়া ভাষা জনা আমোলাৰ অভাৱ বা অসমীয়া ভাষা নজনা কোনো ইংৰাজী মাধ্যমত অধ্যয়ন কৰা অসমীয়া ব্যক্তিৰ পয়োভৰ। এনেবোৰ কাৰণতে অসমীয়া ভাষাই পূৰ্বৰ আত্মমৰ্যাদা হেৰুৱাইছে।

ইংৰাজী মাধ্যমত অধ্যয়ন কৰাৰ ফলত বহু সংখ্যক ছাত্ৰ ছাত্ৰীৰ মাজত অসমীয়া ভাষাৰ চৰ্চাৰ অভাৱে দেখা দিছে যাৰ বাবে ছাত্ৰ ছাত্ৰীসকলৰ মাজত অসমীয়া ভাষা এলাগী হৈ পৰিছে। অসমীয়া বাক্যৰ মাজত হিন্দী, ইংৰাজী আৰু বাংলা শব্দৰ ব্যৱহাৰে অসমীয়া কথিত ভাষাক বিকৃত কৰিছে।সমাজ এখনৰ ভাৱৰ আদান-প্ৰদানৰ প্ৰধান আহিলাই হ'ল ভাষা। মনৰ ভাৱ প্ৰকাশৰ বাবে হাতৰ কাষতে পোৱা ইংৰাজী শব্দটোৰ লিপ্যন্তৰ ৰূপটোকে ব্যৱহাৰ কৰাৰ ফলত বহুতো অসমীয়া শব্দ বৰ্তমান হেৰাই যাবলৈ ধৰিছে। সাম্প্ৰতিক সময়ত এনেবোৰ শব্দ উচ্চ শিক্ষিত লোকসকলৰ দৈনন্দিন জীৱনৰ ভাৱ প্ৰকাশৰ মাজত ব্যৱহাৰ হোৱা দেখা যায়।

**বীজ শব্দ ঃ** সাম্প্ৰতিক অসমীয়া ভাষা, কথ্য ৰূপৰ বিকৃতি, বিকৃতিৰ কাৰণ, আন আন ভাষাৰ প্ৰভাৱ।

# সাম্প্ৰতিক সময়ত কথ্য ৰূপৰ অসমীয়া ভাষাৰ বিকৃতি ঃ এটি অধ্যয়ন

■ ড° ৰীতা দাস
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*বৰনগৰ মহাবিদ্যালয়, সৰভোগ*

■ ইৰামণি দাস
*স্নাতকোত্তৰ ৪ৰ্থ যাণ্মাসিক, বৰনগৰ মহাবিদ্যালয়*

পৰিৱৰ্তনশীলতা পৃথিৱীৰ প্ৰতিটো ভাষাৰ বিশেষ বৈশিষ্ট্য। ভাষাৰ লিখিত ৰূপতকৈ কথিত ৰূপৰ ভাষাৰহে দ্ৰুতগতিত পৰিৱৰ্তন হয় । বৰ্তমান বিশ্বায়নৰ যুগত সকলো ক্ষেত্ৰৰ পৰিৱৰ্তন অতি দ্ৰুত, কথিত ভাষাও তাৰ ব্যতিক্ৰম নহয় । কিন্তু এই পৰিৱৰ্তন প্ৰয়োজনতকৈ অধিক হ'লে ভাষাই নিজস্বতা হেৰুৱাই পেলায় অৰ্থাৎ ভাষাটোৰ বিকৃতি ঘটে। সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ কথ্য ৰূপৰ যথেষ্ট পৰিৱৰ্তন ঘটিছে। তাৰ বিভিন্ন কাৰক নথকা নহয় । ইলেকট্ৰনিক-সামাজিক মাধ্যম সমূহত বিভিন্ন বাতৰি চেনেল, web portal, podcast আদিত ব্যৱহৃত অসমীয়া ভাষাই ভাষাটোৰ মূল কালিকাত যথেষ্ট বেয়া প্ৰভাৱ পেলাইছে। এই মাধ্যমসমূহৰ জৰিয়তে অন্য ভাষাৰ শব্দৰ লগত চিনাকি হোৱাৰ সুযোগ সহজেই লাভ কৰা যায়, অন্য ভাষাৰ শব্দ প্ৰয়োগ কৰি নিজৰ ভাষাক সম্বৃদ্ধ কৰিব পাৰি কিন্তু অসমীয়া ভাষাত থকা সুৱলা শব্দ বিলাকৰ সলনি অন্য ভাষাৰ শব্দ ব্যৱহাৰ কৰিলে ভাষাটোৰ বিকৃতিহে ঘটোৱা হয় । তদুপৰি আজি কেইবাটাও দশক ধৰি ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্ৰতি মানুহৰ অনাহক আকৰ্ষণ এটা বাঢ়িছে। ইংৰাজী মাধ্যমত অধ্যয়ন কৰা ল'ৰা ছোৱালীয়ে অসমীয়া শব্দৰ উচ্চাৰণো ইংৰাজীৰ নিচিনাকৈ কৰে যি কাৰ্যই কথ্য ভাষাটোৰ বিকৃতি ঘটোৱাত যথেষ্ট অৰিহণা যোগায়। এনেবোৰ দিশৰ প্ৰতি দৃষ্টি ৰাখি এই আলোচনা পত্ৰৰ বিষয় হিচাপে 'সাম্প্ৰতিক সময়ত কথ্য ৰূপৰ অসমীয়া ভাষাৰ বিকৃতি' বিষয়টো নিৰ্বাচন কৰা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, কথ্য অসমীয়া ভাষা, ইংৰাজী ভাষা

# ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা

■ কাৰ্ত্তিক কুমাৰ কলিতা

*সহকাৰী অধ্যাপক, বঙাইগাঁও কলেজ*

ভাৰত চৰকাৰে অসমীয়া ভাষাটোক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰা বিষয়টোৱে শেহতীয়াভাৱে যথেষ্ট গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে। ভাষাটোৱে লাভ কৰা এনে মৰ্যাদাই প্ৰত্যাশিতভাৱে প্ৰতিজন অসমীয়াৰ বুকুলৈ আনন্দ কঢ়িয়াই আনিছে। প্ৰত্নতাত্ত্বিক সমলৰ পৰাই আৰম্ভ কৰি চৰ্যাপদ, বঙলা-অসমীয়া মিশ্ৰিত সাহিত্য, প্ৰাক্-শংকৰী, শংকৰী, উত্তৰ-শংকৰী, আধুনিক সাহিত্য ইত্যাদি ভিন্ন পৰ্যায়ৰ সাহিত্যচৰ্চাৰ মাজত অসমীয়া ভাষাটোৰ স্বকীয়তা যে ৰক্ষিত হৈছে সেই কথাত নিশ্চিতভাৱে সন্দেহৰ অৱকাশ নাই। তথাপি কোনো-কোনো পণ্ডিত-গৱেষকে কেতিয়াবা আপোন ভাষাটোক বঙলা আৰু উৰিয়া ভাষাৰ পৰাই উৎপত্তি হোৱা বুলি মত পোষণ কৰে। অসমীয়া ভাষাটোক প্ৰদান কৰা ধ্ৰুপদী মৰ্যাদাই ভাষাটোৰ স্বতন্ত্ৰতা, স্বকীয়তা সম্পৰ্কে থকা সকলো বিতৰ্কৰ অৱসান ঘটালে। এয়া অসমীয়া জাতিৰ বাবে পৰম সুখৰ কথা লগতে জাতীয় গৌৰৱবোধৰ এই বিষয়টিৰ ভিন্ন দিশৰ আলোচনাৰ প্ৰয়োজনীয়তাও আমাৰ বাবে আহি পৰিছে। আমাৰ এই আলোচনাত ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ স্বীকৃতি প্ৰদানৰ কাৰকসমূহৰ আলোচনা, বিষয়ৰ গ্ৰহণযোগ্যতাৰ সীমাৰেখা নিৰ্ধাৰণৰ প্ৰয়াসৰ লগতে ধ্ৰুপদী ভাষা অসমীয়ালৈ আহি পৰা প্ৰত্যাহ্বান আৰু সম্ভাৱনাৰ দিশবোৰ চালি-জাৰি চাবলৈ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ** ধ্ৰুপদী ভাষা, ৰাষ্ট্ৰ ভাষা, ৰাজ্য ভাষা, আঞ্চলিক ভাষা, সংযোগী ভাষা।

# সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা

■ **গীতা হাজৰিকা**
*সহকাৰী অধ্যাপক*
*দিখৌমুখ মহাবিদ্যালয়*

সাম্প্ৰতিক যুগটো হৈছে বিশ্বায়নৰ যুগ, তথ্য-প্ৰযুক্তিৰ যুগ। দ্ৰুত পৰিৱৰ্তনশীল এই যুগটোত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে লগে ইণ্টাৰনেটৰ সংযোগৰদ্বাৰা কম্পিউটাৰ, লেপটপ, স্মাৰ্টফোন আদি বিভিন্ন আহিলাৰ যোগেদি যোগাযোগ প্ৰক্ৰিয়া অতি সহজ হৈ পৰিছে। যোগাযোগৰ ক্ষেত্ৰখনৰ সমান্তৰালভাৱে ভাষা-সাহিত্যৰ ক্ষেত্ৰখনতো প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ দিনকদিনে বৃদ্ধি পাইছে। সাম্প্ৰতিক সময়ত চ'চিয়েল মেডিয়া বা সামাজিক মাধ্যমৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ সমাজৰ সকলো স্তৰৰ লোকৰ মাজত দেখিবলৈ পোৱা যায়। ফেচবুক, হোৱাটচ্ এপ, টুইটাৰ, ইনষ্টাগ্ৰাম, ইউটিউব আদি সামাজিক মাধ্যমসমূহে যোগাযোগৰ ক্ষেত্ৰত ভূমিকা লোৱাৰ লগতে ভাষা-সাহিত্য প্ৰচাৰ-প্ৰসাৰৰো সবল মাধ্যম ৰূপে পৰিগণিত হৈছে। চহকী সাহিত্যিক ঐতিহ্য আৰু বৈচিত্ৰ্যপূৰ্ণ উপভাষাৰে সমৃদ্ধ অসমীয়া ভাষাই ডিজিটেল মাধ্যমৰ লগত খাপ খাবলৈ যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা স্বত্তেও বৰ্তমান ইউনিক'ড ভিত্তিক অসমীয়া ভাষাৰ ব্যৱহাৰ বৃদ্ধি পাইছে। ফেচবুক, টুইটাৰ ইউটিউব আদি সামাজিক মাধ্যমত অসমীয়া ভাষাত সাহিত্য, সংবাদ, তথ্য আদি প্ৰচাৰ হোৱাৰ ফলত ভাষিক সমল বৃদ্ধি হৈছে আৰু সামাজিক মাধ্যমত উপলব্ধ বিভিন্ন ভাষিক সমলসমূহ ভৱিষ্যৎ প্ৰজন্মৰ বাবে ভাষাটোৰ সংৰক্ষণত সহায়ক হ'ব পাৰে। সামাজিক মাধ্যমসমূহৰ ভিতৰত মনৰ ভাব প্ৰকাশৰ এক উপযুক্ত মঞ্চ প্ৰদানকাৰী ফেচবুকত 'অসমীয়াত কথা-বতৰা' গোটে

ইউনিক'ডত অসমীয়া ভাষাত লিখাৰ অভ্যাস গঢ়াত অপূৰ্ব আৰু ঐতিহাসিক ভূমিকা পালন কৰে। গোটত কেৱল অসমীয়াতে লিখাটো বাধ্যতামূলক আৰু বৰ্তমানলৈকে এই গোটে ডিজিটেল ৰূপত অসমীয়া ভাষাৰ সমল বৃদ্ধিত অৰিহণা যোগাই আহিছে। তেনেদৰে অন্যান্য সামাজিক মাধ্যমতো অসমীয়া ভাষাৰ সমল ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে। সামাজিক মাধ্যমত অসমীয়া ভাষাৰ বৰ্দ্ধিত সমলে প্ৰযুক্তিনিৰ্ভৰ ক্ষেত্ৰখনত নিঃসন্দেহে অসমীয়া ভাষাক এক সন্তোষজনক স্থিতি প্ৰদানৰ দিশত ধাৱমান কৰিছে। ফেচবুক, ইনষ্টাগ্ৰাম, ইউটিউব আদিত অসমীয়া ভাষাৰ ব্যৱহাৰ আৰু সমল বৃদ্ধিয়ে ভাষাটোৰ চাহিদাৰ কথাকে চিহ্নিত কৰে। সামগ্ৰিকভাৱে ডিজিটেল ক্ষেত্ৰখনত অসমীয়া ভাষাক ইংৰাজী, হিন্দী আদি ভাষাৰ দৰে শক্তিশালী স্থিতিত উপনীত কৰোৱাৰ লক্ষ্যৰে সকলোৱে সেই কাৰ্যক জাতীয় দায়িত্ব বুলি গ্ৰহণ কৰি বিশুদ্ধ ৰূপত অসমীয়া ভাষা ব্যৱহাৰেৰে ভাষাটোৰ সমল বৃদ্ধি কৰা উচিত।

**বীজ শব্দ ঃ** সামাজিক মাধ্যম, ইউনিক'ড, ফেচবুক, ইউটিউব, প্ৰত্যাহ্বান, সম্ভাৱনা।

# অসমীয়া ভাষা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

■ ড° আদিত্য শইকীয়া

*সহকাৰী অধ্যাপক*

*দিখৌমুখ মহাবিদ্যালয়*

ভাষাৰ গতি-প্ৰকৃতি অৱধাৰিত তথা ই যুগসাপেক্ষ। খ্ৰীষ্টাব্দ দশম-একাদশ শতাব্দীমানত প্ৰাচ্য-মাগধী অপভ্ৰংশৰ পৰা অংকুৰিত অসমীয়া ভাষাই জন্মলগ্নৰে পৰা কেইবাটাও কেঁকুৰি পাৰ হৈ সাম্প্ৰতিক স্তৰত উপনীত হৈছেহি। অৱশ্যে সাম্প্ৰতিক স্তৰটোৰ সঠিক সীমাৰেখা নিৰ্ণয় কৰা টান। তথাপি বিংশ শতিকাৰে শেষৰ দশকৰ পৰা অসমীয়া ভাষাৰ গতি-প্ৰকৃতিৰ পৰিৱৰ্তনৰ এক অৱধাৰণা পোৱা যায়। কিছুমান বিশেষ পৰিস্থিতি বা কাৰকে ভাষা সাহিত্য-সংস্কৃতিৰ প্ৰকৃতি আৰু লক্ষণ তথা গতিপথ সলনি কৰি দিয়ে। লক্ষ্য কৰিলে দেখা যায় যে, প্ৰাচীন অসমীয়া ধৰ্ম্মীয় সাহিত্যৰ ভাষাটো মধ্যযুগৰ বুৰঞ্জী আৰু চৰিত সাহিত্যৰ ভাষাই পৰিৱৰ্তন সাধন কৰি এটা নতুন ধাৰাৰ সৃষ্টি কৰে। সেইদৰে মিছনেৰী অসমীয়া সাহিত্যৰ ভাষাই মধ্যযুগীয়া অসমীয়া ভাষাটোৰ গতি-প্ৰকৃতি সম্পূৰ্ণ সলনি কৰি এটা সুকীয়া ঠাচ গ্ৰহণ কৰিলে। অৰুণোদয় যুগৰ ভাষাৰ স্বৰূপ আৰু লক্ষণ জোনাকী যুগত সলনি হ'ল। বেজবৰুৱাৰ অসমীয়া ভাষাৰ গতি প্ৰকৃতি সলনি কৰি পেলালে যুদ্ধোত্তৰ যুগৰ অসমীয়া ভাষাটোৱে। বিশ্বায়নৰ প্ৰভাৱত সাম্প্ৰতিক অসমীয়া ভাষাটোৰ গতি প্ৰকৃতি সলনি হোৱাৰ উপক্ৰম ঘটিছে। এই কথা কেৱল অসমীয়া ভাষাৰ ক্ষেত্ৰতে নহয়, বিশ্বৰ সকলো ভাষাৰ ক্ষেত্ৰতে প্ৰযোজ্য। মুঠতে, ভাষা একোটাক চিৰপ্ৰবাহিত নদীৰ সৌতৰ লগত তুলনা কৰিব পাৰি। নদীয়ে মৰিসুঁতিৰ সৃষ্টি কৰি নতুন সুঁতি লোৱাৰ দৰে অসমীয়া ভাষাইও সময়ে সময়ে গতিপথ সলনি কৰি আহিছে। এই আলোচনা পত্ৰত অসমীয়া ভাষাৰ পৰম্পৰা আৰু পৰিৱৰ্তনৰ বিভিন্ন দিশবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, পৰম্পৰা, পৰিৱৰ্তন।

# ঔপভাষিক বিন্যাসেৰে চুটিগল্প নিৰ্মাণ

## (সৌৰভ কুমাৰ চলিহাৰ হাঁহিচম্পা আৰু সঞ্জীৰপল ডেকাৰ অসুৰ গল্পৰ বিশেষ উল্লিখনসহ)

■ **ড° মনীষা তালুকদাৰ**

*ৰত্নপীঠ মহাবিদ্যালয়*

সাহিত্য নিৰ্মাণত উপভাষাৰ প্ৰয়োগ নতুন কথা নহয়। ১৮৫৭ চনত গুনাভিৰাম বৰুৱাৰ 'ৰাম নৱমী' (প্ৰথম অসমীয়া আধুনিক নাটক) নাটকৰ পঞ্চম অংক, দ্বিতীয় দৰ্শনত উপভাষাৰ প্ৰয়োগ কৰিছে। তাৰ পৰৱৰ্তীকালতো বহুকেইজন অসমীয়া সাহিত্যিকৰ ৰচনাত ঔপভাষিক ৰূপৰ প্ৰয়োগ দেখা গৈছে। যেনে - মামণি ৰয়ছম গোস্বামীৰ 'দতাঁল হাতীৰ উয়েঁ খোৱা হাওদা' উপন্যাসখনত কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ এটি প্ৰয়োগ হৈছে। একেদৰে শীলভদ্ৰৰ বহুতো গল্পত গোৱালপৰীয়া উপভাষাৰ ঔপভাষিক ৰূপ ব্যৱহৃত হৈছে। সম্প্ৰতি অসমীয়া সাহিত্যত আঞ্চলিক উপভাষাৰ জৰিয়তে এনে ৰচনাসমূহে ব্যাপক প্ৰসাৰ লাভ কৰাও পৰিলিক্ষিত হৈছে।

দৰাচলতে সাহিত্যত উপভাষা প্ৰয়োগৰ ফলত সাহিত্যকৃতিৰ মান আৰু গুৰুত্ব বৃদ্ধি হোৱাৰ লগতে সেই উপভাষাটোৱেও এক বিশেষ স্বীকৃতি লাভ কৰে। সেই উপভাষাটো পাঠকৰ মাজত পৰিচিতি লাভ কৰি মান্যভাষাৰ লগত থকা পাৰ্থক্য কমাই আনে।

আমাৰ গৱেষণা পত্ৰত সৌৰভ কুমাৰ চলিহাৰ হাঁহিচম্পা আৰু সঞ্জীৰ পল ডেকাৰ অসুৰ গল্প দুটাত অসমৰ দুটা প্ৰধান উপভাষাৰ প্ৰয়োগ কেনেদৰে হৈছে সেয়া আলোচনা কৰা হৈছে। তদুপৰি অসমীয়া ভাষাৰ পৰিৱৰ্ধনত দুয়োটা ঔপভাষিক ৰূপৰ ভূমিকা কি সেয়াও আলোচনা কৰা হ'ব।

**বীজ শব্দ ঃ** উপভাষা, হাঁহিচম্পা, অসুৰ, কামৰূপী উপভাষা

# অসমীয়া ভাষাৰ পৰিবৰ্দ্ধনত ঔপভাষিক সমলৰ ভূমিকা ঃ

## (মামণি ৰয়ছম গোস্বামীৰ উপন্যাস "দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা"ৰ বিশেষ অধ্যয়নসহ)

■ **ড° মৌচুমী বৰদলৈ হাজৰিকা**
*কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়*

পৃথিৱীৰ সকলো সুসভ্য জাতিয়েই নিজৰ ভাষাৰ বা মাতৃভাষাৰ সুৰক্ষা আৰু সংবৰ্ধনৰ বাবে দায়বদ্ধ। ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসমীয়া ভাষা-ভাষী মানুহ খিনিয়েও নিজৰ ভাষাটোৰ ঐতিহ্য ৰক্ষা, লিপিৰ সংৰক্ষণ, আৰু ভৰিষ্যত সমৃদ্ধিৰ অৰ্থে সময় সাপেক্ষে প্ৰয়োজনীয় পদক্ষেপ লৈ ভাষাটোক সমৃদ্ধিশালী কৰি তুলিছে। প্ৰাচীন কালৰে পৰা বিকশিত মাতৃভাষাটোৰ মৰ্যাদা প্ৰাপ্তিয়ে সকলো অসমীয়া ব্যক্তি তথা সমাজলৈ গৌৰৱ বহন কৰি আনিছে। ধ্ৰুপদী মৰ্য্যাদাপ্ৰাপ্ত এই অসমীয়া ভাষাটোৱে ঐতিহাসিক কালৰে পৰা সময়ৰ লগে লগে পৰিৱৰ্তন হৈ এক নিৰৱচ্ছিন্ন ৰূপত গতি কৰি আছে। সাম্প্ৰতিক সময়ত ভাষাটোৰ ক্ৰমবিকাশত ন ন ৰূপৰ সংযোগ হৈছে। ইয়াৰে ভিতৰত মূল লিখিত ভাষাটোত ঔপভাষিক সমলৰ অন্তৰ্ভুক্তিয়ে ভাষাটোৰ সৌষ্ঠৱ বৃদ্ধিত সহায় কৰিছে। অসমৰ কামৰূপ আৰু গোৱালপাৰা অঞ্চলত প্ৰচলিত দুটা প্ৰধান উপভাষা হৈছে কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষা। দুয়োটা উপভাষাই নিজা নিজা আঞ্চলিক ভাষিক ৰূপেৰে সমৃদ্ধ। অসমীয়া ভাষাৰ সাহিত্যিক-গৱেষক-আলোচকসকলে তেওঁলোকৰ ৰচনাৱলীত সাধাৰণতে মান্যভাষাটোৰ ব্যৱহাৰ অধিকভাৱে কৰে বাবে ভাষাটোৰ আঞ্চলিক ৰূপ সমূহৰ প্ৰচাৰ আৰু প্ৰসাৰ সীমিত হৈ আছিল।

উত্তৰ স্বাধীনতা কালৰ সাহিত্যিক মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ উপন্যাসত ঔপভাষিক সমল সংযোগ কৰি অসমীয়া ভাষা-সাহিত্যক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ নামনি অসমৰ দক্ষিণ কামৰূপৰ আমৰাঙ্গা সত্ৰ অঞ্চলৰ পটভূমিত ৰচিত আৰু কথিত ভাষাত ৰচনা কৰা এখন কালজয়ী উপন্যাস হৈছে দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা। ১৯৮৮ চনত অসম সাহিত্য সভা বঁটা প্ৰাপ্ত উপন্যাসখনৰ চৰিত্ৰ সমূহৰ মুখৰ ভাষাত সেই বিশেষ অঞ্চলৰ ভাষিক ৰূপৰ প্ৰতিফলন ঘটিছে।

আমাৰ এই গৱেষণা পত্ৰত অসমীয়া ভাষাৰ পৰিবৰ্দ্ধনত উপন্যাসখনৰ জৰিয়তে স্থান পোৱা ঔপভাষিক সমলে কিদৰে ভূমিকা পালন কৰিছে সেই বিষয়ে অধ্যয়ন কৰিব বিচৰা হৈছে।

**বীজ শব্দ ঃ** ধ্ৰুপদীভাষা, অসমীয়া উপভাষা, কামৰূপী উপভাষা

# ধ্ৰুপদী হিচাপে অসমীয়া ভাষাৰ স্বীকৃতিত প্ৰত্নতাত্ত্বিক সমলৰ ভূমিকা

■ **ড° সুবোধ কুমাৰ মিশ্ৰ ভাগৱতী**
*কামৰূপ মহাবিদ্যালয়, চামতা*

প্ৰাচীনত্ব বিচাৰৰ ক্ষেত্ৰত প্ৰত্নতাত্ত্বিকসকলে যিবোৰ সমল বিচাৰি পায়, সেই বিভিন্ন তথ্য যুক্তিৰে বিশ্লেষণ কৰি এটি স্থিৰ সিদ্ধান্তলৈ আহি বিষয়বস্তুৰ উদ্ভৱ কাল বা ইতিহাস সম্পৰ্কে প্ৰকাশ কৰে। গৱেষক সকলৰ তিতিক্ষাপূৰ্ণ প্ৰচেষ্টাৰ ফলত যুক্তিৰ শিকলিৰে ভাষাৰ প্ৰাচীনত্বকো দৃঢ়ভাৱে বন্ধা হ'ল আৰু ভাৰত চৰকাৰে বান্ধি দিয়া সকলো নীতি চৰিতাৰ্থ কৰি অসমৰ জাতীয় ভাষা অসমীয়াও প্ৰাচীন ভাষা হিচাপে গৃহীত হ'ল আৰু 'ধ্ৰুপদী ভাষা' হিচাপে সমাদৃত হ'ল। লিপি অন্বেষণেৰে অসমীয়া লিপিৰ উদ্ভৱ কাল বিচাৰি গ'লে পোৱা যায় যে ব্ৰাহ্মীলিপিৰে চন্দ্ৰকেতুগড় আৰু মহাস্থানগড়ৰৰ লেখ, শৰহপাদৰ দোহা, তেলীশাল বিষ্ণুপুৰ মূৰ্তিলেখ, নকচাৰী ৰতনপুৰ শিলালেখ, গছতল স্তম্ভলেখ আদিৰ লিখিত বাঙময়ৰ প্ৰাচীনতাই অসমীয়া ভাষাৰ প্ৰাচীনতাকেই ব্যক্ত কৰে আৰু গৱেষক সকলক ভাবিবলৈ বাধ্য কৰায় যে অসমীয়া ভাষা ঋগ্বৈদিক যুগতকৈও প্ৰাচীন ভাষা হিচাপে। প্ৰত্নতাত্ত্বিক সকলে নিৰ্ণয় কৰা প্ৰাচীনতাৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষা ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰে। এই আলোচনা পত্ৰত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা প্ৰাপ্তিত প্ৰত্নতাত্ত্বিক সমলে আগবঢ়োৱা ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, প্ৰত্নতাত্ত্বিক সমল

# ধ্ৰুপদী মৰ্য্যাদা প্ৰাপ্ত অসমীয়া ভাষাত সম্ভাব্য প্ৰত্যাহ্বান আৰু সমিধান ঃ এটি সমীক্ষা

■ ড° তৰালী বড়ো
*সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*
*বৰমা মহাবিদ্যালয়, বৰমা*

অসমীয়া ভাষা-সাহিত্যৰ যোগেদি দুহেজাৰ বছৰীয়া ক্ৰমধাৰাক অতিক্ৰম কৰি অসমীয়া ভাষাই অৱশেষত ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰিলে। এইয়া অসম আৰু অসমীয়া ভাষাৰ বাবে একবিংশ শতিকাৰ প্ৰাৰম্ভণিত এক অন্যতম সুখৰ বতৰা বুলি ক'ব পাৰি। ধ্ৰুপদী ভাষাৰ মৰ্যদা পোৱাৰ লগে লগে অসমীয়া ভাষাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ আওতাত থকা অসমীয়া ভাষাৰ গৱেষণা আৰু বিকাশত এতিয়াৰে পৰা কেন্দ্ৰীয় চৰকাৰে প্ৰত্যক্ষভাৱে সহযোগিতা আগবঢ়াব আৰু এক গৱেষণা প্ৰতিষ্ঠান গঢ়ি তুলিব। কেন্দ্ৰীয় বিশ্ববিদ্যালয় সমূহত অসমীয়া ভাষাৰ অধ্যাপকৰ এখনকৈ আসন থাকিব। তামিল, তেলুগু, মালয়ালম আদিয়ে ধ্ৰুপদী ভাষাৰূপে কৰি থকা উচ্চস্তৰৰ কামবোৰৰ দৰে একচেতীয়াভাৱে অসমীয়া ভাষাৰো গৱেষণা, প্ৰচাৰ আৰু প্ৰসাৰৰ কাম আৰম্ভ হ'ব। ইয়াৰ ফলত অসমীয়া ভাষাৰ ভৱিষ্যৎ যথেষ্ট উজ্বল হৈ পৰিব। এইখিনিতে এটা প্ৰশ্ন আহে, অসমীয়া ভাষাই যি স্বকীয় ভাষাশৈলী আৰু সাহিত্যিক সমলৰ মাজেদি ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰিলে সেই সাহিত্যিক সমল লিখিত ৰূপত থকাত সহজে ৰক্ষণাবেক্ষণ দিব পাৰিব। কিন্তু, ভাষাৰ ক্ষেত্ৰত সেইয়া সম্ভৱ হ'বনে? যিহেতু পৰম্পৰাগত ভাষাশৈলী সময়ৰ সোঁতত পৰিৱৰ্তন হৈ গৈ থাকে, গতিকে, তাৰবাবে অসমীয়া ভাষাই কঠোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। বিশ্বায়ন আৰু অত্যাধুনিকতাৰ গ্ৰাসত

পৰি স্বকীয় ৰূপ হেৰুৱাবলগীয়া হ'লে ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা লাভ কৰিও অসমীয়া ভাষা আধৰুৱা হৈ ৰ'ব। গৱেষণা পত্ৰখনিত অসমীয়া ভাষাৰ পৰম্পৰাগত ভাষাশৈলী নিৰ্মাণ ব্যৱস্থাত সম্ভাব্য প্ৰত্যাহ্বানসমূহক খৰচি মাৰি আলোচনা কৰা হ'ব। লগতে প্ৰত্যাহ্বান সমূহ নেওচি অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰূপে নিজস্ব মৰ্য্যাদা ভৱিষ্যতে কেনেকৈ অক্ষুণ্ণ ৰাখিব তাৰ সমিধান বিচাৰ কৰাৰ চেষ্টা কৰা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, ধ্ৰুপদী, পৰম্পৰাগত, ভাষাশৈলী, প্ৰত্যাহ্বান।

# বাৰ্তালাপ মিশ্ৰণ (Code-mixing) আৰু অসমীয়া ভাষা

■ লাকী দাস
*পি. এইচ. ডি গৱেষক ছাত্ৰী*
*ভট্টদেৱ বিশ্ববিদ্যালয়*

দ্বিভাষিক আৰু বহুভাষিক পৰিস্থিতিত বাৰ্তালাপ মিশ্ৰণ ঘটে। প্ৰত্যেক ব্যক্তিয়ে জন্মসূত্ৰে ভাষা আহৰণ কৰে। ইয়াক প্ৰথম ভাষা বুলি কোৱা হয়। পিছত ব্যৱহাৰিক প্ৰয়োজন সাপেক্ষে আনুষ্ঠানিক বা অনানুষ্ঠানিক ভাৱে বেলেগ বেলেগ ভাষা আহৰণ কৰি লয়। এনেদৰে পিছত আহৰণ কৰা ভাষাক দ্বিতীয়  ভাষা বোলে আৰু তেনে ভাষাৰ সংখ্যা একাধিক হ'ব পাৰে। সমাজ ভাষা বিজ্ঞানত দ্বিতীয় ভাষাৰ সংখ্যা এটা হ'লে তাক দ্বিভাষিক আৰু একাধিক হ'লে বহুভাষিকতা বোলে। এনে দ্বিভাষিক বা বহুভাষিক পৰিস্থিতিত বক্তাৰ কথোপকথনত উক্ত দুই বা ততোধিক ভাষাৰ উপাদানৰ মিশ্ৰণ ঘটিব পাৰে। দ্বিভাষী এজনে আন এটা ভাষাৰ শব্দ নিজৰ কথোপকথনত সঘনাই প্ৰয়োগ কৰিলেও এনে মিশ্ৰণ হয়। এনে মিশ্ৰণ প্ৰক্ৰিয়াকে বাৰ্তালাপ মিশ্ৰণ (Code-mixing) বোলা হয়।

অসম এখন বহুভাষিক ৰাজ্য হোৱা সুত্ৰে ইয়াত বসবাস কৰা অধিবাসীসকলৰ ভাষাসমূহৰ মাজত হিন্দী, ইংৰাজী বা আন ভাষাৰ শব্দৰ বহুল প্ৰসাৰে অসমীয়া ভাষাটোৰ প্ৰভাৱিত কৰিছে। এই আলোচনা পত্ৰখনৰ জৰিয়তে অসমীয়া ভাষাত বাৰ্তালাপ মিশ্ৰণ (Code-mixing)ৰ বহুল প্ৰয়োগ সম্পৰ্কে আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ** বাৰ্তালাপ মিশ্ৰণ, দ্বিভাষিক বহুভাষিক

# ধ্ৰুপদী অসমীয়া গদ্য-সাহিত্যত পদ্মনাথ গোহাঞিবৰুৱাৰ লঘু সামাজিক নাট ‘গাওঁবুঢ়া’ৰ গদ্যশৈলী ঃ এক বিশ্লেষণ

■ **কুঞ্জলতা দত্ত**
*গৱেষক, অসমীয়া বিভাগ,*
*ভট্টদেৱ বিশ্ববিদ্যালয়*

নব্য ভাৰতীয় আৰ্যভাষাৰ এক উল্লেখযোগ্য ভাষা অসমীয়া ভাষা। ঊনবিংশ শতিকাৰ শেষলৈ অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধিশালী কৰিবৰ বাবে আৰু আধুনিক অসমীয়া সাহিত্যক প্ৰতিষ্ঠিত ৰূপ দিবৰ বাবে অহোপুৰুষাৰ্থ কৰা পথ-প্ৰদৰ্শকসকলৰ অন্যতম আছিল পদ্মনাথ গোহাঞিবৰুৱা। সাহিত্যৰ অন্য দিশসমূহৰ দৰে নাট্য সাহিত্যৰ ক্ষেত্ৰখনতো পদ্মনাথ গোহাঞিবৰুৱাৰ অৱদান অনস্বীকাৰ্য। গোহাঞিবৰুৱাই ৰচনা কৰা নাট্যৰাজিৰ ভিতৰত এখন লঘু সামাজিক নাট্যৰূপে ‘গাওঁবুঢ়া’ অন্যতম। নাটকখনত গ্ৰাম্য জীৱনত ব্যৱহৃত ভাষাৰ সাৱলীল প্ৰয়োগ মনকৰিবলগীয়া। নাট্যকাৰে সহজ-সৰল ভাষাশৈলীৰ ব্যৱহাৰেৰে নাটখনৰ ভাষাক সাবলীল আৰু মনোগ্ৰাহী কৰি তুলিছে। সাধাৰণ অসমীয়া মানুহৰ কথিত ৰূপটোক সৰহ-নিপানীকৈ ব্যৱহাৰ কৰি ৰচিত তেখেতৰ ‘গাওঁবুঢ়া’ লঘু সামাজিক নাটক হিচাপে নাটকত বিশেষ স্থান পাইছে। নাটকখনত ইংৰাজৰ ৰাজত্বকালৰ প্ৰাৰম্ভিক সময়ছোৱাৰ এখন নিভাঁজ চিত্ৰ পৰিস্ফুট হৈছে। ইংৰাজ শাসনৰ আদিছোৱাত অসমৰ গ্ৰাম্য-সমাজজীৱন, প্ৰশাসনীয় কু-প্ৰথা, সামাজিক দুৰ্নীতি, দৰিদ্ৰতা, শ্ৰেণী বৈষম্য, নিম্ন শ্ৰেণীৰ লোকৰ ওপৰত শাসকৰ অন্যায়-উৎপীড়ন আদি দিশসমূহক নাটকখনত নাট্যকাৰে নিজস্ব ৰচনাৰীতিৰে

কাহিনীৰ মাধ্যমত নাটকৰ আকাৰ দিছে। সহজ-সৰল ভাষাৰ সাৱলীল প্ৰয়োগ তেখেতৰ নাটৰ উল্লেখযোগ্য বৈশিষ্ট্য। নাটকখনৰ গদ্যশৈলীৰ ভাষাগত দিশ হিচাপে ধনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, শব্দতত্ত্ব — এই দিশকেইটাক সামৰি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। 'গাওঁবুঢ়া' ধেমেলীয়া নাটকখনৰ উপস্থাপনৰ যি শৈলী, সেই শৈলীয়ে পাঠকক ৰস প্ৰদান কৰিছে। নাটকখনত সৰল, যৌগিক, জটিল, চুটি আদি বিভিন্ন বাক্য সন্নিৱিষ্ট কৰি কাহিনী ৰূপায়ণ কৰিছে। এইক্ষেত্ৰত নাট্যখনত ব্যৱহৃত সহজ-সৰল ভাষা, জতুৱা ঠাঁচ, প্ৰবচন, খণ্ডবাক্য, দ্বিৰুক্তিবাচক শব্দ, সমাৰ্থক শব্দ, অনুৰূপ শব্দ, অনুকাৰ শব্দৰ সঠিক প্ৰয়োগে 'গাওঁবুঢ়া' নাটকৰ গদ্যশৈলীত নান্দনিকতা বৃদ্ধিত ইন্ধন যোগাইছে।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, নাটক, গদ্যশৈলী, ভাষা

# ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা

■ নীলাক্ষি পাটোৱাৰী

*প্ৰৱক্তা, শিক্ষক শিক্ষণ মহাবিদ্যালয়, মঙলদৈ*

ধ্ৰুপদী ভাষা বা 'Classical language' মানে হৈছে এনে এটা ভাষা, যিটো ভাষাই বহু সহস্ৰাব্দ ধৰি সাহিত্যিক, সাংস্কৃতিক আৰু ঐতিহাসিক দিশত এক বিশিষ্ট তথা উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। ধ্ৰুপদী ভাষাই অকল যোগাযোগৰ মাধ্যম হিচাপেই নিজৰ পৰিচয় বহন নকৰে, এই ভাষাই অতীত সমাজৰ চিন্তা-চৰ্চা, বিশ্বাস, ৰীতি-নীতি আৰু কলাত্মক ভাবৰ প্ৰকাশৰ ঐতিহ্যও বহন কৰে। ২০২৪ চনত ভাৰত চৰকাৰে ধ্ৰুপদী ভাষাৰ মানদণ্ডৰ লগত ৰিজাই কিছুমান ভাষাক উক্ত মানদণ্ডৰ আওতালৈ আনি স্বীকৃতি দিবলৈ এক বিশেষ পদক্ষেপ গ্ৰহণ কৰে। ধ্ৰুপদী ভাষাৰ মৰ্যাদা পাবলৈ প্ৰয়োজন হোৱা প্ৰথম আৰু প্ৰধান বৈশিষ্ট্যটোৱে হ'ল "উচ্চ মানদণ্ডৰ লিখনি তথা প্ৰামাণিক ইতিহাস; যিটো কমেও ১৫০০ ৰ পৰা ২০০০ বছৰৰ পুৰণি।"

বিগত অক্টোবৰ, ২০২৪ ইং তাৰিখে কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাটোক ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান কৰে। প্ৰকৃততে অসমীয়া ভাষা-সাহিত্যৰ গৌৰৱোজ্জ্বল দুহেজাৰ বছৰীয়া ইতিহাসক সাৰথি কৰিয়েই আমাৰ ভাষাটো উন্নীত হ'ল ধ্ৰুপদী ভাষাৰ শাৰীলৈ। ইয়ে অসম তথা সমগ্ৰ অসমীয়াকে গৌৰৱান্বিত কৰিছে। ভাৰত চৰকাৰে অসমীয়া ভাষাক দিয়া ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰ ফলত এই ভাষাটোৰ ভৱিষ্যৎ অতি পোহৰাচ্ছন্ন হৈ পৰিল। সাংবিধানিকভাৱে স্বীকৃতিৰ সমান্তৰালকৈ বৌদ্ধিক উত্তৰণৰ মাজেৰে অসমীয়া ভাষাটোক কেনেকৈ সুসমৃদ্ধিশালী কৰি তুলিব পৰা যাব সেয়াই হ'ল ভৱিষ্যতৰ কৰণীয়। এই ক্ষেত্ৰত আমি প্ৰতিজন অসমীয়াৰে মনত জাতীয়তাবাদৰ ভেটি সুদৃঢ় হ'ব লাগিব আৰু লগতে ভাষাটোৰ ঐতিহ্য তথা পৰম্পৰাক স-সন্মানেৰে জীয়াই ৰখাৰো দায়িত্ব হ'ব আমাৰেই। আলোচনা পত্ৰখনত ধ্ৰুপদী ভাষাৰ অৰ্থ, ইয়াৰ বৈশিষ্ট্য আৰু লগতে ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা, এই সম্পৰ্কে বিতং আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ** ধ্ৰুপদী, অসমীয়া, ভাষা

# অসমীয়া ভাষাত বিশ্বায়নৰ প্ৰভাৱ ঃ এটি অধ্যয়ন

■ ড° হৰি নাৰায়ণ কলিতা
*সহকাৰী অধ্যাপক , অসমীয়া বিভাগ*
*চৰকাৰী আদৰ্শ মহাবিদ্যালয়, বিলাসীপাৰা*

বৰ্তমান সময়ত সৰ্বাধিক ব্যৱহৃত শব্দটি বিশ্বায়ন বুলি ক'লে হয়তো ভুল কোৱা নহয়। বিশ্বায়নৰ প্ৰভাৱে আজি গোটেই বিশ্বক এখন ক্ষুদ্ৰ গাৱঁলৈ ৰূপান্তৰিত কৰিছে। বৰ্তমান সময়ৰ সমাজখন বিশ্বায়নৰ ধামখুমীয়াত ভাষা,সাহিত্য, সংস্কৃতিৰ পৰা আৰম্ভ কৰি প্ৰতি দিশতে গোলকীয় সাম্ৰাজ্যৰ গ্ৰাসত সৰ্বশ্ৰান্ত হোৱাৰ উপক্ৰম হৈছে। অসমৰ সামাজিক,সাংস্কৃতিক, ৰাজনৈতিক সমাজ জীৱনৰ লগতে অসমীয়া ভাষাটোকো বিশ্বায়নে বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। বিশ্বায়নৰ প্ৰভাৱত অসমীয়া সমাজখনে ঐতিহ্যৰ প্ৰতি অনাদৰ কৰাৰ দৰেই আজি অসমীয়া ভাষাটোকো বহু পৰিমাণে অনাদৰ অৱহেলা কৰিবলৈ লৈছে। মানুহৰ চাল-চলন, আচাৰ-ব্যৱহাৰ সলনি হোৱাৰ দৰে ভাষাৰ ক্ষেত্ৰতো আইৰ মুখৰ সুৱদী সুৰীয়া ভাষাটোক মাহী আইৰ দৃষ্টিৰে চাই পাশ্চাত্যৰ নানা শব্দ আজি ব্যৱহাৰ কৰিবলৈ লৈছে। আজিৰ ল'ৰা ছোৱালীয়ে বহুতো শব্দ ক'বলৈ লজ্জাবোধ কৰিবলৈ লৈছে। ফলস্বৰূপে বহুতো শব্দ আজি হেৰাই যোৱাৰ উপক্ৰম হৈছে। বিশ্বায়নে অসমীয়া ভাষাৰ প্ৰচলনত বিভিন্ন প্ৰকাৰে বাধাৰ সৃষ্টি কৰি আহিছে। কেৱল অসমীয়া ভাষাই নহয়, বিশ্বায়নৰ প্ৰভাৱত সৰু বৰ সকলো মাতৃভাষাই অস্তিত্বৰ সংকটত ভুগিব লগা হৈছে। আমাৰ এই গৱেষণা পত্ৰত অসমীয়া ভাষাক বিশ্বায়নে কেনেদৰে প্ৰভাৱিত কৰিছে সেই সম্পৰ্কে এটি অধ্যয়ন কৰিবলৈ চেষ্টা কৰা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া, ভাষা, বিশ্বায়ন, প্ৰভাৱ।

# আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ধ্ৰুপদী অসমীয়া ভাষাৰ প্ৰতিষ্ঠাঃ প্ৰত্যাহ্বান আৰু দায়িত্ব

■ **ড° পৰিস্মিতা মিশ্ৰ**
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,*
*মধ্য কামৰূপ মহাবিদ্যালয়*

ভাষা এটা জাতিৰ দাপোণ। ভাষা, সাহিত্য, সংস্কৃতিয়েই হৈছে এটা জাতিৰ মেৰুদণ্ড। ভাৰতবৰ্ষৰ উত্তৰ-পূৱ প্ৰান্তত প্ৰচলিত নব্য ভাৰতীয় আৰ্য ভাষাটো হৈছে অসমীয়া ভাষা। মূলতঃ সংস্কৃত ভাষাৰপৰা উদ্ভৱ হোৱা অসমীয়া ভাষাই ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আদি নানা বিৱৰ্তনৰ মাজেৰে আহি বৰ্তমান স্বতন্ত্ৰ ৰূপে আত্মপ্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদৰ অন্তৰ্গত আধুনিক ভাৰতীয় ভাষা হিচাপে স্বীকৃতিপ্ৰাপ্ত ২২ টা ভাষাৰ ভিতৰত অসমীয়া ভাষাও অন্যতম। সম্প্ৰতি ২০২৪ ইংৰাজী বৰ্ষৰ ৩ অক্টোবৰ তাৰিখে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰে। ইয়াৰ লগে লগে ভাৰতবৰ্ষৰ এতিয়ালৈকে ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা পোৱা ১১ টা ভাষাৰ মাজত অসমীয়া ভাষাৰ নামটোও সোমাই পৰিল। এয়া অসমবাসীৰ বাবে নিশ্চয়কৈ গৌৰৱৰ বিষয়। অসমীয়া ভাষাক অন্তৰত ধাৰণ কৰা কেইগৰাকীমান অসমীয়াৰ আশাশুধীয়া প্ৰচেষ্টা আৰু দূৰদৰ্শী চিন্তাৰ ফলতহে এয়া সম্ভৱ হৈ উঠিছে। কিন্তু, আন এচাম মানুহৰ হাতত অসমীয়া ভাষা নিজৰ ঠাইতে এলাগী হৈ পৰা পৰিলক্ষিত হৈছে। যিয়ে ভাষাটোৰ লগতে অসমীয়া জাতিটোৰ প্ৰতিও ভয়ংকৰ বিপদৰ আগজাননি দিছে। ই নিশ্চয়কৈ এক অশুভ লক্ষণ। আমাৰ আলোচনা পত্ৰখনত ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ আলোচনা কৰাৰ লগতে ভাষাটোক আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জীয়াই ৰাখিবলৈ হ'লে আমাৰ দায়িত্ব আৰু কৰণীয় দিশসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, ধ্ৰুপদী ভাষা, আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপট, প্ৰত্যাহ্বান, দায়িত্ব।

# অসমীয়া ভাষাৰ মোবাইল এপ্ অভিধানঃ সম্ভাৱনা আৰু প্ৰত্যাহ্বান

■ ড° অভিজিত বৰা

*বৰপেটা মহাবিদ্যালয়, বৰপেটা*

ডিজিটেল ভাষিক প্ৰযুক্তিৰ দ্ৰুত বিকাশে মানৱ ভাষাসমূহৰ সংৰক্ষণ আৰু শিকনৰ ক্ষেত্ৰত এক বিপ্লৱৰ সূচনা কৰিছে। এনে ডিজিটেলীকৰণে আনি দিয়া ভাষাৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰযুক্তিক বিকাশৰ লগতে অভিধানতত্ত্বৰ ক্ষেত্ৰলৈও এক ব্যাপক পৰিৱৰ্তন আনিছে। যাৰ ফলস্বৰূপে অনলাইন অভিধান, কম্পিউটাৰ ছফটৱেৰভিত্তিক অভিধান তথা মোবাইল এপ্ অভিধান আদিৰ সৃষ্টি হৈছে। বিগত সময়ছোৱাত অন্যান্য ভাষাৰ লগতে অসমীয়া ভাষাতো এনে বিভিন্ন অভিধানৰ বিকাশ ঘটিছে।

আমাৰ প্ৰস্তাৱিত আলোচনা পত্ৰত অসমীয়া ডিজিটেল অভিধানৰ বিৱৰ্তন তথা বৈশিষ্ট্য আলোচনাৰ লগতে এনে অভিধানে বহন কৰা অসমীয়া ভাষাৰ বিশুদ্ধতা, ব্যৱহাৰযোগ্যতা আৰু প্ৰযুক্তিগত উন্নয়নৰ আলোকপাত কৰা হ'ব। বিশেষকৈ মোবাইল এপ্লিকেচন বা এপ্ হিচাপে উপলব্ধ আদৰ্শ, সাৰথি, অসমী, লাচিত, পদ্মনাথ, আখৰ আদি অভিধানসমূহৰ বিকাশ, বৈশিষ্ট্য আৰু প্ৰভাৱৰ ওপৰত আলোচনা কৰা হ'ব। লগতে এনে অভিধানসমূহৰ বিশদ বিশ্লেষণৰ জৰিয়তে এইলানি অভিধানৰ কাৰ্যকৰী দিশসমূহ, ব্যৱহাৰকাৰীৰ সহায়ক ইণ্টাৰফেচ, বহুভাষিক সমৰ্থন আৰু অফলাইন সুবিধা আদিৰ ওপৰতো বিশেষভাৱে আলোকপাত কৰা হ'ব। আকৌ, এহাতে এপ ডেভলপাৰসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু আনহাতে অসমীয়া ভাষা শিকাৰু, গৱেষক তথা স্থানীয় ভাষিক লোকসকলৰ ওপৰত এই এপ্ অভিধানে পেলোৱা সামগ্ৰিক প্ৰভাৱৰ দিশসমূহো ফঁহিয়াই চাবলৈ যত্ন কৰা হ'ব। শেষত, এনে অভিধানৰ ব্যৱহাৰকাৰীৰ মতামতৰ আলোচনাৰ লগতে ভৱিষ্যতৰ দিশসমূহৰ ওপৰতো কেতবোৰ পৰামৰ্শ আগবঢ়াবলৈ চেষ্টা কৰা হ'ব, যাতে অসমীয়া ভাষাৰ এনে ডিজিটেল সঁজুলিৰ কাৰ্যক্ষমতা আৰু প্ৰসাৰ বৃদ্ধি কৰিবলৈ সক্ষম হয়।

**বীজ শব্দ ঃ** অভিধান, অভিধানতত্ত্ব, মোবাইল এপ, ডিজিটেল ভাষিক প্ৰযুক্তি।

# ধ্ৰুপদী অসমীয়া আৰু কম্পিউটাৰ, মোবাইলত আদিত ব্যৱহৃত অসমীয়া লিখন সজুঁলি

■ **ড° যাদবেন্দ্ৰ বৰা**
*বৰনগৰ মহাবিদ্যালয়, সৰভোগ, বৰপেটা*

■ **ড° অপৰাজিতা গগৈ**
*কমাৰবন্ধা মহাবিদ্যালয়,*
*কমাৰবন্ধা, গোলাঘাট*

যোৱা বছৰৰ ৩ অক্টোবৰ তাৰিখে অসমীয়া ভাষাক মাৰাঠী, পালি, প্ৰাকৃত আৰু বাংলা ভাষাৰ সৈতে একেলগে ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা হয়। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ে গঠন কৰা ভাষা বিশেষজ্ঞ সমিতিৰ অনুমোদন মৰ্মে কেন্দ্ৰীয় চৰকাৰে এই ভাষাকেইটাক ধ্ৰুপদী মৰ্যাদা প্ৰদান কৰে। বিশেষজ্ঞ সমিতিৰ অনুসন্ধানত চৰকাৰে নিৰ্দিষ্ট কৰা মানককেইটা পূৰ কৰা বাবে ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা বিষয়টোৱে বাকী ভাষাকেইটাৰ দৰে অসমীয়া ভাষালৈও আশাৰ বতৰা কঢ়িয়াই আনিছে। লগতে অসমীয়াভাষী হিচাপে আমি প্ৰত্যেকেই এই মৰ্যাদা প্ৰাপ্তিত গৌৰৱান্বিত অনুভৱো নকৰা নহয়।

কিন্তু মোৰ মাতৃভাষাটোৰ এনে এক উৎসাহজনক খবৰৰ সময়তে আমি সততে চকু নিদিয়া বিষয় এটালৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। বৰ্তমান সময়ত প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশে পৃথিৱীৰ বিভিন্ন ভাষাবোৰলৈ অনা বিভিন্ন পৰিৱৰ্তন আৰু সুবিধাৰ ভিতৰত এটা হ'ল এই ভাষাবোৰ নিজা লিপিৰে কম্পিউটাৰ, মোবাইল আদি প্ৰযুক্তিগত সজুঁলিবোৰত লিখাৰ সুবিধা। এসময়ত কম্পিউটাৰত ইংৰাজী ভাষা লিখিবলৈ ব্যৱহাৰ কৰা ৰোমান লিপিৰ

বাহিৰে আন লিপিৰে নিজৰ ভাষাটো লিখাটো কল্পনাৰো অগোচৰ আছিল। সময়ৰ অগ্ৰগতিত প্ৰযুক্তিবিদ্যাৰ নতুন নতুন আৱিষ্কাৰবোৰে কম্পিউটাৰ, মবাইল আদিত নিজা ভাষাৰে লিখাৰ সমস্যাটো ক্ৰমান্বয়ে নোহোৱা কৰি আনিলে। ভাষাবিজ্ঞানী, কম্পিউটাৰ অভিযন্তা আদিৰ অহৰহ প্ৰচেষ্টা আৰু ইউনিক'ড মানকৰ প্ৰচলনে পৃথিৱীৰ বেলেগ বেলেগ ভাষা লিখিবলৈ প্ৰয়োজন হোৱা ভিন ভিন কীবৰ্ডৰ উদ্ভাৱনত অৰিহণা যোগালে। আৰু ইয়ে ভাষা-প্ৰযুক্তিৰ জগতলৈ আমূল পৰিৱৰ্তন কঢ়িয়াই আনিলে। আজি আহি আহি আমি এনে এক পৰ্যায়ত উপনীত হৈছোঁহি যে লিখিবলগীয়া কথাখিনি কীবৰ্ড ব্যৱহাৰ নকৰাকৈ মুখেৰে কৈও আপোনা আপুনি আপোনাৰ মোৰ লেপটপ, মোবাইলত লিখিব পৰাৰ ব্যৱস্থা হাতৰ মুঠিলৈ আহিলে। এনে এক প্ৰেক্ষাপটতে আমাৰ এই আলোচনা-পত্ৰত বৰ্তমান মোবাইল, লেপটপ, কম্পিউটাৰ আদিত অসমীয়া ভাষা লিখিবলৈ ব্যৱহাৰ হোৱা লিখন সজুঁলিবোৰৰ বিষয়ে এক পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ** ধ্ৰুপদী অসমীয়া, অসমীয়া লিখন সজুঁলি, ইউনিক'ড মানক, কীবৰ্ড

# অসমীয়া ভাষা-সাহিত্যৰ বিকাশত 'গুৰু চৰিত কথা'ৰ গদ্য ঃ এক অধ্যয়ন

■ পিনুমনি লহকৰ
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*বৰমা মহাবিদ্যালয়, বৰমা*

অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত মন্ত্র সাহিত্যৰ গদ্য, শিলানুশাসনৰ গদ্য, অংকীয়া নাটৰ গদ্য, ভট্টদেৱৰ গদ্যই এক উল্লেখযোগ্য স্থান দখল কৰি আহিছে। ভট্টদেৱৰ গদ্যৰ পাছতে অসমীয়া গদ্য সাহিত্যৰ ধাৰা অক্ষুণ্ণ ৰাখে মধ্যযুগীয় গদ্যক প্রতিনিধিত্ব কৰা চৰিত পুথিৰ গদ্য আৰু বুৰঞ্জীৰ গদ্যই। অসমীয়া গদ্য সাহিত্যৰ ক্রমবিকাশৰ ইতিহাসত 'গুৰু চৰিত কথা'ৰ গদ্যৰ এক বিশেষ স্থান আছে।

'চৰিত তোলা' প্রথাৰ পৰা সৃষ্ট চৰিত সাহিত্যৰ বীজ অংকুৰিত হয় বৈষ্ণৱ সত্রানুষ্ঠানসমূহত। চৰিত সাহিত্য প্রথমে পদ্যত আৰু অষ্টাদশ শতিকাৰ শেষতহে গদ্যত ৰচিত হয়। মূলতঃ মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ শিষ্য-প্রশিষ্যসকলৰ জীৱন-বৃত্তক লৈ ৰচিত 'গুৰু চৰিত কথা'ৰ ভাষা সহজ-সৰল, বোধগম্য, প্রত্যক্ষ, সংযমিত আৰু গাম্ভীর্যপূর্ণ। সত্রৰ চাৰিবেৰৰ মাজত থাকি ভক্তসকলে গুৰুসকলৰ প্রতি শ্রদ্ধাত নিমজ্জিত হৈ আলোচনা কৰা বাবে 'গুৰু চৰিত কথা'ৰ ভাষা আৰু গদ্যত ভকতীয়া ঠাঁচ স্পষ্ট। ভক্ত হৃদয়ৰ গুৰুৰ প্রতি ঐকান্তিক ভক্তি তথা আৱেগৰ কাৰণে ইয়াৰ গদ্যশৈলীত এক সুৰময় কাব্যিকতাও দেখা যায়। অনামী একাধিক লোকৰ লেখা-কর্ম হোৱা হেতুকে ইয়াৰ গদ্যশৈলীৰ মাজত বিবিধ ৰূপ পোৱা যায়। আলোচ্য গৱেষণা পত্রত প্রকাশ ৰীতি, বাক্যগত, শব্দগত আৰু ব্যাকৰণগত দিশত প্রকাশ পোৱা 'গুৰু চৰিত কথা'ৰ গদ্যশৈলীৰ বিশ্লেষণ আগবঢ়াবলৈ যত্ন কৰা হৈছে।

**বীজ শব্দ ঃ** গদ্য, গুৰু চৰিত পুথি, সত্র

# প্ৰাচীন অসমীয়া লিপিসমূহত প্ৰতিফলিত অসমীয়া সমাজ জীৱনৰ ছবি ঃ এক অধ্যয়ন

■ ড° হীৰামণি তালুকদাৰ
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী*

■ কৃষ্ণা বৰ্মন
*গৱেষিকা ছাত্ৰী*
*কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু*
*পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়*

লিপি হ'ল কিছুমান চিহ্ন। ভাষাক লিখিত ৰূপ দিবৰ বাবে যিসমূহ চিহ্ন ব্যৱহাৰ কৰা হয় তাকেই লিপি বোলে। সম্ৰাট অশোকৰ শিলালিপিত ব্যৱহৃত ব্ৰাহ্মী লিপিৰ পৰাই ভাৰতীয় লিপিৰ বিকাশৰ ধাৰাবাহিক বুৰঞ্জী পোৱা যায়। অসমীয়া লিপিও ব্ৰাহ্মী লিপিৰ কুটিল শৈলীৰ পৰাই উদ্ভৱ হৈছে। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰাই অসমীয়া লিপিৰ ইতিহাস পোৱা যায়। নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ড লিপি, সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপি, ৰুদ্ৰেশ্বৰ দেৱালয়ৰ শিলৰ ফলি, হাজোৰ কেদাৰ মন্দিৰৰ ইটাৰ গড়ৰ দুৱাৰৰ ফলি, বৰটোপৰ গাৰ ফলি ইত্যাদিকে ধৰি বিভিন্ন লিপি অসমত উদ্ধাৰ হৈছে।

খ্ৰীষ্টীয় পঞ্চম শতিকাতে আৰম্ভ হোৱা অসমীয়া লিপিয়ে গৌৰৱময় ঐতিহ্য বহন কৰি বৰ্তমানৰ ৰূপ পৰিগ্ৰহ কৰিছে। লিপিসমূহে অকল বৰ্ণমালাৰ পূৰ্বৰ ৰূপেই বহন নকৰে, এই লিপিসমূহৰ মাজেৰে অসমীয়া সমাজৰ বিভিন্ন দিশো প্ৰতিফলিত হৈছে। ৰজা-মহাৰজাৰ দান-বৰঙণি, সমাজ জীৱনলৈ অৱদান, পাইক প্ৰথাৰ পৰা আৰম্ভ কৰি ব্ৰহ্মোত্তৰ-দেৱোত্তৰ মাটিৰ হিচাপ, উৎসৱ-পাৰ্বণ, কামাখ্যা মন্দিৰত দিয়া এক লাখ বলি, কামৰূপৰ বৰুৱা,

বৰকায়স্থ, চৌধুৰী, পাটোৱাৰী, তালুকদাৰ, ঠাকুৰীয়া আদিক ৰজাই জনোৱা বাৰ্তাকে ধৰি ভূমি ক্রয়-বিক্রয়ৰ হিচাপ ইত্যাদি বিভিন্ন সমসাময়িক কথা-কাৰ্যৰ দলিল বুলি লিপিসমূহক বিনাদ্বিধাই ক'ব পাৰি। "শলগুৰীয়া মহন্তৰ মনুষ্য ক্রয়ৰ পত্র" ফলিৰ পৰা জনা যায় "বন্দী বেচা-কিনা কাৰবাৰ দেখ্‌দেখ্‌কৈ হৈছিল। ভাল জাতৰ একোটা মৰদৰ দাম প্ৰায় কুৰি টকা মানকৈ আৰু বেয়া জাত বুলি ধৰা এজনী ছোৱালীৰ দাম তিনি টকা হৈছিল।" আমাৰ আলোচ্য গৱেষণা পত্ৰত নিৰ্বাচিত কিছুসংখ্যক লিপিক সমল হিচাপে লৈ অধ্যয়ন কৰা হ'ব। এই অধ্যয়নৰ পৰা প্ৰাচীন অসমীয়া সমাজৰ বিভিন্ন দিশ পোহৰলৈ আহিব বুলি আমাৰ বিশ্বাস।

**বীজ শব্দ ঃ** দেৱালয়, দেৱ-দেৱী, আহোম ৰজা, সত্ৰ।

# নব্য মাধ্যমত অসমীয়া ভাষা ঃ এক চমু অৱলোকন

■ ড° টুলুমণি গগৈ

*সহকাৰী অধ্যাপক, জে.ডি.এছ.জি কলেজ,বোকাখাত*

অসমীয়া ভাষাৰ এক সমৃদ্ধিশালী ইতিহাস আছে। পালি-প্ৰাকৃত-অপভ্ৰংশৰ মাজেৰে আহি ঊনবিংশ শতিকাত অভিধান-ব্যাকৰণৰ ৰীতিৰে সৈতে পুষ্ট হোৱা অসমীয়া ভাষা অসমৰ ৰাজ্যভাষা। ভাষাৰ এটা নিজা বৈশিষ্ট্যই হৈছে ই পৰিৱৰ্তনশীল। কিন্তু সেই পৰিৱৰ্তনশীল বৈশিষ্ট্যই ভাষাটোলৈ অধিক সম্ভাৱনা কঢ়িয়াই আনিলেও কিছু সময়ত সংকট মাতি আনে। বৰ্তমান বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ বহুল প্ৰচলনৰ প্ৰভাৱ ভাষাৰ ক্ষেত্ৰখনতো পৰা পৰিলক্ষিত হয়। বিজ্ঞানৰ অৱদান নব্য মাধ্যমত অসমীয়া ভাষাই কেনে ৰূপ লাভ কৰিছে সেয়া অধ্যয়ন কৰাৰ যথেষ্ট প্ৰাসংগিকতা আছে। কাৰণ বৰ্তমান সময় হৈছে বিশ্বায়নৰ সময় আৰু বৈদ্যুতিন মাধ্যমৰ সময়। ভাষাটো মানুহৰ মুখে মুখে কেনেদৰে চলি আছে সেয়াও যদি চোৱা যায় তেতিয়া দেখা যায় যে বহু ক্ষেত্ৰত তাতো নব্য মাধ্যমে প্ৰভাৱ পেলাই আছে আৰু ভাষাটোলৈ বহু দিশত নতুনত্ব আহিছে। বহু ভাষাৰ শব্দৰ লগতে ভাষাটোৰ বৈয়াকৰণিক দিশলৈও যেন নতুনত্ব কিছুমান সোমাই আহিছে। এই আলোচনা পত্ৰখনৰ মূল উদ্দেশ্যেই হৈছে নব্য মাধ্যমত অসমীয়া ভাষাই কেনে ৰূপ পাইছে তাৰ আলোকপাত কৰা আৰু তাৰ ইতিবাচক-নেতিবাচক প্ৰভাৱসমূহৰ অধ্যয়ন কৰা। ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা লাভ কৰা অসমীয়া ভাষা বৰ্তমান সময়ত মানুহৰ মুখত বা মানুহৰ মাজত কেনেদৰে প্ৰচলিত হৈ আছে সেয়া অধ্যয়ন কৰা প্ৰাসংগিক বুলি অনুভৱ কৰি এই আলোচনা পত্ৰ প্ৰস্তুত কৰা হৈছে। বিশ্লেষণাত্মক পদ্ধতিৰে বিভিন্ন নব্য মাধ্যমৰ সহায় লৈ এই আলোচনা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**বীজ শব্দ ঃ** নব্য মাধ্যম, বিশ্বায়ন, অসমীয়া ভাষা, ভাষা পৰিৱৰ্তন, ভাষিক সংকট।

# বিশ্বায়নৰ প্ৰভাৱ আৰু শিশুৰ ভাষা ঃ এক অধ্যয়ন

■ **নয়ন মণি দেৱী**
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া*

বৰ্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱে সকলো বস্তুৰ ওপৰতে প্ৰভাৱ বিস্তাৰ কৰিছে। খাদ্যৰ পৰা পোছাক-পৰিচ্ছদ, জীৱন ধাৰণ প্ৰক্ৰিয়াৰ পৰা নীতি-নিয়ম, আ-অলংকাৰৰ পৰা প্ৰসাধন সামগ্ৰী, আচাৰ-ব্যৱহাৰৰ পৰা ভাষালৈ সকলোতে আমি বিশ্বায়নৰ প্ৰভাৱ দেখা পাইছোঁ। বিশ্বায়নৰ প্ৰভাৱে প্ৰাপ্তঃবয়স্কসকলৰ ভাষাৰ ওপৰত যিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে তেনেদৰে শিশুসকলৰ ভাষাৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছে। ভাষা হৈছে মানুহৰ মনৰ ভাৱ আদান-প্ৰদানৰ মাধ্যম। বৰ্তমান বিশ্বায়নৰ সময়ত শিশুৰ মনৰ ভাৱ আদান-প্ৰদানতো বহুত পাৰ্থক্য আমি দেখিবলৈ পাওঁ। ম'বাইল ফোন, টি.ভি আদিৰ জৰিয়তে আজিৰ শিশুৱে বিভিন্ন মিশ্ৰিত ভাষা ক'বলৈ শিকিছে। এটি যদি অসমীয়া শব্দ উচ্চাৰণ কৰে তাৰ লগে লগে আন দুটি ইংৰাজী বা হিন্দী শব্দ একেলগে উচ্চাৰণ কৰা দেখা যায়। এয়া একমাত্ৰ বিশ্বায়নৰ প্ৰভাৱৰ ফল। মোৰ এই ক্ষুদ্ৰ গৱেষণা পত্ৰৰ জৰিয়তে বিশ্বায়নে কিদৰে শিশুৰ ভাষাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে সেই বিষয়ে আলোকপাত কৰাৰ চেষ্টা কৰা হ'ব। পত্ৰখন প্ৰস্তুত কৰোতে সমীক্ষাত্মক তথা বিশ্লেষণাত্মক পদ্ধতিৰ অৱলম্বন কৰা হৈছে। ম'বাইল ফোনৰ অধিক মাত্ৰা ব্যৱহাৰৰ বাবে আজিৰ শিশুৱে কাৰ্টুন চৰিত্ৰৰ দৰেই কথা ক'বলৈ শিকিছে বিশ্বায়নৰ প্ৰভাৱে ইয়াৰ মূল কাৰণ। গৱেষণা পত্ৰখনৰ জৰিয়তে বিশ্বায়নৰ প্ৰভাৱে শিশুৰ ভাষাক কিদৰে প্ৰভাৱান্বিত কৰিছে সেই বিষয়ে আলোচনা কৰা হৈছে।

**বীজ শব্দ ঃ** বিশ্বায়ন, মাতৃভাষা, শিশুৰ ভাষা

# অসমীয়া ভাষাৰ সংৰক্ষণ আৰু সংবৰ্ধনত পদ্মনাথ শ্ৰব্য অভিধানৰ ভূমিকা ঃ এটি বিশ্লেষণ

■ **কমল কুলি**

*সহকাৰী অধ্যাপক,অসমীয়া বিভাগ*

*পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়,বিহালী।*

অসমীয়া অভিধান প্ৰণয়নৰ পৰম্পৰা ডেৰশবছৰ পুৰণি। বিৱৰ্তিত সময়ৰ লগে লগে অভিধান প্ৰস্তুতৰ মাধ্যমে ডিজিটেল পৰ্যায়ত উপনীত হৈছে। সম্প্ৰতি প্ৰযুক্তিয়ে ভাষা-সাহিত্য-সংস্কৃতিৰ সংৰক্ষণ, সম্প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। সুবিধাজনক আৰু তুলনামূলকভাৱে সহজতে উপলব্ধ হোৱাৰ বাবে প্ৰযুক্তিৰ জৰিয়তে সম্প্ৰসাৰণ দ্ৰুত হৈছে। পদ্মনাথ শ্ৰব্য অভিধান আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি সম্বলিত প্ৰথম অসমীয়া ডিজিটেল শ্ৰব্য অভিধান। এই অভিধানখন প্ৰস্তুত কৰিছে অসম প্ৰকাশন পৰিষদে। এই অভিধানখন মহেশ্বৰ নেওগ, ৰজনীকান্ত দেৱশৰ্মা আৰু নৰকান্ত বৰুৱা সংকলিত আৰু সুমন্ত চলিহাৰ দ্বাৰা সংশোধিত আৰু সম্পাদিত *আধুনিক অসমীয়া অভিধানৰ* একবিংশ সংস্কৰণটোৰ আধাৰত প্ৰস্তুত কৰিছে। মনকৰিবলগীয়া যে উচ্চাৰণৰ দিশত পাঠক আৰু শ্ৰোতাক সহজতে আকৰ্ষিত কৰিছে। সঠিক আৰু প্ৰণালীবদ্ধ উচ্চাৰণত অভিধানখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে উচ্চাৰণগত সাদৃশ্যৰ পৰিৱেশ গঢ়ি তোলাত বিশেষ অৱদান থাকিব। আমাৰ আলোচনা পত্ৰখনত অসমীয়া ভাষাৰ সংৰক্ষণ আৰু সংবৰ্ধনত পদ্মনাথ শ্ৰব্য অভিধানৰ ভূমিকা কেনেধৰণৰ, উচ্চাৰণৰ শুদ্ধতা বিচাৰ, ব্যৱহাৰকাৰীৰ উপযোগীতা, পৰম্পৰাগত অভিধানতকৈ কোনবোৰ দিশত পৃথক আদি প্ৰসংগসমূহ বিশ্লেষণ কৰা হ'ব।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, , ডিজিটেল অভিধান, পদ্মনাথ শ্ৰব্য অভিধান

# ধ্রুপদী ভাষা হিচাপে অসমীয়া ভাষা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

■ **ড° কল্পনা বৈশ্য**
*সহযোগী অধ্যাপক আৰু মুৰব্বী অসমীয়া বিভাগ*
*বি.এইচ.বি. মহাবিদ্যালয়,সৰুপেটা*

ভাষা হ'ল ভাৱ প্ৰকাশৰ মাধ্যম। ভাষাৰ জৰিয়তে মানৱে মনৰ ভাৱ প্ৰকাশ কৰে,ভাৱৰ আদান-প্ৰদান কৰে আৰু দৈনন্দিন জীৱনৰ কাম-কাজ চলায়। কথা কোৱা আৰু বুজাৰ ক্ষমতা বংশানুক্ৰমিকভাৱে পোৱা যায় যদিও যি ভাষা কোৱা হয় সেয়া সাংস্কৃতিক সৰবৰাহৰ যোগেদি পোৱা যায়। অৰ্থাৎ ভাষা মানুহে শিকে অথবা মানুহক শিকোৱা হয়। জীৱশ্ৰেষ্ঠ মানুহৰ শ্ৰেষ্ঠ সম্পদ হৈছে ভাষা।

বিশাল ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ কথিত নব্যভাৰতীয় আৰ্যভাষাটোৱেই হ'ল অসমীয়া ভাষা। বিশেষকৈ অসমৰ বিস্তৃত ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষাটোৱে প্ৰধানভাৱে কোৱা হয়। অসমৰ ওচৰ চুবুৰীয়া মেঘালয়, নাগালেণ্ড,আৰু অৰুণাচল প্ৰদেশতো অসমীয়া ভাষাৰ প্ৰচলন থকা দেখা যায়। ভাৰতৰ উত্তৰ-পূব দিশত অৱস্থান কৰা অসম ৰাজ্যৰ ভাষা হ'ল অসমীয়া । অসম প্ৰদেশৰ পূৰ্বৰ নাম আছিল 'কামৰূপ' আৰু 'প্ৰাগজ্যোতিষপুৰ। মূলতঃ ত্ৰয়োদশ শতিকাত টাই গোষ্ঠীয় আহোমসকল অসমলৈ আগমন হোৱাৰ পৰৱৰ্তী সময়ৰ পৰাই এই ভূ-খণ্ডৰ নাম 'অসম' নামেৰে জনাজাত হয় আৰু ইয়াত বাস কৰা লোকসকলক অসমীয়া আৰু তেওঁলোকৰ ভাষাক অসমীয়া ভাষা নামেৰে নামকৰণ কৰা দেখা যায়।

আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ দৰে অসমীয়া ভাষাও খ্ৰীষ্টাব্দ দশম শতিকাৰ পৰা প্ৰাদেশিক ৰূপ লাভ কৰিবলৈ অগ্ৰসৰ হৈছে। এইক্ষেত্ৰত অসমীয়া ভাষাৰ সাহিত্যিক নিদৰ্শন পোৱা যায় চতুৰ্দশ শতিকাৰ পৰা। দশম

শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ এই সময়খিনিত তামৰ ফলি, শিলালিপি, সহজযান বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ চৰ্যাপদসমূহৰ ভাষাৰ পৰাই পোৱা যায়।

অসমীয়া ভাষাই নিজৰ প্ৰাচীনতাৰ প্ৰমাণ খ্ৰীঃপূঃ ১৫ শতিকামানৰ পৰাই লিখিত নিদৰ্শনৰ জৰিয়তে দাঙি ধৰিছে। সমাজ-সংস্কৃতিৰ ব্যাপকতাই ভাষাত শব্দৰ যি ভাণ্ডাৰ সেই ভাণ্ডাৰৰ ব্যাপকতা বৃদ্ধি কৰে। কাৰণ অসমীয়া ভাষাত প্ৰাপ্ত প্ৰাচীনতম শিলালেখ,তাম্ৰলিপিসমূহৰ পৰাই ভাষাটোৰ প্ৰাচীনতাৰ উৎকৃষ্ট নিদৰ্শন পাব পৰা যায়। অসমীয়া ভাষা স্বতঃস্ফূৰ্ত ভাৱে প্ৰাচীন কামৰূপ ভূমিতে জন্ম লাভ কৰি ক্ৰমান্বয়ে এক শক্তিশালী ভাষা হিচাপে স্বীকৃতি পাইছে। এই ভাষা কোনো আন ভাষাৰ পৰা জন্ম লাভ কৰা নাই। অসমীয়া ভাষাই নিজৰ প্ৰাচীনত্ব আৰু প্ৰামাণিক তথ্য থকা হেতুকে ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিছে। ভাৰত চৰকাৰে ধ্ৰুপদী ভাষা সম্পৰ্কত বান্ধি দিয়া চৰ্ত অনুসৰি ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰা ভাষাটোৰ প্ৰাচীনতা ১৫০০-২০০০ বছৰ পুৰণি হোৱাটো প্ৰয়োজন। তাৰোপৰি ধ্ৰুপদী হিচাপে স্বীকৃত ভাষাটো মৌলিক আৰু লিখন সাহিত্যৰ ইতিহাস সম্পূৰ্ণ নিজৰ হোৱাটো প্ৰয়োজন। এই সম্পৰ্কত ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। আমাৰ এই আলোচনা পত্ৰত 'ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' সম্পৰ্কে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে। আশাকৰা হৈছে এই ধৰণৰ অধ্যয়নে ন ন গৱেষক-গৱেষিকাসকলক নতুন পথৰ সন্ধান দিব। এই অধ্যয়নৰ মূল লক্ষ্য আৰু উদ্দেশ্য হৈছে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ বিশেষ কাৰক হিচাপে চিহ্নিত ইয়াৰ বহুভাষিক স্থিতি সম্বন্ধে জ্ঞাত হোৱা আৰু অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ভাষাটোৰ প্ৰাচীনতাৰ প্ৰামাণিক দিশসমূহৰ বিষয়ে বিদ্যায়তনিক দিশত আলোকপাত কৰা। আশা কৰা হৈছে এই ধৰণৰ অধ্যয়নৰ জৰিয়তে গৱেষকসকলৰ বাবে এক বিদ্যায়তনিক দিশত অধ্যয়নৰ নতুন পথ প্ৰশস্ত হ'ব।

**বীজ শব্দ ঃ** প্ৰাদেশিক, ধ্ৰুপদী, বহুভাষিক,কাৰক

# ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰাপ্তি আৰু ক্ৰমহ্ৰাসমান অসমীয়া ভাষাৰ ব্যৱহাৰ

■ **নীলাক্ষী শৰ্মা**
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*টিহু মহাবিদ্যালয়, টিহু*

অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰাপ্তি অসমীয়াৰ বাবে এক অতীব সন্তোষজনক দিশ। অসমীয়া ভাষাৰ ঐতিহ্যক বিচাৰ-বিশ্লেষণ কৰি শেহতীয়াভাৱে এই মৰ্যাদা প্ৰদান কৰা হৈছে। এই মৰ্যাদা প্ৰাপ্তিয়ে অসমবাসীক আনন্দিত কৰি তুলিছে। কিন্তু এনে স্বীকৃতি প্ৰাপ্তিও এচাম সচেতন, চিন্তাশীল অসমীয়াক অনবৰত ব্যথিত কৰি তুলিছে। চকুত লগাকৈ অসমীয়া ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা দিনক দিনে কমি আহিছে। শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষাৰ ব্যৱহাৰো কমি আহিছে। সংখ্যাগতভাৱে অসমীয়া ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা কম হোৱাৰ কাৰণ ইয়াত বিচাৰ কৰা হ'ব। ধ্ৰুপদী মৰ্যাদা প্ৰাপ্তিৰ বিষয়ে সচেতন তথা এই মৰ্যাদা প্ৰাপ্তিয়ে অসমীয়া ভাষালৈ অনা সুযোগৰ বিষয়ে আলোচনা কৰা হ'ব। ধ্ৰুপদী স্বীকৃতিয়ে অসমীয়া ভাষালৈ অনা সুযোগ আমি কিমান সফলভাৱে ল'ব পাৰিম তাৰ বিষয়ে ইয়াত বিচাৰ কৰা হ'ব। প্ৰতিজন অসমীয়াৰ কৰণীয় কি হ'ব তাৰ বিষয়ে চৰ্চা কৰা হ'ব। ভৱিষ্যতৰ সময়ত অসমীয়া ভাষা অসমত প্ৰৱাহমান হৈ থাকিবলৈ প্ৰতিজন অসমীয়াই ভাষাটোৰ প্ৰতি সচেতন, দায়িত্বশীল হোৱাটো বাঞ্ছনীয়।

**বীজ শব্দ ঃ** ভাষা, ধ্ৰুপদী, অসমীয়া, মৰ্যাদা, ক্ৰমহ্ৰাসমান।

# অসমীয়া ভাষাৰ ঐতিহ্য বিচাৰত প্ৰত্নতাত্ত্বিক সমলৰ ভূমিকা

■ ড° নীলোৎপল শৰ্মা
■ কুকুমণি শৰ্মা
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*নৰ্থ কামৰূপ কলেজ, বাঘমাৰা*

ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে মন্তব্য কৰিছিল যে ভাষা এটাৰ লিখিত নিদৰ্শন নোপোৱালৈকে ভাষাটিৰ জন্ম পত্ৰিকা লিখা সহজ নহয়। অৰ্থাৎ ভাষা এটাৰ প্ৰাচীনতা সম্পৰ্কে জানিবলৈ হ'লে আমাৰ প্ৰাচীনতম লিখিত নিদৰ্শনৰ আৱশ্যক। সাধাৰণতে প্ৰাচীনকালত ভাষাৰ লিখিত নিদৰ্শন লাভ কৰা যায় শিলালেখ, মাটিৰ পাত্ৰ বা তাম্ৰলেখত, যাক আমি প্ৰত্নতাত্ত্বিক সমল বুলি কওঁ। অৰ্থাৎ প্ৰত্নতাত্ত্বিক সমলে ভাষা এটাৰ প্ৰাচীনতা নিৰূপণ কৰাত সহায় কৰে। ভাৰত চৰকাৰৰ আৰোপিত চৰ্ত অনুসৰি ভাৰতৰ যিবোৰ ভাষাই ১৫০০-২০০০ বছৰ পুৰণি বুলি প্ৰমাণ কৰিব পাৰে, তেনেবোৰ ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰ বাবে যোগ্য বুলি কোৱা হ'ব। অসমীয়া ভাষাৰ বেলিকা আমি চন্দ্ৰকেতুগড় ব্ৰাহ্মী লিপিৰ লেখ, মহাস্থানগড়ৰ ব্ৰাহ্মী লিপিৰ লেখ, শৰহপাদৰ দোহা, তেলীশাল-বিষ্ণুপুৰৰ মূৰ্ত্তি লেখ, নকছাৰী-ৰতনপুৰ শিলালেখ, গছতল স্তম্ভলেখ আদি পুৰাতাত্ত্বিক সমলৰ ভিত্তিত প্ৰাচীনতা নিৰূপণ কৰিব পাৰোঁ। সেয়ে ক'ব পাৰোঁ যে অসমীয়া ভাষাৰ প্ৰাচীনতা কেৱল ১৫০০-২০০০ বছৰ পুৰণিয়ে নহয়, বৰং ঋগবেদৰ সমসাময়িক। গতিকে অসমীয়া ভাষা নিশ্চিতৰূপে এক ধ্ৰুপদী ভাষা।

**বীজ শব্দ ঃ** প্ৰত্নতাত্ত্বিক, শিলালেখ, তাম্ৰলেখ।

# মধ্যযুগীয় অসমীয়া ভাষা ঃ ভট্টদেৱৰ প্ৰাসংগিকতা

■ ড° লীনা গোস্বামী
*সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ*
*নৰ্থ কামৰূপ কলেজ, বাঘমাৰা*

অসমীয়া ভাষা সাহিত্যৰ কথা ক'বলৈ হ'লে শ্ৰীভট্টদেৱৰ সাহিত্যৰ বিষয়ে নক'লে আধৰুৱা হৈ ৰ'ব। ভট্টদেৱ শঙ্কৰী যুগৰ শেষৰ আৰু উত্তৰ শঙ্কৰী যুগৰ আৰম্ভণিৰ সাহিত্যিক। তেওঁ অসমীয়া গদ্য সাহিত্যৰ জনক। শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ ৰচনাৰে অসমীয়া জনসাধাৰণৰ মাজত পৰিচিত হৈ পৰা বৈষ্ণৱ ধৰ্মৰ মূল গ্ৰন্থ ভাগৱত আৰু গীতা-ৰত্নাৱলীৰ কথা ৰূপ দি শ্ৰীভট্টদেৱে অসমীয়া গদ্য সাহিত্যৰ পাতনি মেলে। শ্ৰীভাগৱত কথাৰ গদ্যত সংস্কৃত শব্দৰ ব্যৱহাৰ আন দুখন গ্ৰন্থ শ্ৰীগীতা কথা আৰু শ্ৰীভক্তি ৰত্নাৱলী কথাতকৈ বেছি যদিও সংস্কৃত শব্দৰে ভাৰাক্ৰান্ত নহয়। শ্ৰীভক্তি ৰত্নাৱলী কথাৰ গদ্য অসমীয়া ভাষাৰ নিচেই ওচৰ চপা। তেওঁৰ গদ্যশৈলীৰ বিশ্লেষণ কৰিলে দেখা যায় যে, গদ্যশৈলীত অসমীয়া ব্যাকৰণৰ নীতি-নিয়ম মানি চলা হৈছে। শ্ৰীভট্টদেৱে ব্যৱহাৰ কৰা শব্দ, কাল, পুৰুষ, বাক্য গাঁথনি আদি সকলো দিশতে অসমীয়া ভাষাৰ ব্যাকৰণৰ ৰীতি দেখা যায়। আনকি আধুনিক অসমীয়া ভাষাৰ শব্দ, তথা কাল, পুৰুষ, বাক্য-বচন ইত্যাদিতো ব্যাকৰণৰ নিয়মৰ মিল আছে। এই আলোচনা পত্ৰত মধ্যযুগীয় অসমীয়া ভাষাৰ বিকাশত ভট্টদেৱৰ প্ৰাসঙ্গিকতা সম্পৰ্কে আলোচনা কৰা হ'ব।

**বীজ শব্দ ঃ** ভট্টদেৱ, গদ্যশৈলী।

# ধ্ৰুপদী অসমীয়া ভাষাঃ ইতিহাস, সংশয় আৰু সম্ভাৱনা

■ **ড° প্ৰীতিৰেখা দত্ত**

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,*

*বি এইচ বি মহাবিদ্যালয়, সৰুপেটা*

এটা ভাষাই এটা জাতিক এটা সংস্কৃতি দান কৰাটো ভাষাটোৰ এটা প্ৰয়োজনীয় ধ্ৰুপদী গুণ। এটা জাতিৰ জাতীয় ভাষা, সাহিত্য আৰু সংস্কৃতিৰ চিন্তা-চৰ্চাৰ ব্যাপ্তি আৰু গভীৰতাই সেই জাতিটোৰ মহত্ত্ব, স্বতন্ত্ৰতা আৰু গৰিমা প্ৰকাশ কৰে বুলি "অসমত ভাষা চৰ্চাৰ ইতিহাস" শীৰ্ষক প্ৰৱন্ধত বসন্ত কুমাৰ গোস্বামীয়ে উল্লেখ কৰিছে। অসমীয়া ভাষাৰ নিজা লিপি থকাৰ উপৰিও আছে ভাষাবিজ্ঞানসন্মত ব্যাকৰণ। ২০২৪ চনৰ ৩ অক্টোবৰ তাৰিখে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা প্ৰদান কৰা হয়। ভাৰতীয় ভাষা চৰ্চাৰ ইতিহাসলৈ চালে দেখা যায় যে, প্ৰাচীন ব্যাকৰণ চৰ্চাৰ মাধ্যমেৰে ভাষাৰ শুদ্ধতা নিৰূপণৰ পৰম্পৰা এটা পূৰ্বতেই গঢ়ি উঠিছিল। কিন্তু অসমত ঊনবিংশ শতিকাৰ চতুৰ্থ দশকৰ পৰাহে ব্যাকৰণ ৰচনাৰ যোগেদি ভাষা চৰ্চাৰ শুভাৰম্ভ হয়। প্ৰাচীন শিলালিপি, তাম্ৰলিপিৰ নিদৰ্শন, হিউৱেন চাঙৰ টোকা, মৃৎ-মোহৰ ইত্যাদিয়ে অসমত ইতিহাসে ঢুকি নোপোৱা কালৰ পৰাই কথিতৰ উপৰিও লিখিত পৰম্পৰা এটাৰ প্ৰচলন থকাৰ ইংগিত বহন কৰে। ২০০৪ চনত তামিল ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা লাভ কৰাৰ পৰা ২০০৫ চনত সংস্কৃত, ২০০৮ চনত কানাড়া আৰু তেলেগু, ২০১৩ চনত মালায়ালম, ২০১৪ চনত উড়িয়া আৰু শেষত ২০২৪ চনত অসমীয়া, পালি, প্ৰাকৃত, বাংলা আৰু মাৰাঠী ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা লাভ কৰালৈকে এক সুদীৰ্ঘ ইতিহাস। ২০০৪ চনৰ চনৰ পৰা ২০২৪চনলৈকে সুদীৰ্ঘ কাল ধ্ৰুপদী ভাষাৰ

স্বীকৃতিৰ বাবে অসমীয়া ভাষা কিয় ৰ'ব লগা হ'ল সেইয়া এক গুৰুত্বপূৰ্ণ আৰু বিচাৰ্যৰ বিষয় হোৱাৰ লগতে নৱপ্ৰজন্মৰ বাবে গৱেষণাৰো বিষয়। সেই মহান উদ্দেশ্য আগত ৰাখিয়েই "ধ্ৰুপদী অসমীয়া ভাষাঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা" শীৰ্ষক আলোচনা চক্ৰৰ মূল বিষয়ৰ লগত সংগতি ৰাখি "ধ্ৰুপদী অসমীয়া ভাষাঃ ইতিহাস, সংশয় আৰু সম্ভাৱনা" শীৰ্ষক বিষয়ত এখনি আলোচনা পত্ৰ প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে। মূল আলোচনা পত্ৰখনত ধ্ৰুপদী ভাষাৰ সংজ্ঞা, ধ্ৰুপদী ভাষা স্বীকৃতিৰ চৰ্তাৱলীসমূহৰ বিশ্লেষণ, অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ লগতে ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ সংশয় আৰু ভৱিষ্যৎ সম্ভাৱনা সম্পৰ্কে বিশদভাৱে বিশ্লেষণ আগবঢ়াবলৈ যত্ন কৰা হ'ব।

**বীজ শব্দ ঃ** ধ্ৰুপদী, অসমীয়া, মৰ্য্যাদা।

# অসমীয়া ভাষাৰ বিকাশত প্ৰাক শংকৰী যুগৰ সাহিত্যিক সমলৰ ভূমিকা

## (মাধৱ কন্দলী ৰামায়ণৰ বিশেষ উল্লিখনসহ)

■ **দিগন্ত শৰ্মা**

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

*কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়*

পৃথিৱীত বাস কৰি থকা প্ৰায় প্ৰত্যেক জাতিৰে এটা নিজস্ব ভাষা আছে আৰু তাৰ মাধ্যমেৰে সাহিত্য গঢ় লোৱা দেখা যায়। জাতীয় সাহিত্য হ'ল এটা জাতিৰ আশা আকাংক্ষা, আনন্দ-বেদনা আৰু ভাৱ-কল্পনা প্ৰকাশৰ অন্যতম স্থল। অসমীয়া সাহিত্য প্ৰকাশৰ অন্যতম মাধ্যম হ'ল অসমীয়া ভাষা। অসমীয়া ভাষা আৰ্য্যভাষা সম্ভূত, কিন্তু সেই বুলি এই ভাষা কেৱল যে আৰ্য্যৱৰ্ত বা উত্তৰ ভাৰতৰ পৰা অহা আৰ্য্যভাষা ভাষীসকলৰ স্বকীয় সৃষ্টি এই কথা ক'ব নোৱাৰি প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষা বিশেষেই ক্ৰম পৰিৱৰ্তনৰ মাজেদি আহি খ্ৰীষ্টীয় দশম একাদশ শতিকামানত অসমীয়া ৰূপ লবলৈ আৰম্ভ কৰে। অসমীয়া ভাষা আৰ্য্যভাষাৰ পৰা উদ্ভৱ হলেও অসমীয়া ভাষাৰ পৰিপুষ্টি সাধনৰ অসমত অতীজৰেপৰা বাসকৰা অনাৰ্য্যগোষ্ঠীয় লোকসকলৰ ভাষাৰ প্ৰভাৱ সহজে অনুমেয়। অসমীয়া ভাষাই খ্ৰীষ্টীয় দশম শতিকামানত অসমীয়া ৰূপ লবলৈ আৰম্ভ কৰে। এই দশম একাদশ শতিকাৰ পৰা চতুৰ্দশ শতিকালৈ অসমীয়া ভাষাৰ মাধ্যমত লিখিত অন্যতম সাহিত্য বুলি কলে চৰ্যাপদৰ কথা কব পাৰি। চৰ্যাপদৰ ভাষা সম্পূৰ্ণৰূপে অসমীয়া ভাষা নহ'লেও অসমীয়া ভাষাৰ মাধ্যমত লিখা প্ৰথম সাহিত্য হ'ল চৰ্যাপদ। চৰ্যাপদৰ পৰৱৰ্তী অসমীয়া লিখিত সাহিত্য বুলি ক'লে খ্ৰীষ্টীয় চতুৰ্দশ শতিকাত লিপিবদ্ধ হোৱা সাহিত্যলিপিৰ কথা কব পাৰি। এই সাহিত্যবোৰৰ ভিতৰত মাধৱ কন্দলীৰ

‘ৰামায়ণ’ অন্যতম। কন্দলীৰ ৰামায়ণৰ জৰিয়তে অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্য লাভ কৰাৰ উপৰিও উচ্চ সাহিত্যৰ ভাব প্ৰকাশ কৰিব পৰা ক্ষমতাও অৰ্জন কৰে। মাধৱ কন্দলীৰ ৰামায়ণৰ জৰিয়তে অসমীয়া ভাষাই সাহিত্যিক ৰূপ বা সাধুভাষাই এটা নিৰ্দিষ্ট গঢ় লয়। তেওঁৰ সাহিত্যিক ঠাচেই পিছৰ বৈষ্ণৱযুগৰ কবিসকলৰ হাতত পূৰ্ণতা লাভ কৰিছিল।

গৱেষণা পত্ৰখনিত মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষাই অসমীয়া ভাষাৰ বিকাশত কিদৰে সহায় কৰিছিল সেই বিষয়ে বিতংকৈ আলোচনা কৰা হব। গৱেষণা পত্ৰখনিত বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ’ব। তথ্য সংগ্ৰহৰ ক্ষেত্ৰত মুখ্য আৰু গৌণ দুয়োটা সমলৰ সহায় লোৱা হ’ব।

**বীজ শব্দ ঃ** অসমীয়া ভাষা,  ৰামায়ণ, মাধৱকন্দলী

# অসমীয়া ভাষাৰ কথ্যৰূপ ঃ কিছু পৰিৱৰ্তন আৰু বিসংগতি

■ ড° শুভশ্ৰী কলিতা তালুকদাৰ
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*সন্দিকৈ ছোৱালী মহাবিদ্যালয়*

সামাজিক প্ৰাণী হিচাপে মানুহে পৰস্পৰে পৰস্পৰৰ লগত যোগাযোগ কৰাৰ মাধ্যম হৈছে ভাষা। সমাজ যিদৰে পৰিৱৰ্তন হয়, সেইদৰে সময়ে সময়ে পৰিৱৰ্তন হয় ভাষাৰো। সেয়ে ভাষাবিজ্ঞানৰ এটা আলোচ্য বিষয় হৈছে ভাষাৰ ৰূপান্তৰকৰণ।

বৰ্তমান আমি দৈনন্দিন জীৱনত প্ৰয়োগ কৰা বা শুনি থকা অসমীয়া ভাষাৰ কথ্য ৰূপটোৰ আমূল পৰিৱৰ্তন লক্ষ্য কৰা যায়। নতুন নতুন যন্ত্ৰপাতিৰ আবিৰ্ভাব, বিভিন্ন ভাষা-ভাষী লোকৰ লগত সহাৱস্থান, ইংৰাজী মাধ্যমৰ প্ৰতি দুৰ্বলতা নতুবা সামাজিক মাধ্যমত ভাষাৰ অপপ্ৰয়োগ আদিয়ে বৰ্তমানৰ অসমীয়া ভাষাটোৰ কথনগত ৰূপত বিভিন্ন পৰিৱৰ্তন আনিছে। কিন্তু ভাষা অশুদ্ধকৈ কোৱা কথাটোৱে এই ক্ষেত্ৰত সচেতন ব্যক্তিক আঘাত দিয়ে যেন অনুভৱ হয়। কাৰণ এনে অশুদ্ধ ৰূপে ভাষাটোৰ সৌন্দৰ্য আৰু মাধুৰ্যত ব্যাঘাত জন্মায়। সেয়ে নিজৰ ভাষাটোৰ প্ৰয়োগৰ প্ৰতি প্ৰতিজন ব্যক্তি সজাগ হোৱাটো তেওঁলোকৰ দায়িত্ব।

এই আলোচনা পত্ৰৰ মাজেৰে বিশ্লেষণাত্মক পদ্ধতিৰে অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দতাত্ত্বিক আৰু বাক্যতাত্ত্বিক দিশত কথ্যৰূপত থকা কিছু বিসংগতি বা পৰিৱৰ্তনৰ কথা তুলি ধৰিবলৈ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ** ৰূপান্তৰকৰণ, অপপ্ৰয়োগ, অশুদ্ধৰূপ।

# বিশ্বায়নৰ প্ৰভাৱত অসমীয়া ভাষা

■ **সুৰভি বিকাশ বৰা**
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,*
*সন্দিকৈ ছোৱালী মহাবিদ্যালয়*

বিশ্বায়ন এনে এক কাৰক যি এখন ঠাইৰ ভৌগোলিক সীমা পাৰ কৰি সমাজ-অৰ্থনীতি-সংস্কৃতিক আন আন ঠাইৰ লগত অনায়াসে একত্ৰিত কৰি ৰাখিব পাৰিছে। বিশ্বৰ প্ৰতিখন দেশক বিশ্বায়নে যিদৰে একত্ৰিত কৰিছে সেইদৰে ভাষাৰ ওপৰতো বিশ্বায়নৰ প্ৰভাৱ পৰিছে। বিশ্বায়নৰ প্ৰভাৱত বহুতো ইতিবাচক-নেতিবাচক দিশ ভাষাৰ বাক্‌ধাৰা,ভাষাৰ ব্যাকৰণিক দিশ,ভাষাৰ বিভিন্নতাৰ ওপৰত আহি পৰিছে। অসমীয়া ভাষাৰ ওপৰতো এনেধৰণৰ দিশ সমূহে ক্ৰিয়া কৰিছে। সাম্প্ৰতিক সময়ত প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰণে ইংৰাজী ভাষাৰ প্ৰতি আগ্ৰহ আৰু এই ভাষাই অসমীয়ালৈ আনি দিয়া সংকটে বিশ্বায়নৰ প্ৰভাৱকে সূচায়। অসমীয়া ভাষাৰ বাক্‌ধাৰা, ব্যাকৰণিক দিশ আদিলৈ বিশ্বায়নৰ প্ৰভাৱত আহি পৰা পৰি ৱৰ্তন আৰু পৰিৱৰ্তনৰ বিশিষ্টতাবোৰ বিশ্লেষণাত্মক দৃষ্টিভংগীৰে আলোচনা কৰাৰ গুৰুত্ব আছে। ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা অসমীয়া ভাষাৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱত ভাষাটোত কেনেধৰণৰ সমস্যা সৃষ্টি কৰিছে সেই সন্দৰ্ভত বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰাই হৈছে আমাৰ আলোচনা পত্ৰৰ উদ্দেশ্য।

**বীজ শব্দ ঃ** বিশ্বায়ন,অসমীয়া ভাষা,ভাষাৰ বাকধাৰা,ভাষাৰ বিভিন্নতা,ভাষাৰ সংকট।

# চলচ্চিত্ৰত অসমীয়া ভাষা ঃ এক বিশ্লেষণ

■ **ৰাজেন চন্দ্ৰ দাস**
*সহকাৰী অধ্যাপক, দৰ্শন বিভাগ*
*নিৰ্মল হালৈ মহাবিদ্যালয়,পাটাছাৰকুছি*

অসমীয়া ভাষাই অসমৰ সাহিত্য, সংগীত আৰু সংস্কৃতিৰ এক অপৰিহাৰ্য অঙ্গ হিচাপে নিজৰ স্বতন্ত্ৰ পৰিচয় গঢ়ি তুলিছে।১৯৩৫ চনত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা 'জয়মতী' নামৰ চলচ্চিত্ৰৰ জৰিয়তে অসমীয়া ভাষাই প্ৰথমবাৰৰ বাবে চলচ্চিত্ৰত প্ৰৱেশ কৰিছিল।অসমীয়া ভাষাই ইতিহাসৰ পৃষ্ঠা স্বৰ্ণিল কৰি 'জয়মতী'ৰ জৰিয়তে চিনেমা উদ্যোগত নিজৰ বুনিয়াদ স্থাপন কৰিছিল। সময়ৰ পৰিৱৰ্তন আৰু প্ৰযুক্তিগত উন্নয়নৰ লগে লগে অসমীয়া চলচ্চিত্ৰত বৰ্ণিলভাৱে অসমীয়া ভাষাৰ ব্যৱহাৰ, উপভাষাৰ প্ৰয়োগ আৰু অন্যান্য ভাষাৰ প্ৰভাৱ লক্ষ্য কৰা গৈছে।

এই গৱেষণাপত্ৰত অসমীয়া ভাষাক চলচ্চিত্ৰত প্ৰয়োগৰ ঐতিহাসিক পৰিক্ৰমা, ভাষাগত বৈশিষ্ট্য, উপভাষাৰ স্থান আৰু বলিউডসহ অন্য ভাষাৰ চলচ্চিত্ৰত প্ৰভাৱৰ ওপৰত বিশেষভাৱে আলোচনা কৰা হৈছে। লগতে, চলচ্চিত্ৰত শুদ্ধ অসমীয়া ভাষা নে উপভাষাৰ প্ৰয়োগ অধিক উপযুক্ত-এই বিতৰ্কৰ ওপৰত এক অৱলোকন কৰা হৈছে। তাৰোপৰি এই গৱেষণাপত্ৰত অসমীয়া ভাষাৰ চলচ্চিত্ৰৰ সীমিত দৰ্শকশ্ৰেণী, ডিজিটেল মাধ্যমৰ প্ৰভাৱ আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভৰ সমস্যা আদি বিষয়সমূহ অধ্যয়ন কৰা হৈছে। সমান্তৰালভাৱে ,এই গৱেষণাপত্ৰত অসমীয়া ভাষা আৰু চলচ্চিত্ৰৰ ভৱিষ্যৎ দিশ সন্দৰ্ভত এক অৱলোকন কৰা হৈছে। সেই অনুসৰি অসমীয়া ভাষাৰ চলচ্চিত্ৰৰ সংৰক্ষণ, উন্নয়ন আৰু বিশ্বব্যাপী প্ৰচাৰৰ বাবে সম্ভাব্য উপায়সমূহ

এই গৱেষণাপত্ৰত প্ৰণালীবদ্ধ প্ৰক্ৰিয়াৰে আলোচনা কৰা হৈছে। এই গৱেষণালব্ধ অধ্যয়নত ডিজিটেল প্লেটফৰ্মৰ উপযুক্ত ব্যৱহাৰ, চৰকাৰী তথা বেচৰকাৰী পৃষ্ঠপোষকতা বৃদ্ধি আৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অসমীয়া চলচ্চিত্ৰৰ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। অসমীয়া ভাষাৰ সংৰক্ষণ, বিকাশ আৰু বিশ্বজনীন স্বীকৃতিৰ ক্ষেত্ৰত চলচ্চিত্ৰই এক শক্তিশালী মাধ্যম হিচাপে কাম কৰিব পাৰে। যুগান্তকাৰী তথা যুগসাপেক্ষ নীতি আৰু প্ৰযুক্তিগত অভিযোজনাৰ জৰিয়তে অসমীয়া ভাষাৰ চলচ্চিত্ৰসমূহক অধিক দৰ্শকৰ ওচৰলৈ লৈ যোৱাটো সম্ভৱ হব পাৰে। এই প্ৰচেষ্টাই অসমীয়া ভাষা আৰু সংস্কৃতিক আগন্তুক প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাৰ পথ প্ৰশস্ত কৰিব।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, চলচ্চিত্ৰ, ভাষাগত সংৰক্ষণ, উপভাষা, বলিউডৰ প্ৰভাৱ, ডিজিটেল মিডিয়া, আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ উৎসৱ,ভাষাৰ সংৰক্ষণ আৰু চলচ্চিত্ৰ নীতি।

# অসমীয়া ভাষা আৰু নব্য গণমাধ্যম

■ স্মিতা ৰাভা
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়*

অসমীয়া ভাষা হৈছে ভাৰতৰ পূৱ প্ৰান্তৰ এটা মুখ্য নব্য ভাৰতীয় আৰ্য ভাষা তথা অসমৰ ৰাজ্যিক ভাষা। প্ৰায় সপ্তম শতিকামানৰ পৰাই ভাষাটোৱে স্বকীয় বৈশিষ্টৰে পৰিপুষ্ট হৈ বিকাশ লাভ কৰি আহিছে। ২০২৪চনৰ ৩ অক্টোবৰ তাৰিখে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে ঐতিহাসিক স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। শিলালিপি, তাম্ৰলিপি, সাঁচিপাত, তুলাপাত আদিৰ মাধ্যমেৰে অসমীয়া ভাষাই সুদীৰ্ঘ কাল অতিক্ৰমী ছপা মাধ্যমত ভৰি থয়। বৰ্তমান অসমীয়া ভাষাটো কেৱল ছপা মাধ্যমত আবদ্ধ হৈ নাথাকি বৈদ্যুতিন মাধ্যমত প্ৰৱেশ কৰিছে। বৈদ্যুতিন মাধ্যমে গোটেই বিশ্বকে এক ক্ষুদ্ৰ গোলকত পৰিণত কৰাৰ ফলত বিশ্বৰ সকলো খবৰ আমি পলকতে পাবলৈ সক্ষম হৈছোহঁক। বৰ্তমান ই গণসযোগৰ এক বৃহৎ ভূমিকা পালন কৰি আহিছে। বৈদ্যুতিন মাধ্যমৰে এটা দিশ হৈছে নব্য গণমাধ্যম। সম্প্ৰতি নব্য গণমাধ্যম এক বহুচৰ্চিত বিষয়। ব্লগ, ৱিকিপিডিয়া, সামাজিক মাধ্যম, যেনে ঃ ফেচবুক, ৱাটছ্ এপ, ইউটিউব আদি এপ্লিকেছনৰ বিভিন্ন দিশ নব্য গণমাধ্যমে সাঙুৰি লয়। এই নব্য গণমাধ্যমৰ বিভিন্ন শাখাবোৰত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ বহুল পৰিমানে হ'বলৈ ধৰিছে। কিন্তু কেৱল প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰতে আৱদ্ধ নাথাকি অসমীয়া ভাষাটো নব্য গণমাধ্যম সমূহত কিদৰে ব্যৱহাৰ কৰা হৈছে বা সেই মাধ্যমসমূহত ভাষাটোক সঠিক ৰূপত ৰূপায়ণ কৰা হৈছে নে নাই সেই বিষয়ে আলোচনা কৰাই হৈছে আলোচনা পত্ৰখনিৰ মুখ্য উদ্দেশ্য।

**বীজ শব্দ ঃ** অসমীয়া ভাষা , ধ্ৰুপদী , নব্য গণমাধ্যম

# পুৰণি অসমীয়া অনুবাদ সাহিত্য আৰু অনুবাদ ৰীতি

■ ড° হিৰুমনি কলিতা
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী*

অনুবাদ বৰ্তমান সময়ৰ এটি উল্লেখযোগ্য আৰু অপৰিহাৰ্য বিষয়। অতি প্ৰাচীন কালৰেপৰা ভাৰতীয় সাহিত্যত অনুবাদৰ পৰম্পৰা দেখা যায়। উপনিষদ আৰু ব্ৰাহ্মণসমূহত অনুবাদৰ বিষয়ে উল্লেখ পোৱা যায়। এনে উল্লেখে অনুবাদ সাহিত্যৰ প্ৰাচীনত্বৰে আভাস দাঙি ধৰে। ভাৰতীয় আঞ্চলিক ভাষাৰ- সাহিত্যৰাজি মূলতঃ সংস্কৃত পুৰাণ-উপনিষদৰ লগতে ৰামায়ণ, মহাভাৰত আদি মহাকাব্যসমূহৰ পৰা অনুবাদৰ মাধ্যমেদি আহি বৰ্তমানৰ অৱস্থাত উপনীত হৈছেহি। কোনো এটা ভাষাৰ সাহিত্যিক সমৃদ্ধিৰ ক্ষেত্ৰত অনুবাদ সাহিত্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। অনুবাদৰ যোগেদিহে ভাষা এটাৰ অন্তৰ্গত সাহিত্যৰাজিৰ মান নিৰ্ণয় কৰিব পাৰি। অসমীয়া সাহিত্যয়ো প্ৰাচীন কালৰেপৰা অনুবাদ সাহিত্যৰ পৰম্পৰা বহন কৰি আহিছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰাক্-শংকৰী, শংকৰী আৰু শংকৰোত্তৰ এই তিনিওটা যুগতেই অনুবাদৰ পৰম্পৰা দেখা যায়। মাধৱ কন্দলীয়ে সুদূৰ চতুৰ্দশ শতিকাতে বাল্মীকিৰ ৰামায়ণখন অসমীয়ালৈ অনুবাদ কৰি সমগ্ৰ ভাৰততে অসমৰ গৌৰৱ বৃদ্ধি কৰিছে। এই গৱেষণা পত্ৰত পুৰণি অসমীয়া সাহিত্যৰ ওপৰত আলোকপাত কৰি নিৰ্বাচিত কিছু সংখ্যক অনূদিত গ্ৰন্থৰ অনুবাদ ৰীতিৰ চমু আভাস দাঙি ধৰা হ'ব।

**বীজ শব্দ ঃ** ৰামায়ণ, ভাগৱত, দশম, নামঘোষা, ভাবানুবাদ, সাৰানুবাদ, ব্যাখ্যানুবাদ, পুনঃসৃজন।

# ডিজিটেল মাধ্যমত অসমীয়া ভাষাৰ নব্য লিখন-সঁজুলিৰ ব্যৱহাৰ

**■ ড° খনিকৰ মাউত**
*সহকাৰী অধ্যাপক, বৰভাগ মহাবিদ্যালয়*
*কালাগ, নলবাৰী*

সাম্প্ৰতিক সময়ৰ বিকশিত প্ৰযুক্তিবিদ্যাৰ যুগত ডিজিটেল ৰাইটিং (Writing)আৰু প্ৰিণ্টিং (Printing) ব্যৱস্থা অতি সহজ হৈ উঠিছে। পৰম্পৰাগতভাৱে চলি অহা কাগজ-কলমৰ সলনি বৰ্তমান কম্পিউটাৰ আৰু মোবাইল মানুহৰ লিখনৰ সংগী হৈ পৰিছে। শিক্ষাৰ্থীৰ পৰা আৰম্ভ কৰি সাহিত্যিক, সাংবাদিক সকলোৱে এই নতুন প্ৰেক্ষাপটত নিজকে খাপ খুৱাইছে। অনলাইন (Online) বা অফলাইন (Offline) মোডত ডিজিটেল মাধ্যমত অসমীয়া লিখনৰ বাবে আটাইতকৈ প্ৰয়োজনীয় হৈছে ছফট্ৱেৰ (Software)বা এপ্‌লিকেচন (Application) ব্যৱহাৰৰ দক্ষতা। ৱিনডউজ(Windows), মেক (Mac) আইঅ'এছ (IOS) অথবা এনড্ৰইড (Android) অপাৰেটিং ছিষ্টেম (Operating System)ত কাৰ্যক্ষম হোৱা বহুকেইটা ছফট্ৱেৰ বৰ্তমান সহজেই উপলব্ধ যাৰ সহায়ত অসমীয়া লিখাটো অতি সহজ। মাইক্ৰছফট অফিচ (Microsoft Office),পেজমেকাৰ (Pagemaker), এডবি ইনডিজাইন (Adobe Indesign) আদি ৱৰ্ড প্ৰছেছৰ (Word processor) আৰু কৰেল ড্ৰ (Coraldraw), ফটোচপ (Photoshop) আদি ফটো এডিটিং ছফটৱেৰ (Photo editing software)-ত লিখিব পৰাকৈ বৰ্তমান সময়ত ৰামধেনু, অসমীয়া ইজি ডিটিপি, ৰ'দালি, জাহ্নৱী, লাচিত, অভ্ৰ আদি লিখন সঁজুলিয়ে জনপ্ৰিয়তা লাভ কৰিছে। সেইদৰে ক্ৰমান্বয়ে নন ইউনিকড (Non Unicode) টাইপ ফণ্টৰ সলনি ইউনিকড (Unicode) ফণ্ট ইণ্টাৰনেট, ছছিয়েল মিডিয়াত

লিখাৰ বাবে মূল মাধ্যম হৈ পৰিছে। এআই(AI) আৰু অচিআৰ(OCR) ৰ যুগত অসমীয়া লিখন সঁজুলিৰ ক্ষেত্ৰত অহা নতুনত্বক আলোচনা কৰাই এই আলোচনা-পত্ৰৰ মূল উদ্দেশ্য। আলোচনা-পত্ৰখনৰ আলোচনাত লিখন সঁজুলিৰ পৰিচয় তথা ইয়াৰ উপযুক্ততা আৰু লাভালাভকো মূল্যায়ন কৰাৰ প্ৰয়াস কৰা হৈছে। বিষয়বস্তুৰ আলোচনাৰ বাবে আলোচনা-পত্ৰখনিত মূলতঃ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হ'ব।

**বীজ শব্দ ঃ** ইউনিকড, এআই, টাইপোগ্ৰাফী, ডিজিটেল, ডিটিপি।

# স্বাধীনতা পূৰ্বকালৰ আধুনিক অসমীয়া ভাষাৰ পৰিৱৰ্তনৰ গতিধাৰা

■ **মনমী কলিতা**
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*শদিয়া মহাবিদ্যালয়*

সমগ্ৰ ভাৰতবৰ্ষৰ বাবেই ঔপনিৱেশিক শাসনৰ কালছোৱা এক সন্ধিক্ষণৰ সময়। অসমৰ প্ৰসংগতো সমাজ, সাহিত্য-ভাষা সকলো দিশলৈ এই সময়ছোৱাই পৰিৱৰ্তন কঢ়িয়াই আনিছিল। বিশেষকৈ অসমীয়া ভাষাৰ আধুনিকীকৰণ প্ৰক্ৰিয়াত ইংৰাজৰ ঔপনিৱেশিক শাসনৰ ভূমিকা গুৰুত্বপূৰ্ণ। ব্ৰিটিছৰ শাসন, অসমৰ পৰিৱৰ্তিত শাসন ব্যৱস্থা, মিছনেৰীসকলৰ আগমন, ইংৰাজৰ ভাষা-নীতি আৰু অসমৰ স্কুল-আদালতৰ পৰা অসমীয়া ভাষা অপসাৰণ আদি কাৰকে অসমীয়া ভাষাৰ আধুনিক ৰূপ গঠন আৰু বিকাশৰ প্ৰক্ৰিয়াক বিশেষ গঢ় দিছিল। সমান্তৰালভাৱে এই পৰিৱেশে অসমীয়া ভাষাৰ প্ৰতি শাসকশ্ৰেণী, অসমীয়া আৰু মিছনেৰী সকলোৰে মনত কেতবোৰ বিশেষ মনোভংগীৰো গঢ় দিছিল। আধুনিক অসমীয়া ভাষাৰ ভাষিক ৰূপভেদসমূহৰ আঁৰত এনে ভাষা-মনোভংগীগত কাৰকে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। আনকি আধুনিক অসমীয়া ভাষাৰ একেটা উপস্তৰৰ ভিতৰতে মনোভংগীগত কাৰণে ভাষিক ৰূপভেদৰো সৃষ্টি কৰিছে। লেখক শ্ৰেণীৰ সামাজিক পৰিচয়ৰ ভিন্নতায়ো এই সময়ছোৱাৰ অসমীয়া ভাষাৰ মাজলৈ কেতবোৰ ভাষিক বিভিন্নতা কঢ়িয়াই আনিছিল। ইয়াৰ সমান্তৰালভাৱে ঔপনিৱেশিক শাসনৰ সময়ছোৱাত ভাষা-সাহিত্যৰ ইতিহাস প্ৰণেতাসকলৰ দৃষ্টিভংগীত বহুসময়ত ব্ৰিটিছ শাসনক ন্যায্যতা প্ৰদানৰ প্ৰচেষ্টা সততে আছিল। বঙলা ভাষা আৰু সেই ভাষাৰ লোকসকলে প্ৰশাসনত লোৱা ভূমিকাৰ বাবে তেওঁলোকৰ ভাষা অসমীয়াসকলৰ আদৰৰ হৈ পৰিছিল আৰু আধুনিকতা প্ৰৱেশৰ এই ধৰণটোৱে

নিজৰ ভাষাৰ প্ৰতি এচাম মানুহৰ মনত হীনমন্যতাবোধৰ জন্ম দিছিল। অৱশ্যে ইয়াৰ সমান্তৰালভাৱে মিছনেৰীসকলৰ প্ৰয়াস, আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আদিৰ ব্যক্তিগত প্ৰয়াস আৰু পৰৱৰ্তী সময়ত কলিকতা প্ৰবাসী ছাত্ৰসমাজে সমূহীয়া প্ৰচেষ্টাৰে ক্ৰমাগতভাৱে ভাষিক জাতীয়তাবাদী চেতনাৰে অসমীয়া ভাষাৰ বিকাশৰ ধাৰাতো গঢ় দিছিল। স্বাধীনতা লাভৰ পূৰ্বলৈকে সেয়ে অসমীয়া ভাষাৰ বিকাশৰ ধাৰাটো বহুপৰিমাণে ঔপনিৱেশিক শাসনৰ অংশবিশেষ আছিল।

এই গৱেষণা পত্ৰত আধুনিক অসমীয়া ভাষাৰ ৰূপগঠন আৰু বিকাশত স্বাধীনতা পূৰ্বকালৰ পটভূমিৰ প্ৰভাৱ আৰু সেই অনুযায়ী আধুনিক অসমীয়া ভাষাৰ পৰিৱৰ্তনৰ গতিধাৰা সম্পৰ্কে বিশ্লেষণ কৰা হ'ব।

**বীজ শব্দ ঃ** প্ৰাক্ স্বাধীনতা কাল, পটভূমি, মনোভংগী গঠন, ভাষাৰ গতিধাৰা।

# অসমীয়া ভাষাত দেখা দিয়া সমস্যাৱলী

■ ড° ৰিজু ৰাজখোৱা

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*

*কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়*

বৰ্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱে সমগ্ৰ পৃথিৱীকে প্ৰভাৱিত কৰিছে। সাজপাৰ, আহাৰ, জীৱন ধাৰণ প্ৰণালী, বজাৰ সকলো দিশলৈ পৰিৱৰ্তন আহিছে। গাওঁবোৰ চহৰ হ'ল। কিছুমান অঞ্চলত গাওঁ আৰু চহৰ দুয়ো প্ৰভাৱ বৰ্তমান। মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ পৰিৱৰ্তন হোৱাৰ দৰে দৈনন্দিন জীৱনত ব্যৱহৃত ভাষালৈও পৰিৱৰ্তন আহিছে। ছাত্ৰ-ছাত্ৰীৰ মাজত শুদ্ধ ৰূপত কথা-বাৰ্তা পতাৰ ক্ষেত্ৰতো বহু পৰিৱৰ্তন আহিল। বহুতে কিছু পৃথক ধৰণেই কথা ক'বলৈ ল'লে। বহুতে লিখাৰ ক্ষেত্ৰত নিজৰ ধৰণে লিখিবলৈ গৈ এক আচহুৱা ভাষাৰহে সৃষ্টি কৰিছে। এই ক্ষেত্ৰত বিশ্বায়নৰ ভূমিকাও লেখত ল'বলগীয়া। বিশ্বায়নে গোটেই পৃথিৱীৰ মানুহৰ জীৱনলৈ যিহেতু পৰিৱৰ্তন আনিছে, তেনেস্থলত ভাষালৈ পৰিৱৰ্তন অহাও স্বাভাৱিক।

অসমীয়া ভাষাই এই দেশৰ সাংস্কৃতিক, ঐতিহ্য বহন কৰি আহিছে। বিশ্ব দৰবাৰত অসমীয়া ভাষাৰ সাহিত্যই পৰিচয় দিবলৈ সক্ষম হৈছে। মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালা, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ড° মামণি ৰয়ছম গোস্বামী, হোমেন বৰগোঁহাঞি প্ৰমুখ্যে সাহিত্যিকসকলে অসমীয়া সাহিত্য-সংস্কৃতি সমৃদ্ধিশালী কৰি গৈছে। বৰ্তমান ইংৰাজী ভাষাৰ প্ৰভাৱ, আন ভাষাৰ ব্যৱহাৰ, প্ৰযুক্তিগত দিশ ইত্যাদিৰ ফলত অসমীয়া ভাষাৰ ব্যৱহাৰ আৰু প্ৰচলন সীমিত হোৱাৰ আশংকাই দেখা দিছে। এই ভাবুকিৰ পৰা ৰক্ষাৰ উদ্দেশ্যে পদক্ষেপৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমৰে পৰা অসমীয়া বিষয়টো এটা বিষয় হিচাপে পঢ়িবলৈ পালে তেওঁলোকে ভাষাটো কিছু আয়ত্ব কৰিবলৈ সক্ষম হ'ব। প্ৰচাৰ মাধ্যম, তথ্য-প্ৰযুক্তি, ইন্টাৰনেট ইত্যাদি দিশত অসমীয়া ভাষাক প্ৰাধান্য দিব লাগিব।

এই অধ্যয়নত অসমীয়া ভাষাত দেখা দিয়া কিছুমান সমস্যাৰ বিষয়ে আলোচনা কৰা হ'ব।

**বীজ শব্দ ঃ** বিশ্বায়ন, ইন্টাৰনেট, প্ৰযুক্তি

# ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা আৰু ইয়াৰ ভৱিষ্যত ঃ এক আলোচনা

■ ড° অপৰাজিতা শৰ্মা

*সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ*

*মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া*

জাতি এটাৰ অস্তিত্ব বহু পৰিমাণে ইয়াৰ ভাষা-সাহিত্য তথা সংস্কৃতিৰ ওপৰত নিৰ্ভৰ কৰে। অসমীয়া ভাষা ধ্ৰুপদী ভাষা হিচাপে সৰ্বোচ্চ সন্মানেৰে বিভূষিত হ'ল। এই সন্মানে অসমীয়া জাতিৰ অন্তৰত আৱেগৰ সঞ্চাৰ কৰি তুলিছে, যিটোৱে ভাষাটোক বিভিন্ন দিশৰ পৰা উপকৃত কৰি তুলিব। আমাৰ মাতৃভাষাই সমগ্ৰ ভাৰতবৰ্ষৰ ঐতিহ্যৰ বাহক হিচাপে বিশ্ব দৰবাৰত স্বীকৃতি লাভ কৰিলে। ধ্ৰুপদী ভাষা হিচাপে মৰ্যাদা লাভৰ জৰিয়তে প্ৰকৃততে ইয়াৰ প্ৰাচীনতা, ঐশ্বৰ্য্যশালী সাহিত্য, মূল্যবোধ, স্বকীয়তা, সংস্কৃতিৰ ধ্বজাৰ বাহক হিচাপে অসমীয়া ভাষাই জগত সভাত আনুষ্ঠানিক স্বীকৃতিৰ অধিকাৰী হয়। সেইবাবে অসমীয়া ভাষাৰ বিভিন্ন দিশৰ ওপৰত উচ্চস্তৰীয় গৱেষণা আৰু অধ্যয়ন হ'ব লাগিব। আমাৰ ভাষাটো ৰাজনৈতিক, ভৌগোলিক, সামাজিক সীমাৰেখাৰ মাজতে যেন সীমাবদ্ধ হৈ নেথাকে তাৰ বাবে প্ৰতিগৰাকী অসমীয়া সক্ৰিয় হ'ব লাগিব, ভাষাৰ শব্দসম্ভাৰ অধিক সমৃদ্ধ কৰিব লাগিব। এই ভাষা সাহিত্যৰ সবল গতিশীলতা আৰু ইয়াৰ চৰ্চা অব্যাহত ৰাখি ভাষাৰ মৰ্য্যাদা ভৱিষ্যৎ প্ৰজন্মলৈ অক্ষুণ্ণ ৰখাটো প্ৰতিগৰাকী অসমীয়াৰ এক গুৰু দায়িত্ব। ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাই কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰিব পৰা সুবিধাসমূহৰ সু-প্ৰয়োগ কৰি এই ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি কৰি ইয়াৰ সুৰক্ষা সুনিশ্চিত কৰিব লাগিব।

**বীজ শব্দ ঃ** ধ্ৰুপদী ভাষা, সংস্কৃতিৰ বাহক, ঐশ্বৰ্য্যশালী সাহিত্য।

# প্ৰাক্শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ এক আলোচনা

■ ড° ৰুমি কলিতা দাস

*সহকাৰী অধ্যাপিকা*

*অসমীয়া বিভাগ, দমদমা মহাবিদ্যালয়*

অসমীয়া সাহিত্যৰ ইতিহাসত প্ৰাক্শংকৰী যুগৰ শ্ৰেষ্ঠ কবি গৰাকী হ'ল- অপ্ৰমাদী কবি মাধৱ কন্দলি। খৃঃ চৰ্তুদশ শতিকাত বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত বাল্মিকীৰ ৰামায়ণৰ গৌড়ীয় সংস্কৰণৰ আধাৰত সপ্তকাণ্ড ৰামায়ণ ৰচনা কৰি অসমীয়া ভাষাত ৰামায়ণ ৰচনাৰ পথ সুচনা কৰিছিল এই গৰাকী কবিয়ে। এইটো দ্বিধাহীনভাৱে স্বীকাৰ্য যে উত্তৰ পূব ভাৰতৰ প্ৰাদেশিক ৰামায়ণী কবিসকলৰ ভিতৰত মাধৱ কন্দলি সৰ্বপ্ৰাচীন।

"সপ্তকাণ্ড ৰামায়ণ        পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্বৃতে।"

এই উক্তিয়েই মাধৱ কন্দলিয়ে যে চমুকৈ বাল্মিকীৰ সপ্তকাণ্ড ৰামায়ণ অনুবাদ কৰিছিল তাক প্ৰতীয়মান কৰায় যদিও প্ৰচলিত ৰামায়ণখনৰ পাঁচোটা কাণ্ডহে তেওঁৰ ৰচনা বুলি নিশ্চিতভাৱে জনা যায়। আন দুটা কাণ্ড আদি কাণ্ড আৰু উত্তৰা কাণ্ড পিছৰ কালত মাধৱদেৱ আৰু শংকৰদেৱে সংযোগ কৰি মাধৱ কন্দলিৰ সপ্তকাণ্ড ৰামায়ণৰ পূৰ্ণতা প্ৰাপ্তি ঘটায়। এইটো প্ৰণিধানযোগ্য যে কন্দলিৰ ৰামায়ণখনেই নব্য ভাৰতীয় আৰ্য্যভাষাৰ প্ৰথম ৰামায়ণ আৰু এইখনেই পূৰ্ণাংগ অসমীয়া সাহিত্যৰ সুস্পষ্ট দলিল। মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণ মূলত ভাবানুবাদ। " লম্ভা পৰিহৰি সাৰোদ্বৃতে"— এইয়া আছিল কন্দলিৰ ৰামায়ণ মূলনীতি। কন্দলিয়ে বাল্মিকীৰ ৰামায়ণক বেদ জ্ঞান কৰি সেই বেদ বাক্যক বিকৃত নকৰাকৈ বেদৰ দৰে সত্য, পৱিত্ৰ, জ্ঞানগৰ্ভ আৰু অমৃততুল্য

বাল্মিকী ৰামায়ণ অসমীয়া পদলৈ ৰূপান্তৰ কৰি দেৱভাষা সংস্কৃতৰ মাজত আৱদ্ধ হৈ থকা ৰামায়ণৰ অমৃত অসমীয়া ভাষালৈ ৰোৱাই আনিলে।

মাধৱ কন্দলি অসমীয়া তথা সংস্কৃতৰ এগৰাকী নিপুণ পণ্ডিত। তেঁও সংস্কৃত বা তৎসম শব্দৰ লগত অসমীয়া তদ্ভৱ, অৰ্ধতৎসম আৰু দেশীয় শব্দৰ সুৰুচিপূৰ্ণ সংগতি ৰাখি কৌশলপূৰ্ণভাৱে এটা শক্তিশালী সৌষ্ঠৱপূৰ্ণ ৰচনাশৈলীৰ সৃষ্টি কৰিছিল। মাধৱ কন্দলিৰ ৰামায়ণৰ পৰাই চতুৰ্দশ শতিকাতেই নব্য ভাৰতীয় আৰ্য্য ভাষাটোয়ে পূৰ্ণ বিকাশ লাভ কৰে আৰু পৰৱৰ্তী বৈষ্ণৱ সাহিত্য এই ভাষাৰ ওপৰত ভিত্তি কৰিয়েই গঢ় লৈ উঠে। অসমীয়া ভাষাৰ প্ৰায় আটাইবোৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক বৈশিষ্ট্যই কন্দলি আৰু তেওঁৰ সমসাময়িক কালতে বিকাশ লাভ কৰে। কন্দলিৰ ৰামায়ণৰ ভাষাত আঞ্চলিক আৰু থলুৱা ভাষাৰ লগতে জতুৱা ঠাঁচ প্ৰবচন আদি থলুৱা কথ্য ভাষাই বিচিত্ৰ ৰূপ দিছে। আমাৰ আলোচ্য "প্ৰাক্শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ এক আলোচনা" শীৰ্ষক গৱেষণাপত্ৰখনত মাধৱ কন্দলিৰ ৰামায়ণত ব্যৱহাৰ হোৱা অসমীয়া ভাষাটোৰ ভাষাতাত্ত্বিক বিশ্লেষণ দাঙি ধৰাৰ ক্ষেত্ৰত সেই ভাষাটোৰ ধ্বনিতত্ত্ব আৰু শব্দসম্ভাৰৰ প্ৰয়োগ সম্পৰ্কে তথ্যভিত্তিক অধ্যয়নৰ মাজেৰে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ** মাধৱ কন্দলি, ৰামায়ণ, সপ্তকাণ্ড, অসমীয়া সাহিত্য, ভাষা।

# সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ

■ ড° চন্দন লহকৰ
*সহকাৰী অধ্যাপক*
*ৰত্নপীঠ মহাবিদ্যালয়, চাপৰ*

সামাজিক মাধ্যম হৈছে বৰ্তমান সময়ৰ যোগাযোগৰ বলিষ্ঠ মাধ্যম। এই মাধ্যমৰ জৰিয়তে অতি সহজে এজনে আন এজনলৈ নিজৰ নিজৰ মনোভাৱ কঢ়িয়াই নিব পাৰে। বৰ্তমান বিশ্বায়নৰ যুগত ইন্টাৰনেট আমাৰ বাবে এৰাব নোৱাৰা সম্পদ হৈ পৰিছে। এই ইন্টাৰনেটে আমাৰ সকলোৰে বাবে Facebook, Whatsapp, Twitter, Instagram আদি সামাজিক মাধ্যমবোৰ সহজলভ্য কৰি তুলিছে। এটা সময় আছিল মানুহে কেৱল কেইটামান নিৰ্দিষ্ট ভাষাতহে এইবোৰ ব্যৱহাৰ কৰিছিল। কিন্তু, বৰ্তমান সময়ত প্ৰত্যেকে নিজ নিজ মাতৃভাষাত নিজৰ মতামত ব্যৱহাৰৰ সুবিধা লাভ কৰিছে। ইয়াৰ লগে লগে সমান্তৰালভাৱে নিজ নিজ মাতৃভাষা সংৰক্ষণৰ ক্ষেত্ৰত সহায় হৈ পৰিছে। অকল সংৰক্ষণ নহয় নিজ মাতৃভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো অনুৰূপ ঘটনা ঘটিছে। সামাজিক মাধ্যমত বিভিন্ন গোট, পেজ, সম্প্ৰদায় আদি সৃষ্টি হৈছে। এই গোটবোৰে উমৈহতীয়া প্ৰচেষ্টাৰে অসমীয়া ভাষাৰ বিকাশ সাধন কৰিছে। অকল এই গোটবোৰে নহয় ব্যক্তিগতভাৱেও মানুহে এই সামাজিক মাধ্যমৰ সুযোগ-সুবিধা গ্ৰহণ কৰি ভাষাৰ বিকাশৰ লগতে নিজৰো কৰ্মসংস্থাপনৰ দিহা কৰি লৈছে। বিশেষকৈ অসমীয়া লেখক, সাংবাদিক, ব্লগাৰ আদি সকলোৰে এই সামাজিক মাধ্যমৰ সুযোগ-সুবিধা গ্ৰহণ কৰিছে। লগে লগে অসমীয়া ভাষা চৰ্চা কৰা লোকৰো সংখ্যা বাঢ়িছে। আনকি বেলেগ ভাষা-ভাষীৰ লোকেও অসমীয়া ভাষা শিকি এই সামাজিক মাধ্যমৰ জৰিয়তে নিজৰ জনপ্ৰিয়তা বঢ়াবলৈ সক্ষম হৈছে। এই আলোচনা পত্ৰত সামাজিক মাধ্যমে অসমীয়া ভাষাৰ বিকাশৰ ক্ষেত্ৰত কেনেদৰে সহায়-সহযোগ কৰিছে, সেই সম্পৰ্কে আলোচনাৰ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ** সামাজিক মাধ্যম, প্লেটফৰ্ম, মাতৃভাষা, বিশ্বায়ন, বিকাশ।

# সামাজিক মাধ্যমত ব্যৱহাৰ হোৱা অসমীয়া ভাষা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

■ **লীমা কলিতা**
*সহকাৰী অধ্যাপক, দিশপুৰ মহাবিদ্যালয়*

ভাষা হৈছে মানুহৰ মনৰ ভাৱ আদান-প্ৰদান কৰা এক মাধ্যম। বিভিন্ন প্ৰকাৰৰ ভাষাৰ ভিতৰত অসমীয়া ভাষা হৈছে অন্যতম। খৃষ্টীয় দশম শতিকাত মাগধী অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ জন্ম হোৱা বুলি কোৱা হৈছে। আনহাতে, সামাজিক মাধ্যম হৈছে কম্পিউটাৰ আদিৰ দ্বাৰা পৰিচালিত এটা মাধ্যম যিয়ে বাস্তৱ ধাৰণা আৰু নেটৱৰ্ক ব্যৱস্থাক পৰিচালিত কৰে । সামাজিক মাধ্যমৰ আবিৰ্ভাৱৰ লগে লগে অসমীয়াভাষীসকলে নিজৰ মাতৃভাষাত নিজৰ মত প্ৰকাশ, বিষয়বস্তু ভাগ-বতৰা, আনৰ লগত জড়িত হোৱাৰ এক মঞ্চ বিচাৰি পাইছে বুলি ক'ব পাৰি। কিন্তু বৰ্তমানে এই সামাজিক মাধ্যমত ব্যৱহাৰ হোৱা ভাষাটোৰ অভূতপূৰ্ব পৰিৱৰ্তন ঘটা দেখা যায়। যুগৰ পৰিৱৰ্তনৰ লগে লগে সকলো বস্তু চমুৱাই আহিছে। ব্যস্ততাপূৰ্ণ জীৱনবোৰত মানুহে অসমীয়া ভাষাটোৰ সমাহাৰ ঘটাই তথা বাক্যসমূহ চমুৱাই আনি আনি অসমীয়া ভাষাটোক এটা বেলেগ পৰ্যায়লৈ লৈ গৈছে। উক্ত আলোচনা পত্ৰখনত অসমীয়া ভাষাটোৱে সামাজিক মাধ্যমত কেনেকুৱা গঢ় লৈছে, তাকে আলোচনা কৰা হৈছে।

**বীজ শব্দ ঃ** সামাজিক মাধ্যম, পৰিৱৰ্তন, কম্পিউটাৰ।

# অসমীয়া ভাষাৰ ঐতিহ্য বিচাৰত প্ৰত্নতাত্ত্বিক সমলৰ ভূমিকা

■ ড° মালবিকা ভট্টাচাৰ্য্য
*অসমীয়া বিভাগ,*
*দিশপুৰ মহাবিদ্যালয়*

ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে মন্তব্য কৰিছিল যে ভাষা এটাৰ লিখিত নিদৰ্শন নোপোৱালৈকে ভাষাটিৰ জন্ম পত্ৰিকা লিখা সহজ নহয়। অৰ্থাৎ ভাষা এটিৰ প্ৰাচীনতা সম্পৰ্কে জানিবলৈ সেয়ে আমাৰ প্ৰাচীনতম লিখিত নিদৰ্শনৰ আৱশ্যক। সাধাৰণতে প্ৰাচীনকালত ভাষাৰ লিখিত নিদৰ্শন লাভ কৰা যায় শিলালেখ, মাটিৰ পাত্ৰ বা তাম্ৰলেখত, যাক আমি প্ৰত্নতাত্ত্বিক সমল বুলি কওঁ। অৰ্থাৎ প্ৰত্নতাত্ত্বিক সমলে ভাষা এটিৰ প্ৰাচীনতা নিৰূপণ কৰাত সহায় কৰে। ভাৰত চৰকাৰৰ আৰোপিত চৰ্ত অনুসৰি ভাৰতৰ যিবোৰ ভাষাই ১৫০০-২০০০ বছৰ পুৰণি বুলি প্ৰমাণ কৰিব পাৰে, তেনেবোৰ ভাষাকে ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰ বাবে যোগ্য বুলি কোৱা হ'ব। অসমীয়া ভাষাৰ বেলিকা আমি চন্দ্ৰকেতুগড়, ব্ৰাহ্মী লিপিৰ লেখ, মহাস্থানগড়ৰ ব্ৰাহ্মী লিপিৰ লেখ, শৰহপাদৰ দোহা, তেলীশাল-বিষ্ণুপুৰৰ মূৰ্তিলেখ, নকছাৰী-ৰতনপুৰ শিলালেখ, গছতল স্তম্ভলেখ আদি পুৰাতাত্ত্বিক সমলৰ ভিত্তিত সেয়ে ক'ব পাৰোঁ যে অসমীয়া ভাষাৰ প্ৰাচীনতা কেৱল ১৫০০-২০০০ বছৰ পুৰণিয়ে নহয়, বৰং ঋকবেদৰ সমসাময়িক। গতিকে অসমীয়া ভাষা নিশ্চিতৰূপে এক ধ্ৰুপদী ভাষা।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, প্ৰত্নতাত্ত্বিক সমল।

# বিশ্বায়নৰ কবলত অসমীয়া ভাষা-সংস্কৃতি

■ দিপিকা শৰ্মা
*শিক্ষাৰ্থী, সৰ্বদৰ্শন বিভাগ*
*কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন*
*অধ্যয়ন বিশ্ববিদ্যালয়*

সময় পৰিৱৰ্তনশীল। সময় পৰিৱৰ্তনৰ লগে লগেই জনসাধাৰণৰ জীৱন ধাৰণৰ প্ৰণালীৰ পৰিৱৰ্তন হোৱাটো নিতান্তই স্বাভাৱিক। বৰ্তমানৰ সময়টো হ'ল বিশ্বায়নৰ সময়। এনে সময়তে এখন দেশৰ লগত আন এখন দেশৰ পাৰস্পৰিক সহযোগিতা একো অস্বাভাৱিক নহয়। বিশ্বায়নে গোটেই বিশ্ব জুৰি একগোট কৰি পেলোৱাৰ ফলত মানুহৰ মাজত ভাৱৰ আদান-প্ৰদান অতি সহজসাধ্য হয়। অসম ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত এখন ঐতিহ্যপূৰ্ণ আৰু বৈচিত্ৰ্যময় প্ৰদেশ। আজি বিশ্বায়নৰ ফলত বিজ্ঞান প্ৰযুক্তিবিদ্যা তথা যোগাযোগ ব্যৱস্থা আদিৰ দ্ৰুত উন্নতিয়ে অন্যান্য প্ৰান্তৰ সৈতে অসমৰ সম্পৰ্ক অধিক সহজ আৰু ক্ষীপ্ৰ কৰি তুলিছে। বিশ্বায়নৰ ব্যৱস্থাৰ ফলত বৰ্তমান অসমীয়া ভাষা-সংস্কৃতিক পশ্চিমীয়া সংস্কৃতিয়ে আগুৰি ধৰিছে। সেয়ে দেখা যায় যে কথা কোৱাৰ শৈলী, খাৱন-শোৱন, পিন্ধন-উৰণ খেল-ধেমালি আদি সকলো বিষয়তে আধুনিকতাৰ স্পৰ্শ। এই আলোচনা পত্ৰত বিশ্বায়নৰ কবলত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত অহা পৰিৱৰ্তনবোৰক সামৰি লোৱাৰ চেষ্টা কৰা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া,ভাষা,সংস্কৃতি, বিশ্বায়ন।

# অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব ঃ এক অধ্যয়ন

■ ৰীমা ইংতি

*ছাত্ৰী, ডিমৰীয়া মহাবিদ্যালয়*

*ক্ষেত্ৰী*

ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ তৃতীয়টো স্তৰ হৈছে নব্য ভাৰতীয় আৰ্য ভাষা। এই নব্য ভাৰতীয় আৰ্য ভাষাক প্ৰতিনিধিত্ব কৰা এটি অন্যতম ভাষা হৈছে অসমীয়া ভাষা। কোনো এটা ভাষাৰ বিষয়ে জানিবলৈ বা পঢ়িবলৈ হ'লে সেই ভাষাটোৰ ধ্বনিতত্ত্বৰ বিষয়ে জনাটো অতি আৱশ্যক। সেয়েহে অসমীয়া ভাষাটো জানিবলৈ বা পঢ়িবলৈ হ'লে এই ভাষাটোৰ ধ্বনিতত্ত্বৰ বিষয়ে জনাটো অতি প্ৰয়োজন। ধ্বনিতত্ত্ব হৈছে কোনো এটা ভাষাৰ ধ্বনিসমূহৰ বিশ্লেষণ তথা ধ্বনিবিজ্ঞানৰ সৈদ্ধান্তিক বা তাত্ত্বিক তথ্যৰ আধাৰত ভাষা এটাৰ ধ্বনিৰ স্বৰূপ আদিয়েই হ'ল ধ্বনিতত্ত্ব। এই ধ্বনিতত্ত্বত অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ বিশিষ্ট ধ্বনিসমূহক উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী তালিকাভুক্ত কৰি আলোচনা কৰা হৈছে। এই ধ্বনিসমূহৰ বিৰোধৰ বিষয়েও ইয়াত আলোচনা কৰা হৈছে। এই আলোচনা পত্ৰত অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ বিষয়ে এক সম্যক আলোচনা দাঙি ধৰা হ'ব।

**বীজ শব্দ ঃ** অসমীয়া, ধ্বনি, ভাষা, উচ্চাৰণ।

# ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষা

■ ড° বিনিমা পাটগিৰি

*সহকাৰী অধ্যাপক, সংস্কৃত বিভাগ*

*নিৰ্মল হালৈ মহাবিদ্যালয়*

মানৱ সমাজৰ যোগাযোগৰ মাধ্যম হ'ল ভাষা। ভাৰতীয় পৰম্পৰাত প্ৰাচীন ঐতিহ্য, তাৎপৰ্য তথা পুৰণি লিখিত সাহিত্যৰে স্বতন্ত্ৰ ৰূপৰ সাহিত্যিক সমল থকা বিশিষ্ট ভাষাবোৰকে ধ্ৰুপদী ভাষা বুলি কোৱা হয়। ধ্ৰুপদী ভাষা মানে হ'ল শাস্ত্ৰীয় ভাষা (Classical Language) ভাৰতীয় পৰম্পৰাত সংস্কৃত ভাষাক ধ্ৰুপদী বোলা হৈছিল। ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাক স্বীকৃতি প্ৰদান কৰা বাবে আমি গৌৰৱান্বিত। ২০০৪ চনত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ে ভাৰতীয় ভাষাৰ ভিতৰত প্ৰথম তামিল ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়ে। কিন্তু পৰৱৰ্তী সময়ত অৰ্থাৎ ২০০৫ চনত ২০০৪ চনৰ পুনৰীক্ষণ অনুসৰি ভাষা এটা ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা পাবলৈ হ'লে ভাষাটো ১৫০০-২০০০ বছৰ পুৰণি হোৱাৰ উপৰি ভাষা এটাৰ মৌলিকতা থাকিব লাগিব আৰু প্ৰমাণ কৰিব লাগিব। কিন্তু ২০২৪ চনৰ চৰ্ত মতে মৌলিকতাৰ কোনো প্ৰমাণ দিব নালাগে। গতিকে সকলো চৰ্তৰ ভিত্তিত ২০২৪ চনৰ তিনি অক্টোবৰ তাৰিখে অসমীয়া ভাষা ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা আগবঢ়ায়। অসমীয়া ভাষাটো অতি চহকী ভাষা। সাহিত্য-সংস্কৃতিৰে পৰিপূৰ্ণ ভাৰতবৰ্ষৰ ভিতৰতে উত্তৰ-পূৰ্বাঞ্চলৰ অংগীভূত অসমখন বিভিন্ন নৃগোষ্ঠী আৰু ভাষাগোষ্ঠীৰ সমন্বয়ৰ ক্ষেত্ৰ। আজি অতিকৈ আপোন আমাৰ অসমীয়া ভাষাটো বিশ্ব দৰবাৰত পৰিচিত। অসমীয়া ভাষাটোক অতীতৰ নমস্য ব্যক্তিসকলে অতি চহকী কৰি থৈ গৈছে আৰু সেয়ে তেওঁলোকে বহু সপোনো দেখিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱো ব্যতিক্ৰম নাছিল। তেওঁ সপোন দেখিছিল— ‘কামৰূপা মোৰ সুৱদী সুৰীয়া অসমীয়া ভাষা জগত সভালৈ যাব, উজ্জ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হ'ব।’ (জ্যোতি প্ৰসাদৰ ৰচনাৱলী, অসমীয়া ডেকাৰ উক্তি, পৃ. ৭৩৯) ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই বিচৰাৰ দৰে অসমীয়া ভাষাটো জগত সভালৈ গ'ল আৰু জিলিকি উঠিল। এই আলোচনা পত্ৰত ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

**বীজ শব্দ ঃ** ধ্ৰুপদী ভাষা, সংস্কৃত, অসমীয়া।

# ধ্ৰুপদী সংস্কৃত আৰু অসমীয়া ভাষাৰ শব্দগত দিশৰ এক তুলনামূলক অধ্যয়ন

■ ড° চিত্ৰৰঞ্জন শৰ্মা
*সহকাৰী অধ্যাপক, সংস্কৃত বিভাগ*
*নিৰ্মল হালৈ মহাবিদ্যালয়*

ভাৰতীয় আৰ্য্য ভাষাসমূহৰ মূল হৈছে ইন্দো-ইউৰোপীয় ভাষা গোষ্ঠী। এই ইন্দো-ইউৰোপীয় ভাষাগোষ্ঠীটো কিছুমানৰ মতে কাল্পনিক আৰু অনুমানসিদ্ধ। ইন্দো-ইউৰোপীয় ভাষা গোষ্ঠীৰ অন্তৰ্ভুক্ত ইন্দো-ইৰাণীয় উপশাখাৰ অন্তৰ্গত এটা অন্যতম ভাষা হৈছে সংস্কৃত ভাষা। গতিকে সংস্কৃত ভাষা ইন্দো-ইৰাণীয় ভাষাৰ লগত প্ৰত্যক্ষভাৱে জড়িত আৰু ই ইন্দো-ইউৰোপীয় ভাষাৰ সন্তানতুল্য ভাষা। ইন্দো-ইউৰোপীয় ভাষা গোষ্ঠীৰ পৰৱৰ্তী ভাষাসমূহ হৈছে প্ৰাকৃত ভাষা সমূহ। প্ৰাকৃত ভাষাসমূহ বুলিলে মধ্য ভাৰতীয় আৰ্য্য ভাষাসমূহক বুজায়। পালি, প্ৰাকৃত আৰু অপভ্ৰংশ প্ৰাকৃত যেনে— পৈশাচী, শৌৰসেনী, মহাৰাষ্ট্ৰী, মাগধী, অৰ্ধমাগধী আদি মধ্য ভাৰতীয় আৰ্য্যভাষাৰ অন্তৰ্ভুক্ত হয়। মধ্য ভাৰতীয় আৰ্য্যভাষাসমূহৰ ক্ৰমবিৱৰ্তনৰ ফলতেই অসমীয়া, বাংলা, ওড়িয়া, মৈথিলী, ভোজপুৰী, হিন্দী, মাৰাঠী, গুজৰাটী, ৰাজস্থানী, পাঞ্জাৱী আদি নব্য ভাৰতীয় বা আধুনিক ভাৰতীয় ভাষাসমূহৰ উৎপত্তি হয়। সাধাৰণতে কোনো এটা ভাষা পৃথকভাৱে অৱস্থিত নহয়, সেই ভাষাটো তাৰ পূৰ্বৱৰ্তী কোনো এটা ভাষাৰপৰা উৎপত্তি হোৱাটো নিশ্চিত। অসমীয়া, বাংলা, হিন্দী, মাৰাঠী আদি আধুনিক ভাৰতীয় আৰ্য্য ভাষা সমূহ ভাৰতীয় আৰ্য্য ভাষাৰ প্ৰাচীন আৰু মধ্য স্তৰ পাৰ হৈয়েই বৰ্তমানৰ ৰূপ লৈছে। গতিকে এই আধুনিক ভাষাসমূহৰ মূল হৈছে প্ৰাচীন ভাৰতীয়

আৰ্য্য ভাষা অৰ্থাৎ সংস্কৃত ভাষা। এই ভাষা অতি প্ৰাচীন যদিও ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰে ২০০5 চনত। এই ধ্ৰুপদী সংস্কৃত ভাষাৰ লগত ধ্ৰুপদী ভাষা হিচাপে সদ্যঘোষিত অসমীয়া ভাষাৰ ধ্বনিগত, ৰূপগত, শব্দগত আদি বিভিন্ন দিশত যথেষ্ট মিল আছে। এই আলোচনা পত্ৰত ধ্ৰুপদী সংস্কৃত আৰু অসমীয়া ভাষাৰ মাজত থকা শব্দগত দিশৰ বিষয়ে তুলনামূলক আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ** ইন্দো ইউৰোপীয়, ধ্ৰুপদী, আৰ্য্যভাষা, সংস্কৃত, অসমীয়া

# ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা

■ ড° পৰিণীতা বৰা
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, বিহালী*

ভাৰত চৰকাৰে প্ৰথমবাৰৰ বাবে ২০০৪ চনৰ ১ নৱেম্বৰত ভাৰতবৰ্ষৰ ভাষাসমূহৰ ভিতৰত বিশেষ কিছুমান ভাষাক ধ্ৰুপদী ভাষাৰূপে স্বীকৃতি প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে এনে ভাষাক বিশেষ স্তৰৰ ভাষাৰূপে স্বীকৃতি দিয়াৰ বাবেও আনুষ্ঠানিক ব্যৱস্থা গ্ৰহণ কৰে। সেই সূত্ৰে ২০১৪ চনলৈকে তামিল, সংস্কৃত, তেলুগু, কানাড়া, মালায়ালম আৰু ওড়িয়া ভাষাক ধ্ৰুপদী মৰ্যাদা প্ৰদান কৰে। শেহতীয়াকৈ ২০২৪ চনৰ ৩ অক্টোবৰত মাৰাঠী, পালি, প্ৰাকৃত, অসমীয়া আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান কৰিলে। অসমীয়া ভাষাৰ ধ্ৰুপদী স্বীকৃতিয়ে ভাষাটোৰ প্ৰাচীনত্ব আৰু স্বকীয়তাক প্ৰস্ফুটিত কৰিছে। অসমীয়া ভাষাত 'ধ্ৰুপদী' শব্দৰ অৰ্থ হৈছে উচ্চ বা মাৰ্গীয়। সমাজবিজ্ঞানীসকলে ধ্ৰুপদী ভাষাত উচ্চ পৰ্যায়ৰ তথা প্ৰাচীন কালৰেপৰা প্ৰচলিত ভাষাৰূপ আৰু সাহিত্য প্ৰমাণ থকাৰ কথা উল্লেখ কৰে। সেয়ে ধ্ৰুপদী ভাষা মানে বৰ্তমানে মৃত বা অপ্ৰচলিত ভাষাক নুবুজায়, বৰঞ্চ ইয়াৰ ঐতিহাসিক পৰিক্ৰমা, অন্য ভাষাৰ উৎপত্তিত ইয়াৰ অৰিহণা, সাংস্কৃতিক আৰু ঐতিহাসিক প্ৰাচীনত্ব ইত্যাদিৰ ভিত্তিতহে ভাষাবিজ্ঞানীসকলে একোটা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰি আহিছে। এককথাত ধ্ৰুপদী স্বীকৃতিয়ে অসমীয়া ভাষাক এক ঐতিহ্যমণ্ডিত ভাষা হিচাপে পৰিচয় প্ৰদান কৰিলে। চৰকাৰীভাৱে ভাষাটোৱে ধ্ৰুপদী স্বীকৃতি পালেও কিন্তু এই ভাষাৰ মৰ্যাদা ৰক্ষা কৰাৰ দায়িত্ব প্ৰতিজন অসমীয়াৰে আছে। প্ৰস্তাৱিত গৱেষণা পত্ৰত অসমীয়া ভাষাৰ ধ্ৰুপদী স্বীকৃতিৰ পিছত আহি পৰা প্ৰত্যাহ্বান তথা সম্ভাৱনা সম্পৰ্কে বিশ্লেষণৰ যত্ন কৰা হ'ব।

**বীজ শব্দ ঃ** ধ্ৰুপদী, অসমীয়া, স্বীকৃতি, মৰ্যাদা।

# ধ্ৰুপদী অসমীয়া ভাষা আৰু লিপ্যন্তৰৰ সমস্যা

■ গৌতম গোস্বামী

*সহযোগী অধ্যাপক, ইংৰাজী বিভাগ, টিহু মহাবিদ্যালয়*

ভাষা এটাই স্বতন্ত্ৰ আৰু সুকীয়া মৰ্যাদা পাবলৈ কিছুমান চৰ্ত পূৰণ কৰিব লাগে। ভাষাটোৰ নিজস্ব লিপি থাকিব লাগিব; বিজ্ঞানসন্মত ব্যাকৰণ উপলব্ধ হ'ব লাগিব; নিজস্ব সাহিত্য থকাৰ লগতে কথিত আৰু লিখিত ৰূপত ইয়াৰ বহুল চৰ্চা হ'ব লাগিব। এইবোৰৰ উপৰি নিৰ্দিষ্ট উচ্চাৰণ বিধি, বানান শৈলী আদিও মানি চলিব লাগিব। ভাষাৰ স্বতন্ত্ৰতা থাকিলেও কোনো ভাষা স্থিৰ নহয়; বৰং ই অনিবাৰ্যভাৱে বিৱৰ্তনশীল। যিকোনো এটা ভাষাত সময়ৰ বিৱৰ্তনৰ লগে লগে অন্য ভাষাৰ প্ৰভাৱ পৰিব পাৰে, শব্দৰ আমদানি হ'ব পাৰে। বিশ্বৰ আগশাৰীৰ ভাষাসমূহৰ ভিতৰত নিঃসন্দেহে অসমীয়া ভাষাটোও অন্তৰ্ভুক্ত। সম্প্ৰতি অসমীয়া ভাষাই যি ধ্ৰুপদী মৰ্যাদা লাভ কৰিলে ই অকল ভাষাটোৰ স্বতন্ত্ৰতাকেই প্ৰতিপন্ন কৰা নাই, বৰং ইয়াৰ প্ৰাচীনত্বকো প্ৰতীয়মান কৰিছে। সময়ৰ সোঁতত অসমীয়া ভাষাৰ বিৱৰ্তন ঘটিছে, অন্য ভাষাৰ প্ৰভাৱ পৰাৰ উপৰি দেশী-বিদেশী অন্য বহুতো ভাষাৰ শব্দ সোমাই পৰিছে। শব্দবোৰে কালক্ৰমত অসমীয়া ভাষাৰ স্বকীয় ৰূপ লৈছে। অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা লাভ কৰিলেও ভাষাটো সমস্যামুক্ত বুলি ক'ব নোৱাৰি। আন বহুতো সমস্যাৰ দৰে অসমীয়া ভাষাৰ এটা প্ৰধান সমস্যা হ'ল লিপ্যন্তৰৰ সমস্যা। গোলকীকৰণ আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰসাৰৰ বাবে অসমীয়া ভাষাত অন্য দেশী-বিদেশী ভাষাৰ শব্দ অসমীয়ালৈ তৰ্জমা নকৰি মূল ৰূপটোকে লিপ্যন্তৰৰ জৰিয়তে অন্তৰ্ভুক্ত কৰিবলগীয়া হৈছে। কিন্তু স্বৰূপাৰ্থত দেখা গৈছে যে লিপ্যন্তৰৰ ক্ষেত্ৰত কোনো ধৰণৰ একৰূপতা মানি লোৱা হোৱা নাই। একেটা শব্দকে লিপ্যন্তৰ কৰোঁতে বিভিন্নজনে ভিন্ন ভিন্ন ধৰণে লিখিছে। আমাৰ এই গৱেষণা পত্ৰৰ জৰিয়তে অসমীয়া ভাষাৰ লিপ্যন্তৰৰ বিভিন্ন দিশ তথা সমস্যাৰ ওপৰত আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া, ধ্ৰুপদী, ভাষা, লিপ্যন্তৰ, গোলকীকৰণ

# অসমীয়া ভাষা আৰু ভাষাবিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰলৈ উপেন্দ্ৰনাথ গোস্বামীৰ অৱদান

■ **ড° বিশ্ব হাজৰিকা**

*বিভাগীয় মুৰব্বী, অসমীয়া বিভাগ*

*পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়,*

*বিহালী, বিশ্বনাথ, অসম*

উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া ভাষা আৰু ভাষাবৈজ্ঞানিক অধ্যয়নৰ ক্ষেত্ৰখনক যথেষ্ট পৰিমাণে সমৃদ্ধ কৰি গৈছে। ষাঠিৰ দশকত অসমত ভাষা অধ্যয়নৰ একঘেয়ামি পৰম্পৰা ভংগ কৰা এগৰাকী অন্যতম গুৰুত্বপূৰ্ণ ভাষাবিজ্ঞানী হ'ল -উপেন্দ্ৰনাথ গোস্বামী। তেখেতক উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা অধ্যয়নৰ ক্ষেত্ৰত সবল বাটকটীয়া হিচাপে আখ্যা দিব পৰা যায়। সাধাৰণ ভাষাবিজ্ঞান সম্পৰ্কীয় অধ্যয়ন আৰু ভাষাবৈজ্ঞানিক পৰিভাষা নিৰ্মাণ পৰম্পৰাৰ আৰম্ভণি - তেখেতৰ অসমীয়া ভাষা আৰু ভাষাবৈজ্ঞানিক অধ্যয়নৰ ক্ষেত্ৰখনলৈ গুৰুত্বপূৰ্ণ অৱদান হিচাপে চিহ্নিত কৰিব পাৰি। অসমীয়া ভাষাত থকা সংস্কৃতীয়া ঠাচ আৰু জনজাতীয় প্ৰভাৱ বিশ্লেষণৰ অধ্যয়ন কৰাৰ উপৰি গাঁথনিক দৃষ্টিৰে অসমীয়া ভাষা অধ্যয়নৰ ধাৰাৰ আৰম্ভণি ঘটে তেখেতৰ হাততে। জনজাতীয় ভাষা চৰ্চাৰ ক্ষেত্ৰলৈও তেখেতৰ অৱদান পৰিলক্ষিত হয়। তেখেতৰ ভাষা আৰু ভাষাবিজ্ঞান সম্পৰ্কীয় অধ্যয়নৰ ভিতৰত — ভাষা আৰু সাহিত্য (১৯৫৬), ভাষা-বিজ্ঞান (১৯৬৪), অসমীয়া ভাষাৰ ৰূপকথা (১৯৭৮), ভাষা সমাজ সাহিত্য (১৯৭৮), অসমীয়া ভাষাৰ ব্যাকৰণ (১৯৮১), দেৱানন্দ ভৰালি সোঁৱৰণী বক্তৃতাৰ লিখিত ৰূপ 'প্ৰত্ন-অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ' (১৯৮৫), অসমীয়া ভাষা আৰু উপভাষা

(১৯৮৭), অসমীয়া ভাষা উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ (১৯৯১), মণি-মাণিক শব্দকোষ (১৯৯৮) আদি উল্লেখযোগ্য গ্রন্থ।

এই গৱেষণা পত্ৰত উপেন্দ্ৰনাথ গোস্বামীৰ অসমীয়া ভাষা আৰু ভাষাবিজ্ঞান বিষয়ক অধ্যয়ন সম্পৰ্কীয় গ্ৰন্থৰাজিৰ লগতে অধ্যয়ন ক্ষেত্ৰৰ বিভিন্ন দিশ সামৰি আলোচনা কৰা হৈছে। গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মূলতঃ বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**বীজ শব্দ ঃ** উপেন্দ্ৰনাথ গোস্বামী, অসমীয়া, ভাষা, ভাষাবিজ্ঞান।

# অসমীয়া ভাষাৰ বিকাশত স্বভাৱকবি কালিদাস খাটনিয়াৰৰ অৱদান ঃ ঈশ্বৰ আৰু ধৰ্মৰ এক বিশ্লেষণাত্মক অধ্যয়ন

■ ড° মৌচুমী দত্ত খাটনিয়াৰ
*বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়*

অসমীয়া ভাষাটোৱে ধ্ৰুপদী ভাষাৰ মান্যতা পোৱাৰ বাবে প্ৰতিজন অসমীয়াই গৌৰৱ আৰু আনন্দত আপ্লুত হৈ পৰিছে আৰু ২০২৪ খ্ৰীষ্টাব্দৰ ৩ অক্টোবৰ তাৰিখটো অসমীয়া জাতিৰ বাবে ঐতিহাসিক দিন বুলি চিহ্নিত হৈ ৰ'ল। অসমবাসীৰ বাবে এই উত্তম খবৰৰ আঁৰত বহুকেইজন অসমীয়া, অনা অসমীয়াৰ কষ্ট আৰু ত্যাগ জড়িত হৈ আছে। হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, আমেৰিকান বেপ্তিষ্ট মিছনাৰীকে ধৰি অতীজৰে পৰা আজিলৈ এক বুজন পৰিমাণৰ ত্যাগবীৰ, স্থিতপ্ৰজ্ঞৰ এয়া প্ৰচেষ্টাৰ ফচল। তাৰে ভিতৰত এজন অন্যতম হ'ল- স্বভাৱকবি কালিদাস খাটনিয়াৰ। তেওঁৰ অসমীয়া ভাষাৰ প্ৰতি থকা আনুগত্য আৰু দায়িত্ববোধৰ বাবে ১৯০৯ চনত বজালীৰ কালজিৰাপাৰাত চলা বঙালী নাটকৰ ঠাইত অসমীয়া নাটকৰ ধুৰাপদ আৰু সূচনা লিখি নিজ মাতৃভাষাত নাটক মঞ্চস্থ কৰিছিল। অসমীয়া মহাভাৰতৰ তিনিটা খণ্ড লিখাৰ উপৰিও কুৰিখনৰো অধিক গ্ৰন্থ প্ৰকাশ কৰি খাটনিয়াৰদেৱে অসমীয়া সাহিত্য জগতলৈ অৰিহণা জগাই থৈ গ'ল। এই গৱেষণা পত্ৰৰ মাজেৰে স্বভাৱকবি কালিদাস খাটনিয়াৰৰ সমগ্ৰ ৰচনাৱলী আলোচনা কৰা সম্ভৱ নহয়। সেয়ে আলোচনাৰ বাবে 'ঈশ্বৰ আৰু ধৰ্ম' গ্ৰন্থখন নিৰ্বাচন কৰি মূল সমল হিচাপে লোৱা হৈছে। বিষয়বস্তু আলোচনাৰ কাৰণে বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**বীজ শব্দ ঃ** ঈশ্বৰ, ধৰ্ম, জীৱন।

# বিশ্বৰ দৰবাৰত ধ্ৰুপদী অসমীয়া ভাষাৰ প্ৰতিষ্ঠা ঃ প্ৰত্যাহ্বান আৰু দায়িত্ব

■ **কৃষ্ণা পংকজা দত্ত**
*সহকাৰী অধ্যাপিকা, পৰিৱেশ্য কলা বিভাগ*

■ **ই পান মৌ ৰেইংকেন**
*সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ*
*শ্ৰীভাৰতী ইনষ্টিটউট অৱ্*
*প্ৰফেচনেল এডুকেচন, ডিব্ৰুগড*

ভাষা হ'ল এটা জাতিৰ পৰিচয়বাহক। অৰ্থাৎ মানৱ সভ্যতাৰ দীঘলীয়া ইতিহাসত মানুহে আৱিষ্কাৰ কৰা যুগান্তকাৰী বস্তু বা বিষয়বোৰৰ ভিতৰত অন্যতম হ'ল ভাষা। ভাষাই সমাজ ব্যৱস্থাৰ লগত নিশ্চিতভাৱেই এটা ওতপ্ৰোত সম্পৰ্ক বজাই ৰাখে। ই এনে এক মাধ্যম যি সামাজিক শ্ৰেণী ব্যৱস্থা মানি চলাত আৰু সাম্যকৰণত সহায় কৰে। ভাষাৰ ব্যৱহাৰ আৰু ইয়াৰ প্ৰচলনৰ অত্যাৱশ্যকীয় অংগ হ'ল সেই ভাষাটোৰ লগত জড়িত ভাষিক গোষ্ঠীটো। যিদৰে পৃথিৱীৰ বিভিন্ন ভাষা-ভাষিক লোকসকলে সাংকেতিক চিহ্ন ব্যৱস্থা হিচাপে ভাষাক বিভিন্ন পৰ্যায়ত উন্নতি সাধন কৰি স্বীকৃতি লাভ কৰি আহিছে, ঠিক সেইদৰে বহুতো ঘাত-প্ৰতিঘাত নেওচি অহা অসমীয়া ভাষাইও স্ব-মহিমাৰে মহিমামণ্ডিত হৈ প্ৰাক-শংকৰী, শংকৰী আৰু শংকৰোত্তৰ সময়ৰ পৰাই ঐতিহ্য হিচাপে গ্ৰহণ কৰিব পৰা বিভিন্ন সাহিত্যৰ সমল, গদ্য

জ্ঞান সমৃদ্ধ পাঠ্য, ভাষাৰ প্ৰাচীন ৰূপটো আৰু ইয়াৰ বৰ্তমানৰ আধুনিক ৰূপ তথা উপভাষাৰ মাজৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে। সেই অসমীয়া ভাষাকে মৰ্যাদা দিবৰ বাবে কেন্দ্ৰীয় কেবিনেটক প্ৰতিৱেদন প্ৰেৰণ কৰাৰ পৰা ভাষাটোৱে ধ্ৰুপদী হিচাপে পৰিচয় লাভ কৰালৈকে এক দীঘলীয়া পৰিক্ৰমা পাৰ কৰি প্ৰতিজন অসমীয়াক গৌৰৱৰ অংশীদাৰ কৰাইছে। স্বীকৃতি লাভৰ সমান্তৰালকৈ অসমীয়াভাষীসকলৰ বাবে ভাষা সংৰক্ষণ আৰু উত্তৰণৰ ক্ষেত্ৰতো যথেষ্ট কৰণীয় আছে। আমাৰ আলোচনা পত্ৰত অসমীয়া ভাষাৰ ঐতিহাসিক গুৰুত্ব, ব্যৱহাৰিক দিশৰ প্ৰসাৰ, জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি, ভাষা সংৰক্ষণৰ ক্ষেত্ৰত আহিবলগা প্ৰত্যাহ্বান আদিকে ধৰি কেতবোৰ দিশত এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

**বীজ শব্দ ঃ** ধ্ৰুপদী ভাষা, প্ৰত্যাহ্বান, দায়িত্ব, মৰ্যাদা, ভাষিক।

# ধ্ৰুপদী অসমীয়া ভাষা ঃ প্ৰত্যাহ্বান আৰু দায়িত্ব

■ **ড° নৱনীতা কলিতা**

*সহযোগী তথা বিভাগীয় মুৰব্বী,*
*অসমীয়া বিভাগ*
*নিৰ্মল হালৈ মহাবিদ্যালয়*

ভাৰতৰ একেবাৰে পূৰ প্ৰান্তত অৱস্থিত অসমত কথিত নব্য ভাৰতীয় আৰ্য ভাষাটোৱেই হৈছে অসমীয়া ভাষা। ভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয়টো স্তৰ মধ্য ভাৰতীয় আৰ্যৰ মাগধী প্ৰাকৃতৰ অপভ্ৰংশ স্তৰৰ পূৰ্বী শাখাৰ পৰা উদ্ভৱ হোৱা অসমীয়া ভাষাটো অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে মান্য ভাষা বা উপভাষাৰ ৰূপত ব্যাপ্ত হৈ থকাৰ লগতে চুবুৰীয়া মেঘালয়, নাগালেণ্ড, অৰুণাচল প্ৰদেশ আদিতো সংযোগী ভাষা ৰূপে প্ৰচলিত হৈ আহিছে।

২০২১ চনতে অসম সাহিত্য সভাই অসমীয়া ভাষাক ধ্ৰুপদী মৰ্যাদাৰে স্বীকৃতি জনোৱাৰ বাবে ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগ লৈ পত্ৰ প্ৰেৰণ কৰিছিল। পৰৱৰ্তী সময়ত ভাৰত চৰকাৰৰ হৈ সাহিত্য অকাডেমিয়ে অসম সাহিত্য সভালৈ সভাৰ পত্ৰৰ সন্দৰ্ভত আলোচনা ক্ৰমশঃ আগবঢ়াৰ বিষয়ে অৱগত কৰে আৰু এই সন্দৰ্ভত কিছু অনুসন্ধানও কৰে। তাৰেই ফলশ্ৰুতিত ২০২৪ ইং চনৰ ৩ অক্টোবৰ তাৰিখে ভাৰত চৰকাৰে অসমীয়া ভাষাটোক ধ্ৰুপদী ভাষা ৰূপে স্বীকৃতি জনালে। ই অসমীয়াভাষী লোকৰ বাবে অতি গৰিমাময় বিষয়। এই স্বীকৃতি প্ৰদানৰ পাছত ভাষাটোক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত কিন্তু বিভিন্ন প্ৰত্যাহ্বানো আহি পৰিছে। বিশেষকৈ অসমীয়া নৱপ্ৰজন্মৰ সৰহ সংখ্যকেই ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ি অসমীয়া বিষয়টো

পঢ়িবলৈ অনিহা প্ৰকাশ কৰা দেখা যায়। ফলত ক্ৰমাগতভাৱে অসমীয়া ভাষা শুদ্ধকৈ ক'ব পৰা আৰু লিখিব পৰা মানুহৰ সংখ্যা কমি অহা পৰিলক্ষিত হয়। ইয়ে ভাষাটোৰ ভৱিষ্যতলৈ অশনি সংকেত কঢ়িয়াই আনিছে। এনে এক পৰিৱেশত ধ্ৰুপদী ভাষা অসমীয়াৰ প্ৰতি আমাৰ দায়িত্ব কেনেধৰণৰ হব এয়া এক গুৰুত্বপূৰ্ণ কথা। ভাষা এটা জীয়াই থাকি পূৰ্ণ গৌৰৱেৰে চলি থাকিবলৈ হ'লে এই ভাষাটো কোৱা, লিখা, পঢ়া আৰু সাহিত্য সম্ভাৰেৰে চহকী কৰাৰ প্ৰয়াস নিৰন্তৰে চলি থাকিব লাগিব। জাতীয় জীৱনৰ প্ৰত্যেকটো খোজতে অসমীয়া ভাষাটোক জড়িত কৰিব পাৰিব লাগিব। লগতে অসমীয়া ভাষাটোৰ ধ্ৰুপদী মৰ্যাদাই আনি দিয়া বিভিন্ন সা-সুবিধা কেন্দ্ৰীয় চৰকাৰৰ পৰা কিদৰে আদায় কৰিব পাৰি সেই সম্পৰ্কেও ৰাইজ সততে সজাগ হৈ থাকিব লাগিব। প্ৰতিজন অসমীয়াই ভাষাৰ অশুদ্ধ ব্যৱহাৰ, জাতিৰ প্ৰতি অসন্মান বুলি গণ্য কৰিব লাগিব। যি জাতিৰ ভাষা দুৰ্বল সেই জাতি নিশকটীয়া — এই কথা সাৰোগত কৰি আমি প্ৰত্যেকজন অসমীয়াই সচেতন হৈ নিজ ভাষাৰ প্ৰতি দায়বদ্ধ হ'লে, অন্তৰত জাতীয়তাবোধ আৰু ভাষা প্ৰেম থাকিলে নিশ্চয়কৈ অসমীয়া ভাষাটোক আমি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিম। এই আলোচনা পত্ৰত ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পোৱাৰ পাছত ভাষাটোলৈ অহা বিভিন্ন প্ৰত্যাহ্বানবোৰ আৰু এই ক্ষেত্ৰত আমাৰ দায়িত্ব কেনেধৰণৰ হ'ব সেই সকলোবোৰ বিষয় সামৰি লোৱা হ'ব।

**বীজ শব্দ ঃ** ধ্ৰুপদী ভাষা, অসমীয়া, প্ৰত্যাহ্বান।

# অধি-অভিধানবিজ্ঞান আৰু অসমীয়া অভিধান সম্পৰ্কীয় অধ্যয়নত ইয়াৰ প্ৰয়োগ

■ ড° অমল নাথ
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*নিৰ্মল হালৈ মহাবিদ্যালয়*

অভিধানবিজ্ঞান (Lexicography) হৈছে অভিধান আৰু অভিধানবিষয়ক ৰচনাসমূহৰ প্ৰণালীবদ্ধ অধ্যয়নৰ প্ৰসঙ্গত গঢ় লৈ উঠা এক স্বতন্ত্ৰ অধ্যয়ন ক্ষেত্ৰ। অভিধানবিজ্ঞানৰ দুটা মূল শাখা আছে। প্ৰায়োগিক অভিধানবিজ্ঞান আৰু তাত্ত্বিক অভিধানবিজ্ঞান। তত্ত্বগত আৰু প্ৰয়োগগত দুয়োটা দিশেই থাকে বাবে ইয়াক 'অভিধানতত্ত্ব'ৰ পৰিৱৰ্তে 'অভিধানবিজ্ঞান' বুলি কোৱাটোহে যুক্তিসঙ্গত। ইয়াৰে প্ৰায়োগিক শাখাটোৱে অভিধানৰ প্ৰণয়ন প্ৰক্ৰিয়াক নিৰ্দেশ কৰে আৰু তাত্ত্বিক শাখাটোৱে অভিধান প্ৰণয়নৰ কলা-কৌশলৰ তাত্ত্বিক দিশটোক নিৰ্দেশ কৰে। বিংশ শতিকাৰ আশীৰ দশকৰ পৰা অভিধানবিজ্ঞানৰ তাত্ত্বিক দিশটোৰ সম্পৰ্কে হোৱা গৱেষণাৰ জৰিয়তে কেইখনমান নতুন বিষয়ক্ষেত্ৰ উন্মোচন হয়। বিশ্বৰ প্ৰেক্ষাপটত গঢ় লৈ উঠা তাত্ত্বিক দিশৰ এই বিস্তৃত ৰূপটোৱে বৰ্তমান অধি-অভিধানবিজ্ঞান (Metalexicography) হিচাপে পৰিচিতি লাভ কৰিছে। গৱেষণাৰ লগত জড়িত হোৱা বাবে বৰ্তমান ই সম্পূৰ্ণ ৰূপে বিদ্যায়তনিক বিষয় হিচাপে পৰিগণিত হৈছে। অধি-অভিধানবিজ্ঞানৰ পৰিসৰ সামগ্ৰিকভাৱে চাৰিখন বিষয়ক্ষেত্ৰৰ দ্বাৰা গঠিত। সেইসমূহ ক্ৰমে— অভিধানবিজ্ঞানৰ ইতিহাস (The History of Lexicography), অভিধানবিজ্ঞানৰ সাধাৰণতত্ত্ব (A general Theory of Lexicography), অভিধানৰ ব্যৱহাৰ আৰু ব্যৱহাৰকাৰী সম্পৰ্কীয় গৱেষণা (Research of Dictionary Use & Users) আৰু

অভিধান সমালোচনা (Dictionary Criticism)। অভিধানবিজ্ঞানৰ ইতিহাসে ভাষা এটাত উপলব্ধ পূৰ্বৰ অভিধানবোৰত নিহিত অভিধানবৈজ্ঞানিক দিশৰ আধাৰ চিহ্নিত কৰণ, ইয়াৰ বৈশিষ্ট্য নিৰ্ধাৰণ, পূৰ্বৰ অভিধানবৈজ্ঞানিক কৰ্মৰ বিচাৰ-বিশ্লেষণৰ আধাৰত ভৱিষ্যতৰ অভিধানৰ বাবে আৱশ্যকীয় তত্ত্বসমূহৰ নিৰ্বাচন, পুনৰ্গঠন নাইবা প্ৰয়োজন অনুসৰি নতুন তত্ত্ব সংৰচনা আদিত সহায় কৰে। অভিধানবিজ্ঞানৰ সাধাৰণ তত্ত্বই অভিধান এখন প্ৰণয়নৰ বাবে কৰা পৰিকল্পনাৰ পৰা আৰম্ভ কৰি প্ৰকাশ হোৱালৈকে অতিক্ৰম কৰিব লগা হোৱা প্ৰস্তুতি, সম্পাদনা আৰু ছপাৰ বাবে পাণ্ডুলিপি প্ৰস্তুতকৰণ আদি স্তৰসমূহৰ বাবে প্ৰয়োজন হোৱা কলা-কৌশলসমূহ নিৰ্দেশ কৰে। অভিধান ব্যৱহাৰ সম্পৰ্কীয় গৱেষণাই ব্যৱহাৰকাৰীৰ প্ৰয়োজন, সন্তুষ্টি, মন্তব্য আদি সম্পৰ্কে প্ৰণালীবদ্ধ অধ্যয়ন আগবঢ়ায়। অভিধানৰ সমালোচনাই প্ৰকাশিত অভিধানৰ প্ৰণয়নৰ কলা-কৌশলৰ সকলো দিশ নিৰ্মোহভাৱে বিচাৰ-বিশ্লেষণ কৰি অভিধানৰ ভাল-বেয়া দুয়োটা দিশ তুলি ধৰে। যদিও অধি-অভিধানবিজ্ঞানৰ এই চাৰিওখন ক্ষেত্ৰ প্ৰত্যক্ষভাৱে অভিধানৰ গুণগত মান বৃদ্ধি সংক্ৰান্তীয় গৱেষণাৰ লগত জড়িত তথাপিও অভিধান সম্পৰ্কীয় পৰ্যালোচনাসমূহত অধি-অভিধানবৈজ্ঞানিক দিশসমূহ কিদৰে প্ৰতিফলিত হৈছে তাৰ বিচাৰৰ ক্ষেত্ৰতো ই বিশেষভাৱে প্ৰাসঙ্গিক।

এই আলোচনা পত্ৰত অসমীয়া অভিধান তথা অভিধানসম্পৰ্কীয় পৰ্যালোচনাসমূহত অধি-অভিধানবিজ্ঞানৰ বিষয় ক্ষেত্ৰসমূহৰ তত্ত্বসমূহ কিমান পৰ্যায়লৈ আৰু কেনেদৰে প্ৰযোজ্য হ'ব পাৰে সেই সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে।

**বীজ শব্দ ঃ** অসমীয়া অভিধান, অভিধানবিজ্ঞান, অধি-অভিধানবিজ্ঞান।

# সামাজিক মাধ্যম আৰু অসমীয়া ভাষা

■ ড° বিপুল কলিতা

*সহযোগী অধ্যাপক, অসমীয়া বিভাগ*

*বৰভাগ মহাবিদ্যালয়*

যি মাধ্যমৰ যোগেদি ইজনে সিজনৰ লগত পাৰস্পৰিক সম্পৰ্ক, সামাজিকতা বৰ্তাই ৰাখে তাকে সামাজিক মাধ্যম বুলি কোৱা হয়। সামাজিক মাধ্যম ভাব বিনিময়ৰ চমু পথ। সম্প্ৰতি বিশ্বখনেই হৈ পৰিছে গাঁৱৰ লেখীয়া। ইয়াৰ মূলতেই হ'ল সামাজিক মাধ্যমৰ কৃপাদৃষ্টি। বৰ্তমান শিশুৰ পৰা বৃদ্ধলৈ সকলোৰে মুখে মুখে থকা জনপ্ৰিয় সামাজিক মাধ্যম হ'ল— ইন্টাৰনেট, ফেচবুক, টুইটাৰ, ই-মেইল, ৱাটচ্‌আপ আদি। এইবোৰে বিভিন্ন কাৰণত বিংশ শতিকাৰ অন্তিম দশকৰে পৰা ভাষা-চিন্তাৰ ক্ষেত্ৰত যুগান্তৰৰ সূচনা কৰিছে। সামাজিক মাধ্যমৰ মাজেৰে প্ৰসাৰিত হোৱা ব্যৱসায়-বাণিজ্যৰ মাজেদি যিমানসংখ্যক লোকৰ লগত সম্বন্ধ বা সম্পৰ্ক স্থাপিত হয় তাৰ মাজত প্ৰয়োগ হোৱা ভাষাটোৰ প্ৰকাশিকা শক্তিও বৃদ্ধি হয়। বৰ্তমানে সামাজিক মাধ্যমসমূহে অসমীয়া ভাষাটোৰ শ্ৰীবৃদ্ধি সাধনত কিঞ্চিৎ হ'লেও সহায় কৰিছে বুলিব পাৰি। এই মাধ্যমৰ যোগেদি সাহিত্য চৰ্চাৰ কামো ভালেখিনি আগবাঢ়ি আছে। ই এক ইতিবাচক বতৰা। সামাজিক মাধ্যমসমূহে অসমীয়া ভাষালৈ ভালেমান নতুন নতুন শব্দৰ আমদানি কৰিছে। কিছুমান শব্দ এতিয়া কেৱল ফেচবুক, ৱাটচ্‌আপ, ইন্টাৰনেট আদিতেই সীমাবদ্ধ হৈ নাথাকি একাংশ লোকৰ কথোপকথনত আহি সোমাইছেহি। সামাজিক মাধ্যমত কম আয়াসতে বৃহৎসংখ্যক জনসমষ্টিৰ লোকে ভাষাটোৰ চৰ্চা কৰি আছে। সচেতনভাৱে এনে কামত আগবাঢ়িলে ভাষাটোৰ প্ৰকাশিকা শক্তি বৃদ্ধি পাব। ইয়াৰ বিপৰীতে যদি অসচেতনভাৱে অসমীয়া ভাষাৰে এই মাধ্যমত কাম কৰা যায় তেনেহ'লে ভাষাটোৰ গাত কালিমা লাগিব। যিকোনো মাধ্যমত কোনো ভাষাৰ অন্তৰ্গত শব্দ, বাক্য, ব্যাকৰণ, আখৰ-জোঁটনি, যতি বা বিৰাম চিহ্নৰ ভুল প্ৰয়োগে ভাষাটোক বিকৃত বা বিকলাংগহে কৰি তোলে। এই আলোচনাপত্ৰত সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা হ'ব।

**বীজ শব্দ ঃ** সামাজিক মাধ্যম, ইন্টাৰনেট, ফেচবুক, হোৱাটচ্‌আপ, টুইটাৰ।

# বিশ্বায়ন আৰু অসমীয়া ভাষা

■ **ড° স্বপ্নালী বড়া**
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*দিখৌমুখ মহাবিদ্যালয়*

নব্য ভাৰতীয় আৰ্যভাষাৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত সবাতোকৈ জনপ্ৰিয় তথা বিশেষত্ব সম্বলিত ভাষাটোৱেই হৈছে অসমীয়া ভাষা। আৰ্যমূলীয় অসমীয়া ভাষাটোৱে পালি প্ৰাকৃত অপভ্ৰংশৰ মাজেদি ক্ৰম বিকশিত হৈ খৃষ্টীয় দশম একাদশ শতিকাত সুকীয়া ৰূপ লাভ কৰে। যাৰ প্ৰথম লিখিত নিদৰ্শন সহজযানপন্থী বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ ধৰ্মসাধনৰ গীত 'চৰ্যাগীত'ৰ ভাষা। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে অসমীয়া ভাষাটোত পৰিৱৰ্তনে দেখা দিছে। পৰিৱৰ্তনশীলতা ভাষাৰ এক স্বাভাৱিক ধৰ্ম। সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে ভাষা এটাৰো ৰূপৰ পৰিৱৰ্তন পৰিলক্ষিত হয়। বিশ্বায়নৰ ফলত অসমীয়া ভাষাৰ ধ্বনি, ৰূপ, শব্দ, বাক্য সকলো ক্ষেত্ৰতে পৰিৱৰ্তন সাধন হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ভাষাটোৰ স্বকীয়তা বিনষ্ট হৈছে। বিশ্বায়নে কেনেদৰে অসমীয়া ভাষাটোলৈ পৰিৱৰ্তন আনিছে মূল গৱেষণা পত্ৰত আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ** বিশ্বায়ন, অসমীয়া ভাষা।

# অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত আঞ্চলিক শব্দৰূপৰ গুৰুত্ব ঃ এটি আলোকপাত

■ ড° লক্ষ্মী দেৱী
*সহকাৰী অধ্যাপক, ডিগবৈ মহাবিদ্যালয়*

ভাষাৰ অধ্যয়নত শব্দৰ গুৰুত্ব অধিক। ভাষা এটাৰ সমৃদ্ধিশালী ৰূপটো শব্দৰ মাধ্যমেৰে প্ৰতিফলিত হয়। ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ অতি সমৃদ্ধিশালী। হেমকোষ অভিধান প্ৰণয়ন কৰা সময়ৰ পৰাই বৰ্তমানলৈকে বিভিন্ন অভিধান প্ৰণয়ন কৰা হৈছে। কিন্তু বৰ্তমানো কিছুমান শব্দৰ বিষয়ে অধ্যয়ন হোৱা নাই। উদাহৰণস্বৰূপে— লো শিল্পৰ লগত জড়িত শব্দ, মৃৎ শিল্পৰ লগত জড়িত শব্দ, স্বৰ্ণ শিল্পৰ লগত জড়িত শব্দ আদি। এই শব্দৰ আঞ্চলিক ৰূপসমূহেও অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত গুৰুত্ব বহন কৰিছে। গতিকে এই আলোচনা পত্ৰত এই শব্দসমূহৰ আঞ্চলিক ৰূপৰ বিষয়ে আলোচনা কৰিবলৈ যত্ন কৰা হ'ব।

**বীজ শব্দ ঃ** অসমীয়া ভাষা, শব্দভাণ্ডাৰ, আঞ্চলিক শব্দৰূপ।

# ইংৰাজী ভাষাৰ কবলত লুপ্তপ্ৰায় অসমীয়া ভাষাৰ শব্দসম্ভাৰ ঃ এক অৱলোকন

■ ড° চন্দনা নাথ
*সহকাৰী অধ্যাপক,*
*অসমীয়া বিভাগ, নিৰ্মল হালৈ মহাবিদ্যালয়*

নব্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত বিভিন্ন ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষা অন্যতম। ভাৰতীয় সংবিধান স্বীকৃত এই ভাষাটোৰ এটা সুদীৰ্ঘ ইতিহাস আছে। সুকীয়া সাহিত্যিক আৰু সাংস্কৃতিক ঐতিহ্য বহন কৰা অসমীয়া ভাষাই উদ্ভৱৰ সময়ৰ পৰাই সংমিশ্ৰণ আৰু সমাহৰণ প্ৰক্ৰিয়াৰ মাজেৰে আহি আজিৰ সমৃদ্ধিশালী ৰূপত উপনীত হৈছেহি। গতিশীলতাৰ সূত্ৰ মানি পৰিৱৰ্তনৰ ৰীতিৰে বিভিন্ন ভাষাগোষ্ঠীৰ ভাষিক উপাদান নিজৰ বুকুত সামৰি অসমীয়া ভাষাই আধুনিক ৰূপ পৰিগ্ৰহণ কৰিছে। প্ৰায় দুহেজাৰ বছৰীয়া পুৰণি এই ভাষাটোৰ গতি-প্ৰকৃতিক বিশেষভাৱে প্ৰভাৱিত কৰা এটা ভাষা হ'ল ইংৰাজী ভাষা। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত পোন প্ৰথমবাৰৰ বাবে ইংৰাজৰ সংস্পৰ্শলৈ অহা অসমীয়া জাতিৰ ওপৰত পৰৱৰ্তী সময়ত ইংৰাজৰ উন্নত সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ গভীৰ হৈ পৰে। এই ক্ষেত্ৰত অসমীয়া ভাষাটোও বাদ পৰি নগ'ল। বৰঞ্চ দিনক দিনে ইংৰাজী ভাষাৰ নতুন নতুন শব্দই অসমীয়া ভাষাত স্থান পোৱাৰ লগে লগে অসমীয়া ভাষাৰ শব্দভাণ্ডাৰৰপৰা বহুতো শব্দ ব্যৱহাৰৰ অভাৱত লাহে লাহে লুপ্ত হোৱাৰ উপক্ৰম হৈছে। অসমীয়া ভাষাৰ শব্দভাণ্ডাৰৰপৰা লাহে লাহে হেৰাই যাবলৈ ধৰা এই শব্দসমূহৰ বিলুপ্তিয়ে ভাষাটোৰ স্বকীয় পৰিচয়ৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। এই গৱেষণা পত্ৰত ইংৰাজী ভাষাৰ কবলত ক্ৰমাৎ হেৰাই যাবলৈ ধৰা বা ইতিমধ্যে একেবাৰে ব্যৱহাৰ নোহোৱা হৈ পৰা অসমীয়া শব্দবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

**বীজ শব্দ ঃ** ইংৰাজী ভাষা, অসমীয়া ভাষা, শব্দ।

# সাম্প্ৰতিক সময়ত দূৰদৰ্শনত প্ৰচাৰিত বিজ্ঞাপনৰ অসমীয়া ভাষাৰ সামগ্ৰিক বিশ্লেষণ

■ ড° স্মিতা ডেকা
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*
*নিৰ্মল হালৈ মহাবিদ্যালয়*

বিজ্ঞাপন হৈছে যোগাযোগৰ এক মাধ্যম, যাৰ মুখ্য উদ্দেশ্য হৈছে কোনো বস্তু বিশেষ অথবা সেৱা বা চিন্তাক এক শ্ৰেণীৰ দৰ্শকৰ মাজলৈ লৈ যোৱা আৰু সেই বিশেষ দৰ্শকৰ মানসিক স্থিতিক প্ৰভাৱিত কৰি সেই চিন্তাধাৰাৰ প্ৰতিফলন কৰা। আনহাতে দূৰদৰ্শন হৈছে বিজ্ঞাপন প্ৰচাৰৰ বহুল প্ৰয়োগ হোৱা এক মাধ্যম যিয়ে মূলতঃ ভিডিঅ' বিজ্ঞাপনৰ জৰিয়তে একে সময়তে বিভিন্ন দৰ্শকৰ আচৰণক প্ৰভাৱিত কৰিব পাৰে। সাম্প্ৰতিক সময়ত দূৰদৰ্শনত অসমীয়া ভাষাৰ বিভিন্ন বিজ্ঞাপনৰ প্ৰচলন দেখা যায়। বিজ্ঞাপনত অসমীয়া ভাষাৰ ব্যৱহাৰে বিশ্বায়নৰ সময়ছোৱাত ভাষাটোৰ প্ৰয়োগৰ ক্ষেত্ৰত নিঃসন্দেহে এক ইতিবাচক ভূমিকা পালন কৰিছে। দূৰদৰ্শনত সাম্প্ৰতিক সময়ত সাধাৰণতে বিভিন্ন উৎপাদিত বস্তু বিক্ৰীৰ উদ্দেশ্যৰে সম্প্ৰচাৰিত বিজ্ঞাপন, বিভিন্ন চৰকাৰী খণ্ডৰ আঁচনি-জাননী আদিৰ বিজ্ঞাপন, চিকিৎসা-সেৱা আদিৰ সৈতে সম্পৰ্কিত নানা তথ্যৰ সম্প্ৰচাৰৰ বাবে অসমীয়া ভাষাৰ বিজ্ঞাপনৰ ব্যৱহাৰ হোৱা দেখা যায়। এনে ভিন্ন ক্ষেত্ৰত বিশেষকৈ কাৰিকৰী ক্ষেত্ৰত ব্যৱহৃত অসমীয়া ভাষাৰ বিজ্ঞাপনত সেই ক্ষেত্ৰসমূহৰ নিজা শব্দ ( jargon) ৰ অসমীয়া লিপ্যন্তৰহে ব্যৱহৃত হোৱা পৰিলক্ষিত হয়। বহুক্ষেত্ৰত অন্যান্য ভাষাৰ সম্প্ৰচাৰিত বিজ্ঞাপন অসমীয়াত অনুদিত ৰূপত প্ৰচাৰিত হয়। অনুদিত ৰূপৰ বিজ্ঞাপনত ব্যৱহৃত

অসমীয়া ভাষাৰ বাক্যগঠনৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ প্ৰচলিত বাক্যগঠন ৰীতিৰ সৈতে কিছুমান ক্ষেত্ৰত পাৰ্থক্য দেখা যায়। বিশেষকৈ উৎস ভাষাৰ বাক্য ৰীতিৰ প্ৰভাৱ লক্ষ্য ভাষা অসমীয়াত প্ৰতিফলিত হোৱা দেখা যায়।

একেদৰে অসমৰ ভ্ৰাম্যমাণ, ধাৰাবাহিক, চলচ্চিত্ৰ আদিৰ প্ৰচাৰৰ ক্ষেত্ৰতো বিজ্ঞাপনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমৰ অভিনয় জগতত অসমীয়া ভাষাই এক অভিনৱ স্থান দখল কৰি আছে আৰু এই জগতৰ সৈতে জড়িত প্ৰচাৰমুখী বিজ্ঞাপনে পৰোক্ষভাৱে অসমীয়া ভাষা প্ৰয়োগত অৰিহণা যোগাইছে। প্ৰস্তাৱিত গৱেষণা পত্ৰত মূলতঃ সাম্প্ৰতিক সময়ত ব্যৱহৃত বিজ্ঞাপনৰ অসমীয়া ভাষাৰ শব্দ, বাক্য ৰীতিৰ প্ৰয়োগ, গুৰুত্ব আদিৰ বিশ্লেষণাত্মক অধ্যয়ন কৰা হ'ব।

**বীজ শব্দ ঃ** অসমীয়া ভাষাৰ বিজ্ঞাপন, শব্দ, অনুবাদ ৰীতি ।

# অসমীয়া ভাষাৰ ধ্ৰুপদী পৰম্পৰাত কুইয়ৰ সাহিত্য অধ্যয়নৰ গুৰুত্ব

■ ড° দিগন্ত ৰাজবংশী

*সহকাৰী অধ্যাপক,*

*অসমীয়া বিভাগ, ধমধমা আঞ্চলিক কলেজ*

অসমীয়া ভাষাৰ বৰ্তমান অৱস্থিতি বিভিন্ন পৰ্যায়-পৰিক্ৰমাৰ ফল। এই প্ৰসংগত প্ৰাপ্ত ধাৰণা মতে অসমীয়া ভাষা বৈদিক ভাষাৰ পৰা ক্ৰমে-ক্ৰমে সংস্কৃতৰ মাজেৰে আহি পালি-প্ৰাকৃত-অপভ্ৰংশ হৈ আজিৰ ৰূপ পোৱাৰ কথাটো সৰ্বজনবিদিত। কিন্তু শেহতীয়াকৈ অসমীয়া ভাষাৰ ধ্ৰুপদী স্বীকৃতিয়ে এই প্ৰতিষ্ঠিত ধাৰণাত কিছু নতুন কথাৰ সংযোজন ঘটাইছে। এই নতুন কথাবোৰ অসমৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ভৌগোলিক, মানৱৰ প্ৰব্ৰজন পৰম্পৰা আৰু সংশ্লিষ্ট জনসমুদায়ৰ কাব্য-মহাকাব্য, পুৰাণ-উপপুৰাণ আৰু লোক সাহিত্যৰ পৰা আধুনিক সাহিত্যলৈকে সামৰি কৰা বিভিন্ন ভাষিক তথা ঐতিহাসিক অধ্যয়ন-অনুসন্ধানৰ ফল। অসমীয়া ভাষাৰ ধ্ৰুপদী স্বীকৃতি প্ৰসংগত নতুন অধ্যয়নকাৰীয়ে ভাষাটোৰ ক্ৰমবিকাশ কেৱল পালি-প্ৰাকৃত-অপভ্ৰংশৰ মাজেৰেহোৱা বুলি থকা প্ৰচলিত ধাৰণাক নস্যাৎ কৰি অসমীয়া ভাষাৰ উৎপত্তিৰ প্ৰসংগত অন্য এটা নতুন প্ৰাকৃতৰ অৱস্থিতিৰ কথা স্বীকাৰ কৰিছে। এই কথা সঁচা বুলি মানি লোৱাৰ পৰিপ্ৰেক্ষিতে সাম্প্ৰতিক সমাজ প্ৰেক্ষাপটত আজি অসমীয়া ভাষা-সাহিত্যৰ আদিৰ পৰা বৰ্তমানলৈকে সকলো শিতান সামৰি একোটা নতুন অধ্যয়নৰ প্ৰাসংগিকতা বাঢ়ি আহিছে। এই ক্ষেত্ৰত ভালকৈ অধ্যয়ন কৰিলে দেখা যায় যে অসমীয়া ভাষা-সাহিত্যৰ ক্ৰমবিকাশত সাম্প্ৰতিক কালৰ বিভিন্ন সাহিত্য ধাৰাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই

প্ৰসংগত বিভিন্ন নতুন ধাৰাৰ নাম লোৱা হয় যদিও তাৰ ভিতৰত কুইয়ৰ সাহিত্য ধাৰাটো অন্যতম ধাৰা হিচাপে আজি বিবেচিত হৈছে। এইখিনিতে নকৈ নোৱাৰি যে বিশ্ব কুইয়ৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমৰ প্ৰান্তে-প্ৰান্তে কুইয়ৰসকলৰ অধিকাৰ আৰু স্বাভিমানৰ ৰক্ষণাৱেক্ষণৰ স্বাৰ্থত যি এটা জাগৰণৰ সূচনা হৈছিল, সেই জাগৰণে আন্দোলনৰ ৰূপ লৈ অসমৰ প্ৰেক্ষাপটত বিভিন্ন নতুন চিন্তা-চেতনাৰ উন্মেষ ঘটাইছে। ইয়াৰ ফলস্বৰূপে দ্বৈতবাদ বিৰুদ্ধ তৃতীয় লিংগ বা কুইয়ৰ সাহিত্য সৃষ্টিৰ পৰিৱেশ এটা অসমৰ সৰ্বত্ৰে আজি গঢ় লৈ উঠিছে। এনে পৰিৱেশৰ প্ৰভাৱ ইমান সুদূৰপ্ৰসাৰী যে স্বতঃস্ফূৰ্তভাৱে কুইয়ৰসকলৰ স্বাভিমানক প্ৰতিষ্ঠাপিত কৰাৰ প্ৰয়াসেৰে সাম্প্ৰতিক অসমৰ সাহিত্যিক বা সাংস্কৃতিক কৰ্মীসকলৰ মাজত কুইয়ৰকেন্দ্ৰিক গল্প, কবিতা, উপন্যাস, নাটক ৰচনা আৰু চলচ্চিত্ৰ নিৰ্মাণৰ উৎসাহ বাঢ়িছে। উল্লেখ্য যে এই শ্ৰেণী সাহিত্য কুইয়ৰসকলৰ প্ৰতি থকা আবেগ-অনুভূতিৰ প্ৰাবল্যৰে পল্লৱিত। গতিকে অসমীয়া ভাষাৰ ধ্ৰুপদী ঐতিহ্য আৰু ক্ৰমবিকাশৰ গতিধাৰা উপলব্ধিৰ বাবে সাম্প্ৰতিক প্ৰেক্ষাপটত এই সাহিত্য ধাৰাৰ নন্দনতাত্ত্বিক, ভাষাতাত্ত্বিক, সমাজতাত্ত্বিক তথা উদেশ্যগত দিশবোৰ অধ্যয়নৰ আজি প্ৰয়োজনীয়তা দেখা গৈছে। প্ৰস্তাৱিত অসমীয়া ভাষাৰ ধ্ৰুপদী পৰম্পৰাত *কুইয়ৰ সাহিত্য* অধ্যয়নৰ গুৰুত্ব শীৰ্ষক গৱেষণা পত্ৰখনত অসমীয়া কুইয়ৰ সাহিত্য অধ্যয়নৰ এই প্ৰয়োজনীয়তাকে বিজ্ঞানসন্মতভাৱে প্ৰতিষ্ঠাপিত কৰা হৈছে। এই প্ৰতিষ্ঠা নিশ্চিতভাৱে কুইয়ৰ সাহিত্যৰ সাহিত্যিক, ভাষিক, সামাজিক আৰু উদ্দেশ্যগত সফলতাৰ মূল্যাংকনৰ বাবে গুৰুত্বপূৰ্ণ। এই গৱেষণা পত্ৰত বিশ্লেষণাত্মক আৰু পৰিচয়মূলক পদ্ধতিৰে অসমীয়া ভাষাৰ ক্ৰমবিকাশত কুইয়ৰ সাহিত্য অধ্যয়নৰ গুৰুত্ব সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে।

**বীজ শব্দ ঃ** ধ্ৰুপদী ভাষা, কুইয়ৰ সাহিত্য, অধ্যয়ন আদি।

# অসমীয়া চলচ্চিত্ৰ,তথ্যচিত্ৰ, ধাৰাবাহিকত ব্যৱহৃত অসমীয়া ভাষা ঃ পৰম্পৰা আৰু বিৱৰ্তন

■ পৰিখা কলিতা

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,*
*নিৰ্মল হালৈ মহাবিদ্যালয়*

অসমীয়া চলচ্চিত্ৰৰ ইতিহাস এটা সুদীৰ্ঘ যাত্ৰাৰ প্ৰতিফলন, য'ত সৃজনশীলতা, সংগ্ৰাম আৰু পৰিৱৰ্তনৰ ইতিহাস জড়িত হৈ আছে। ১৯৩৫ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতীৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়ছোৱালৈ অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা অপ্ৰতিৰোধ্য। অসমীয়া চলচ্চিত্ৰ সদায় নৱপ্ৰয়াস, সাংস্কৃতিক চিন্তাধাৰা আৰু সমাজৰ প্ৰতিক্ৰিয়াৰ এক প্ৰতিফলন হৈ আহিছে। অসমীয়া ভাষাৰ চলচ্চিত্ৰ, তথ্যচিত্ৰ আৰু ধাৰাবাহিকত ভাষা ব্যৱহাৰৰ ধৰণ সময়ৰ লগে লগে পৰিৱৰ্তিত হৈ আহিছে। জয়মতী বা ইন্দ্ৰমালতীত সাধুভাষাৰ প্ৰভাৱ আছিল, নাটক আৰু সাহিত্যৰ প্ৰভাৱ থকা শুদ্ধ ভাষাৰ ব্যৱহাৰ হৈছিল। চলচ্চিত্ৰ তথ্যচিত্ৰ আৰু ধাৰাবাহিকত অসমীয়া ভাষা বহুদিনৰ পৰা ব্যৱহাৰ হৈ আহিছে। অসমীয়াত প্ৰসিদ্ধ চলচ্চিত্ৰ, তথ্যচিত্ৰ আৰু ধাৰাবাহিকত ব্যৱহৃত ভাষা সাধাৰণতে অসমৰ সাধাৰণ কথোপকথনৰ ভাষাৰ সৈতে মিল ৰাখে, যদিও অঞ্চলভেদে কিছু পাৰ্থক্য দেখা যায়। তথ্যচিত্ৰবোৰত কেতিয়াবা বুজাবুজিৰ সুবিধাৰ বাবে কিছু ইংৰাজী শব্দ বা বাক্য সংযোজন কৰা হয়। অঞ্চল বিশেষত কিছু ধাৰাবাহিকত বিভিন্ন অঞ্চলৰ উপভাষাৰ ব্যৱহাৰ দেখা যায়। কেতিয়াবা নাটকীয়তা বৃদ্ধি কৰিবলৈ সাহিত্যিক ভাষা বা কাব্যিক সংলাপ ব্যৱহাৰ কৰা হয়। আগতে সাধু অসমীয়া বেছিকৈ ব্যৱহাৰ কৰা হৈছিল কিন্তু বৰ্তমান চলিত অসমীয়া আৰু উপভাষাৰ প্ৰয়োগ বেছিকৈ দেখা যায়। ডিজিটেল মাধ্যমত অসমীয়া-ইংৰাজী মিশ্ৰিত ৰূপো দেখা যায়। ইউটিউবৰ নতুন অসমীয়া কণ্টেন্টত নগৰীয়া ভাষাৰ বৃদ্ধি ঘটিছে। ঠিক সেইদৰে চলচ্চিত্ৰ, তথ্যচিত্ৰ, ধাৰাবাহিক আদিত অসমীয়া ভাষাৰ প্ৰৱৰ্তন আৰু আধুনিক প্ৰৱণতা লক্ষ্য কৰা যায়। এই আলোচনা পত্ৰত চলচ্চিত্ৰ, তথ্যচিত্ৰ, ধাৰাবাহিকত অসমীয়া ভাষাৰ বিৱৰ্তন আৰু আধুনিক প্ৰৱণতা সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে।

**বীজ শব্দ ঃ** চলচ্চিত্ৰ, তথ্যচিত্ৰ, ধাৰাবাহিক, বিৱৰ্তন, ডিজিটেল মাধ্যম।

# প্ৰাচীন অসমৰ শিলালিপি আৰু তাম্ৰলিপিত প্ৰতিফলিত অসমীয়া সমাজ আৰু সংস্কৃতি

■ **ড° অনিমা দত্ত**
*সহযোগী অধ্যাপক*
*ইতিহাস বিভাগ,*
*মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়*

লিপি হ'ল মানৱ সভ্যতা উত্তৰণৰ উল্লেখযোগ্য নিদৰ্শন। লিপিয়ে মানুহৰ জ্ঞান-বুদ্ধি-চিন্তা-চৰ্চা প্ৰজন্মৰ পৰা প্ৰজন্মলৈ কঢ়িয়াই লৈ অহাৰ লগতে সংৰক্ষণো কৰি ৰাখিছে। মানুহৰ মনোভাৱ প্ৰকাশ কৰা বা সংৰক্ষণ কৰাৰ কৌশল সমূহো আছিল বেলেগ বেলেগ। ভাৰত উপ মহাদেশৰ উত্তৰ-পূৱ কোণত অৱস্থিত, প্ৰাচীন সভ্যতা-সংস্কৃতিৰ দিশত সু-সমৃদ্ধ প্ৰাগজ্যোতিষ-কামৰূপ তথা অসমত প্ৰচলিত ভাষা আৰু লিপি হৈছে অসমীয়া ভাষা আৰু অসমীয়া লিপি। খৃঃ চতুৰ্থ-পঞ্চম শতিকাতে অসমীয়া লিপিৰ জন্ম হৈছিল বুলি গৱেষকসকলে সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমৰ সমাজ আৰু সংস্কৃতি প্ৰতিফলিত কৰা অতিকৈ প্ৰাচীন ৰচনাৰাজী হৈছে শিলালিপি আৰু তাম্ৰলিপি সমূহ। আমাৰ এই গৱেষণা পত্ৰখনত প্ৰাচীন অসমত ৰাজত্ব কৰা তিনিটা ৰাজবংশ - বৰ্মনবংশ, শালস্তম্ভবংশ আৰু পালবংশৰ ৰজা সকলৰ পৃষ্ঠপোষকতাত খোদিত শিলালিপি আৰু তাম্ৰলিপিত প্ৰতিফলিত প্ৰাচীন অসমীয়া সমাজ আৰু সংস্কৃতি সম্পৰ্কে অধ্যয়ন কৰা হ'ব।

**বীজ শব্দ ঃ** প্ৰাচীন অসম, শিলালিপি, তাম্ৰলিপি, ৰাজবংশী, সমাজ, সংস্কৃতি।

# অসমীয়া ভাষাৰ বিকাশত বৰগীতৰ ভূমিকা

■ ড° দুলুমণি ডেকা
*সহযোগী অধ্যাপক অসমীয়া বিভাগ*
*ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী*

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ গুৰু দুজনাই অসমত একশৰণ হৰি নাম ধৰ্ম প্ৰচাৰ কৰাৰ উদ্দেশ্যে নাট, পদপুথি ,চপয়, ভটিমা, পয়াৰ সমূহ ৰচনা কৰাৰ উপৰিও কিছুমান উচ্চ আধ্যাত্মিক ভাৱসম্পন্ন বিভিন্ন ৰাগ যুক্ত গীতৰ সৃষ্টি কৰিলে ।এইবোৰকে পিছৰ কালৰ পণ্ডিতসকলে বৰগীত নামেৰে নামাকৰণ কৰে। গীত শব্দৰ অৰ্থ স্পষ্ট; 'বৰ' সংস্কৃত ভাষাৰ 'ৱৰ' অৰ্থাৎ শ্ৰেষ্ঠ। উচ্চ আধ্যাত্মিক ভাৱসম্পন্ন এই গীতসমূহৰ ভাষা, অৰ্থ আদি সকলো শ্ৰেষ্ঠ বাবে বৰগীত আখ্যা দিয়া হৈছে।

অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা পোৱালৈ বিশেষকৈ ভাষাটোৰ বিকাশত শংকৰদেৱ আৰু মাধৱদেৱে অংকীয়া নাট আৰু বৰগীতত বৰগীতত ব্যৱহাৰ কৰা কৃত্ৰিম ভাষাটো হ'ল ব্ৰজবুলি নাইবা ব্ৰজাৱলী। ভাষাৰ বিকাশৰ ক্ষেত্ৰত বিশেষকৈ গুৰু দুজনাৰ বৰগীতৰ মাধ্যমেৰেও চৰ্চা অব্যাহত আছিল। আলোচ্য আলোচনা পত্ৰখনত 'অসমীয়া ভাষাৰ বিকাশত বৰগীতৰ ভূমিকা' সম্পৰ্কে লিখিব যত্ন কৰা হ'ব । মূলতঃ বিশ্লেষণাত্মক পদ্ধতিৰে বিষয়ৰ আলোচনা আগবঢ়োৱা হ'ব ।

**বীজ শব্দ ঃ** ভাষা, ব্ৰজবুলি, বৰগীত।

# স্বাধীনোত্তৰ অসমীয়া ভাষাত জনজাতীয় উপাদান

■ ড° মনিমা ভূঞা
*সহকাৰী অধ্যাপিকা অসমীয়া বিভাগ*
*মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী*

ভাৰতবৰ্ষৰ একেবাৰে পূৰপ্ৰান্তত প্ৰচলিত অসমীয়া ভাষাটো অতি প্ৰাচীন আৰু ঐতিহ্য পূৰ্ণ ভাষা । সুদুৰ অতীতৰ পৰা পৰ্বত-ভৈয়াম আৰু চিৰসেউজ ব্ৰহ্মপুত্ৰ উপতকাত কথিত এই ভাষাটো পাৰ্বত্য অঞ্চল মেঘালয়, নাগালেন্ড আৰু অৰুনাচল প্ৰদেশতো প্ৰচলিত।

অতীজ ৰে পৰা অসমীয়া ভাষাত আৰ্যভিন্ন ভাষাৰ উপাদান উভৈনদী। গৱেষক পন্ডিত সকলে অসমীয়া ভাষা, ইয়াৰ আঞ্চলিক আৰু নৃগোষ্ঠীয় ৰূপৰ বাৰে বৰনীয়া আৰ্যভিন্ন ভাষাগোষ্ঠীয় উপাদান বা প্ৰভাৱৰ কথা স্বীকাৰ কৰিছে । স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাত নৱোদিত সূৰ্যৰ ৰদ-কাঁচলিৰ মিঠা উত্তাপত নতুন চিন্তাৰ নায়কসকলে অসমীয়া ভাষাৰ লগতে বিভিন্ন থলুৱা আৰু জনগোষ্ঠীয় মূলৰ ভাষাসমূহৰ উৎস তথা পাৰস্পৰিক সম্বন্ধৰ অতিগুৰি মাৰি বিশ্লেষন কৰিবলৈ প্ৰয়াস কৰিছে । বৰ্নাঢ্য অসমৰ বাৰেবৰনীয়া জাতি-উপজাতিৰ ভাষাসমূহৰ এনে প্ৰায়োগিক বিচাৰ বিশ্লেষনে ন-ন দিশ উন্মোচিত কৰিছে । আমাৰ আলোচনা পত্ৰখনিত সাম্প্ৰতিক কালৰ অসমীয়া ভাষা সাহিত্যৰ গৱেষক সকলৰ দৃষ্টিভংগী তথা বিশ্লেষণক প্ৰাধান্য দি সমাজ ভাষাতাত্বিক দৃষ্টিকোনেৰে আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হব। অসমীয়া ভাষা আৰু জনগোষ্ঠীয় ভাষাসমূহৰ প্ৰায়োগিক চৰ্চা আৰু সমান্তৰাল অধ্যয়নেহে পৰস্পৰ ভাষাসমূহৰ আন্তঃ গাঠনি সুদৃঢ় কৰি ৰাখিব পাৰিব ।

**বীজ শব্দ ঃ** অসমীয়া ভাষা,জনজাতীয় ভাষা প্ৰাকস্বাধীনকাল ,সাম্প্ৰতিক কাল, আৰ্যভিন্ন উপাদান ।

# সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ

■ জুৰি কাশ্যপ
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*টিহু মহাবিদ্যালয়*

ছ'চিয়েল মিডিয়া হৈছে ইণ্টাৰেক্টিভ প্ৰযুক্তি যি ভাৰ্চুৱেল সম্প্ৰদায় আৰু নেটৱৰ্কৰ জৰিয়তে তথ্য, ধাৰণা, আগ্ৰহ, আৰু অন্যান্য প্ৰকাৰৰ অভিব্যক্তি প্ৰস্তুত আৰু ভাগ-বতৰা কৰাত সহায় কৰে। ছ'চিয়েল মিডিয়া প্লেটফৰ্মে ডিজিটেল ব্যৱহাৰকাৰীসকলক ইজনে সিজনৰ সৈতে যোগাযোগ কৰিবলৈ, তথ্য ভাগ বতৰা কৰিবলৈ আৰু সমল সৃষ্টি কৰিবলৈ অনুমতি দিয়ে। ডিজিটেল যুগত ছ'চিয়েল মিডিয়াই মানুহক সংযোগ কৰা, ধাৰণা ভাগ-বতৰা কৰা, সংস্কৃতি সংৰক্ষণৰ এক শক্তিশালী আহিলাত পৰিণত হৈছে। বিশ্বজুৰি কথিত অসংখ্য ভাষাৰ ভিতৰত ভাৰতীয় আমাৰ ৰাজ্যৰ চৰকাৰী ভাষা অসমীয়াই বিভিন্ন ছ'চিয়েল মিডিয়া প্লেটফৰ্মত কণ্ঠ বিচাৰি পাইছে। ছ'চিয়েল মিডিয়াত অসমীয়াৰ ব্যৱহাৰৰ এই উত্থানে ভাষাটোৰ প্ৰতি ক্ৰমবৰ্ধমান গৌৰৱক প্ৰতিফলিত কৰাই নহয়, ইয়াৰ সাংস্কৃতিক সংৰক্ষণ আৰু বিশ্বব্যাপী প্ৰসাৰৰ সম্ভাৱনাও সূচায়। চহকী সাহিত্যিক ঐতিহ্য আৰু বৈচিত্ৰ্যপূৰ্ণ উপভাষাৰে অসমীয়াই ডিজিটেল পৰিৱেশৰ লগত খাপ খুৱাবলৈ ঐতিহাসিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কিন্তু ছ'চিয়েল মিডিয়াৰ আবিৰ্ভাৱৰ লগে লগে অসমীয়া ভাষীসকলে নিজৰ মাতৃভাষাত নিজৰ মত প্ৰকাশ, বিষয়বস্তু ভাগ-বতৰা, আনৰ লগত জড়িত হোৱাৰ এক মঞ্চ বিচাৰি পাইছে। ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম, ইউটিউবৰ দৰে প্লেটফৰ্মসমূহে ব্যক্তিগত উপাখ্যানৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক বক্তৃতালৈকে, কবিতাৰ পৰা আৰম্ভ কৰি ৰান্ধনীৰ আনন্দলৈকে অসমীয়া বিষয়বস্তুৰ প্ৰসাৰ সাক্ষী হৈ আহিছে। ছ'চিয়েল মিডিয়াত অসমীয়াৰ বৰ্ধিত ব্যৱহাৰৰ আঁৰৰ অন্যতম চালিকা শক্তি হ'ল ৰাজ্যৰ ভিতৰত আৰু বিশ্ব প্ৰব্ৰজনকাৰীৰ মাজত অসমীয়া ভাষীসকলৰ মাজত ই পোষকতা কৰা পৰিচয় আৰু সম্প্ৰদায়বোধ।

**বীজ শব্দ ঃ** ডিজিটেল, সামাজিক মাধ্যম, অসমীয়া ভাষা, ফেচবুক, টুইটাৰ ইউটিউব।

# ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু অসমীয়া ভাষাৰ সুৰক্ষাৰ চিন্তা

■ দেৱযানী তামুলী
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*
*মৰাণ মহিলা মহাবিদ্যালয়, চৰাইদেউ*

২০২৪ বৰ্ষৰ ৩ অক্টোবৰত অসমীয়া ভাষা সাহিত্যৰ গৌৰৱোজ্জ্বল দুহেজাৰ বছৰীয়া ইতিহাসক সাৰথি কৰি অসমীয়া ভাষাই লাভ কৰিলে ভাৰতবৰ্ষৰ ধ্ৰুপদী ভাষাৰ মৰ্যাদা। ভাৰতৰ ধ্ৰুপদী ভাষা বা শাস্ত্ৰীয় ভাষা বুলিলে প্ৰাচীন, মৌলিক আৰু সুকীয়া সাহিত্যিক ঐতিহ্য থকা ভাৰতীয় ভাষা সমূহক বুজায়। অসমীয়া ভাষাৰ এই স্বীকৃতি লাভৰ লগে লগে ৰাজ্যখনত সুদীৰ্ঘ দিন ধৰি চলি অহা এক বৌদ্ধিক সংগ্ৰামৰ সফল সামৰণি ঘটে। অসম সাহিত্য সভাকে ধৰি অসমীয়া ভাষা সাহিত্যৰ চৰ্চা কৰি অহা বিভিন্ন সুধীজনৰ লগতে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে চলাই অহা নিৰলস প্ৰচেষ্টাৰ ফলস্বৰূপে ভাৰতৰ ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ সংযোজন ঘটিল। ভাৰত চৰকাৰে ২০০৪ চনৰ পৰা ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিবলৈ আৰম্ভ কৰিছিল আৰু বৰ্তমান ভাৰতবৰ্ষৰ মুঠ ধ্ৰুপদী ভাষাৰ সংখ্যা ১১ টা। ভাষা একোটাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদানৰ উদ্দেশ্য হ'ল এই ভাষা সমূহক মূল্যৱান ঐতিহ্য হিচাপে প্ৰচাৰ কৰি ভাষাবোৰক শক্তিশালী কৰি তোলা। সেয়েহে একোটা ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ পাছত ভাষাটোৰ বিকাশ আৰু সংৰক্ষণৰ লক্ষ্যৰে ভাৰত চৰকাৰৰ দ্বাৰা কিছুমান সুবিধা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ভাষা একোটা কোনো বিশেষ স্বীকৃতি বা চৰকাৰী নথি পত্ৰই জীৱন্ত কৰি ৰাখিব নোৱাৰে, ভাষা জীয়াই থাকে মানুহৰ মুখত। তদুপৰি ভাষা এটাৰ সমৃদ্ধিৰ বাবে প্ৰয়োজন হয় ফলপ্ৰসু ভাষাপৰিকল্পনাৰ এই আলোচনা পত্ৰত কেৱল ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰ স্বীকৃতিয়ে অসমীয়া ভাষাক জীয়াই ৰাখিব পাৰিবনে এই বিষয়ে বিশ্লেষণাত্মকভাৱে অধ্যয়ন কৰা হ'ব।

**বীজ শব্দ ঃ** ধ্ৰুপদী ভাষা, মৌলিকত্ব, সংৰক্ষণ, ভাষা-পৰিকল্পনা।

# Folk Literature as a Pillar in the Enrichment of the Assamese Language

■ **Dr. Hemashree Duarah**
*Assistant Professor*
*Department of Political Science,*
*Nirmal Haloi College, Patacharkuchi*

■ **Dr. Polly Rajkhowa**
*Assistant Professor*
*Department of Philosophy,*
*Nirmal Haloi College, Patacharkuchi*

Folk literature has played an important role in enhancing the Assamese language, forming the foundation for its cultural, linguistic, and literary development. Folk literature is a form of folk culture that promotes a society or ethical community and helps understand those societies' values, practices, and traditions. It is based on oral traditions and includes folklore, ballads, proverbs, tales, and traditional melodies that have passed down the essence of the language from generation to generation. These characteristics reflect the Assamese people's socio-cultural ethos, values, and knowledge while also contributing to the growth of vocabulary, idiomatic expressions, and linguistic variety. Folk literature transmission has not only preserved indigenous storytelling but also affected the development of Assamese prose and poetry. Many Assamese literary works are inspired

by oral traditions, bringing cultural motifs and methods of narration into written forms. It has also served as a language bridge across distinct dialects, establishing a sense of unity and identity in Assamese speakers. This paper explores how folk literature plays a pivotal role in the development of the Assamese language, examining its historical contributions, linguistic value, and contemporary relevance. Understanding its importance allows us to appreciate the breadth of the Assamese language legacy while also ensuring the preservation of its rich folk customs for future generations.

**Key words**: Folk Literature, Assamese language, oral traditions, linguistic enrichment, cultural heritage.

# Tracing the Classical Status: A Historical Study of the Development of Assamese Language

■ **Upakul Patowary**
*Assistant Professor,*
*Department of English, Nirmal Haloi College*

The recent recognition of Assamese as a Classical Language by the Government of India is expected to open new avenues for linguistic and cultural research in Assam. This seminar paper titled *Tracing the Classical Status: A Historical Study of the Development of Assamese Language*, aims to explore the evolution of Assamese language from its Indo-Aryan roots, examining historical texts, inscriptions, and literary traditions, particularly the Vaishnavite contributions. The study will analyze linguistic changes from early to modern era, focusing on phonetic, morphological, and syntactic shifts. It will also assess the impact of external influences and the challenges in preserving old Assamese scripts. Additionally, the paper will discuss the implications of classical recognition, exploring government policies, digitization, and academic initiatives for its promotion. By offering a historical and linguistic perspective, this seminar paper will highlight the significance of Assamese as a classical language and propose strategies for its preservation and future development.

**Keywords:** Classical, Assamese language, Vaishnavite Literature, Indo-Aryan, Cultural identity etc.

# Use of Meme Pages in Social Media through Assamese Language

■ **Dr. Jumi Kalita**
*Department of English*
*Kamrup College, Chamata*

It is aware of everyone that language is the means of communication that allows us to express our thoughts, feelings, emotions and at the same time helps us to share and transmit information and cultural knowledge. Today, for easy way to establish mass communication, people select new media to connect with a message that there is something new in all aspects of our life. Like every other languages, Assamese language also becomes a form of language in new media. In the platform of social media, Assamese language has been used progressively, specially in Facebook, YouTube, Instagram etc. by creating various contents through videos and photographs as a tool of earning money. Nowadays meme pages have become a common form of communication which influence digital culture. This paper mainly focuses on content creation and sharing various types of content, through Assamese meme pages to foster not only culture of expression but also create future possibilities to expand the language better way to give entertainment.

**Keywords**: New media, Social media, meme pages, Assamese language

# ROLE OF TECHNOLOGY IN PRESERVING ASSAMESE LANGUAGE

■ **Dr. Shewali Bora**
*Assistant Professor*
*Department of Education*
*Barbhag College, Kalag, Nalbari, Assam*

Technology has become an indispensable force in contemporary society, driving transformative changes across various domains, including education, healthcare, communication and business. Its rapid evolution has significantly contributed to societal progress by enhancing efficiency and accessibility. The Assamese language, a crucial component of Assam's; socio-cultural and intellectual identity was recently accorded the status of a classical language by the Government of India on 3rd October 2024. Following this milestone, the Government of Assam initiated the "Bhasa Gaurav Saptah" from 3rd to 9th November 2024 to celebrate this historic recognition. In light of these developments, it is imperative to explore innovative strategies for the preservation, promotion and revitalization of the Assamese language. Technology plays a pivotal role in this endeavor by facilitating digital documentation, linguistic research, online learning platforms, automated translation systems and artificial intelligence-driven language tools. This paper aims to examine the role of technology in safeguarding and advancing the Assamese language. Adopting a descriptive approach, the study is based on secondary data and seeks to highlight the potential of technological interventions in ensuring the sustainability of Assamese as a linguistic and cultural heritage.

**Keywords**: Assamese language, technology, Assam.

# Role of Libraries in the Development of Language: A Study in the Context of Assamese Language

■ **Dr. Kishore Kalita**

*Librarian, Barbhag College*

Libraries play a vital role in development of language by preservation, providing access to varied collection of reading materials to users through which individuals grow their reading comprehension, vocabulary, grammar, expand their skills of language through disclose to varieties of writing styles and literary study. The Assamese language, an Eastern Indo-Aryan language, developed from Magadhi Prakrit around the 4th-5th centuries CE, establishing itself as the language of Kamarupa (modern-day Assam) and later influencing other parts of the region, eventually becoming a distinct language with its own script and literature.But in the modern era and competitive world, parents are moved to admit their children in English medium schools rather than Assamese Medium. For that reason, children's basic comprehension of Assamese language is decreasing day by day. In that situation reading aloud programme encourage children to develop love for reading and enhance their Assamese language skills through listening and engaging with Assamese language books.This paper aims to explore the crucial role of libraries which can play in the Development and upliftment of Assamese language among the school going children.

**Keywords:** Language, Assamese language, Libraries.

# Role of Assamese as a Classical Language on Social Media: An Explorative Study on Educational Implications

■ **Suman Barman**,
*Assistant Professor,*
*Department of Education, Nirmal Haloi College*

This present study intends to explore the uses of the Assamese as a classical language on social media platforms, with a particular emphasis on its educational implications and contributions to cultural preservation. The investigator has adopted a mixed-method research approach to achieve the study's objectives. The rationale behind the mixed-method approach is to facilitate in-depth analysis and thereby figure out some practical solutions. Besides that, a self-structured questionnaire has been made to collect useful information about Assamese-speaking social media users, including how they interact with content related to the classical language. Furthermore, in-depth interviews will be conducted with educators and linguists to gain insights into their perspectives concerning the influence of social media on language acquisition and cultural identity. A content analysis of popular Assamese social media posts will be

performed to further illuminate trends in language usage and the representation of classical elements. The sample size for the study will be determined based on Rasoft, a sample size calculator. Furthermore, a stratified random sampling technique will be used to ensure diverse representation across age groups and educational backgrounds. It is anticipated that the findings of the present study will be helpful to find out the existing issues related to the social media users as well as to promote the Assamese classical language for the greater benefits of the Assamese society.

**Keywords**: Social media, classical language, cultural preservation, education.

# ASSAMESE AS A CLASSICAL LANGUAGE

■ **Dr. Kamal Thakuria**
*Assistant Professor,*
*Department of Economics,*
*Nirmal Haloi College*

■ **Priyanka Das**
*Assistant Professor,*
*Department of Economics,*
*Nirmal Haloi College*

The union cabinet led by PM Narendra Modi has recognised Assamese as a classical language. The Assam govt. has launched "Bhasha Gaurav Saptah", a week long celebration (3rd nov-9th nov, 2024) honoring the state's linguistic heritage with the recent recognation of Assamese as Classical Language. There were six classical languages of India such as- Tamil, Sanskrit, Odia, Telegu, Kannada, Malayalam. Recently, the Indian union cabinet has approved five more Indian languages as classical languages- Marathi, Prakrit, Pali, Bengali and Assamese. Assamese language is the eastern Indo-Aryan language. According to the Assam Official Language Act 1960, Assamese language became the state official language to the whole state of Assam. This research paper aims to discuss the implications of Classical recognation of the Assamese Language.

**Keywords :** Assamese, classical language.

# Impact of Globalization on Assamese Language

■ **Dipankar Das**
*Assistant professor & HoD*
*Department of Political Science*
*Nirmal Haloi College*

Globalization is one of the most significant concepts in the modern world.Initially ,globalization primarily focused on economic integration, but now, it has expanded to include cultural and linguistic dimensions.This paper explores the multifacted impact of globalization on the Assamese language, analyzing both positive and negative impact. On the one hand, globalization has facilitated the dissemination of Assamese language, culture and linguistic identity across the borders through different social media platforms. On the other hand, globalization has also posed significant challenges to survival of the Assamese language.The increasing dominance of global language, particularly English, has led to a decline in the use of Assamese language in academic, professional and social settings.Young speakers prefer English for communication due to its perceived socio-economic benefits. Many urban semi urban families now prefer speaking English or Hindi,even at home,causing Assamese to lose its significance among young generations.

As a result, a gradual decline has been seen in the use of Assamese language in urban and semi urban areas. This paper aims to examine the evolving role of Assamese language in the era of globalization and assess the efforts needed to ensure its survival and continued relevance in a rapidly changing world.

**Keywords**- Globalization, Assamese, Language

# Role of Technology in Preserving Assamese Language

■ **Nizara Kachari**

*Assistant Professor,*

*Department of Education, Shreebharati College,Dibrugarh,Assam*

Society is a dynamic process, and in this process technology is playing an important role in moulding people's cognitive, affective and conative level.Technology's influence is pervasive, reshaping global connectivity, communication, and business, while also presenting challenges and opportunities for the future. Under this scenario,social media plays a significant role in preserving the culture of one's country. Social media platforms and instant messaging tools facilitate seamless global communication and collaboration, on a global scale. This technological medium plays an important role in cultural heritage, including language. With the enhancement of technology, Assamese language can be safeguarded and transmitted to the future generation, ensuring its continued relevance and significance. The paper aims to highlight the role of technology in preserving Assamese language.Here secondary data has been used, such as books, newspaper, journal, internet sources etc.

**Keywords**: Technology, Preservation, language.

# Teaching Classical Assamese Language through Modern Pedagogies: An experimental Study

■ **Barnali Saikia**
*Assistant Professor*
*Dept. of Education, Nirmal Haloi College*

On 3rd October 2024, the Assamese language, along with four other languages, was recognized as a classical language by the Govt.of India. This recognition marked a significant milestone in the preservation and promotion of Assamese literature and culture. For a long time, teachers have been using various methods, including the grammar-translation method and the audiolingual method, to teach this language. Although these methods were considered effective, the researcher sought to investigate the impact of modern pedagogies on teaching classical Assamese. An experiment was conducted among 30 students from four schools: 1043 Barbhala L.P. School, 1100 Bichan Kuchi L.P. School, 1210 Sarbodaya L.P. School, and 1376 Patacharkuchi L. P. School. The experimental group was taught using modern pedagogies, while the control group used traditional pedagogies. The results showed that students in the experimental group learned the language more accurately and effectively than those in the control group.

**Keywords:** Assamese Language, Classical, pedagogy

# ARCHAEOLOGY AS A SOURCE IN THE RECONSTRUCTION OF THE ASSAMESE LANGUAGE

■ **Dr. Tapan Kalita**
*Associate Professor & HoD*
*Department of History,*
*Nirmal Haloi College*

■ **Lohita Bala Hajong**
*Assistant Professor,*
*Department of History,*
*Nirmal Haloi College*

Conventional linguistic studies typically examine the phonetic and grammatical evolution through a purely linguistic lens. Archaeological sources remain one of the prime reconstructive materials for any language. Archaeological sources that include epigraphy, settlements, and the historical remnants of the landscape tell us much more regarding the gradual processes of language change over the ages. The Umachal rock inscription, on Nilachal Hills, Guwahati, is considered one of the earliest epigraphic sources in Assam, dating back to the 5th century and commemorating the construction of a cave for Lord Balabhadra by Maharajadhiraja Sri Surendra Varman. Later, the Kanai Barasi rock inscription dates back to the early 13th century and marked the first known use of the Assamese language and the Devanagari script. This research aims to highlight the contribution made by archaeological sources toward the reconstruction of the "Assamese" language. The

intersection of the Assamese language with other languages and cultures, particularly, Indo-Aryan, Tibeto Burmese, and South East Asian groups, is crucial in understanding the complexities of its evolution. These are products of multilateral contacts in the form of migration processes that bring different people into the region, trade routes that allowed for the exchange of cultures, and multiple types of contacts, including intermarriage and diplomatic relations. These sorts of historical dynamics have deeply influenced the phonetic features, vocabulary, and grammatical structures of Assamese, driving notable features from its initial dialects to the contemporary form that we identify today. Based on a close analysis of inscriptions, this study examines the linguistic changes over centuries. This study also highlights that the modifications are deeply entwined with the socio-political and cultural linkage changes taking place in Assam over a period of time. By adopting an interdisciplinary approach that merges archaeology with linguistics, this research enhances the comprehension of the socio-cultural and historical factors that have contributed to the shaping of the Assamese language.

**Keywords:** Archaeological Sources, Reconstruction, Evolution, Intersection, Epigraphy.

# Challenges Confronting the Assamese Language in the Contemporary Era

■ **Ms. Banasri Kumar**
*Assistant Professor,*
*Dept. Of Philosophy,*
*Nirmal Haloi College, Patacharkuchi*

In the 21st century, the rapid wave of globalization is significantly altering the mindsets and thought processes of people worldwide. This change is also impacting the linguistic structures of many communities. While advancements in science and technology have made life easier, they pose a threat to the survival of the Assamese language. The Assamese language is currently confronting several challenges, including neglect of one's mother tongue, the indifference of the middle-class Assamese population, the negative influence of electronic media, immigration, and globalization. These factors have led to an existential crisis for the Assamese language. Although Assamese remains the dominant language in Assam, it is gradually being overshadowed by other languages, such as Hindi, English, and Bengali. Once used as a lingua franca in Assam, Assamese is now being diluted by the influence of these languages. The language faces significant challenges even within the Brahmaputra Valley, where it is most widely spoken. This paper seeks to analyze the various challenges confronting the Assamese language and explore potential solutions to preserve and promote its use.

**Keywords:** Assamese language, challenges, mother tongue, linguistic, globalization.

# The use of Assamese language in Social Media

**■ Violina Devi**
*Assistant Professor,*
*Dept. of Political Science,*
*Nirmal Haloi College*

In the twenty-first century, one of the most talked-about subjects worldwide is social media. Among other things, social media is a platform for people to share their thoughts, talents, news, joy, and entertainment. Its users developed a special sense of community. In order to preserve and promote Assamese culture and language, build community, and introduce new generations to their language and customs, it is crucial to use the Assamese language on social media. It is a platform that allows Assamese people to share their literature, language, and culture with audiences both inside and outside of their state. Social media plays a crucial role in the discovery and preservation of the Assamese language by providing platforms for language learning, cultural sharing, and community building, fostering a sense of belonging and promoting the language's usage and appreciation.

**keywords** : Social media, Community, Language, Culture




ICSSR

SPONSORED TWO-DAY

# NATIONAL SEMINAR

ON

## CLASSICAL ASSAMESE LANGUAGE : CHALLENGES AND POSSIBILITIES